www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমি দুখীয়া হ'ব পাৰোঁ, কিন্তু যাতে অসত নহও তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। — মাও জে দং

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৭৪ | বৃহস্পতিবাৰ | ১৩ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 274 | Thursday | 13th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ সাহায্যৰ স্বচ্ছতা পৰ্যবেক্ষণ কৰিব চৰকাৰে ■ সঠিকভাৱে কাম কৰাসকলক জনাব সন্মান

# ৭২ গৰাকী ইউটিউবাৰৰ পুঁজি সংগ্ৰহৰ ওপৰত চৰকাৰী নজৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ আগষ্ট ঃ** ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি আৰু উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ ভয়াবহ জলপ্লাৱনৰ প্ৰত্যক্ষ বুজ ল'বলৈ আজি দিছপুৰৰ লোকসেৱা ভৱনত এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই সংবাদমেলতে মুখ্যমন্ত্ৰীগৰাকীয়ে বানপীড়িত লোকসকলৰ সহায়ৰ নামত নিজাববীয়াকৈ ধন আৰু অনুদান সংগ্ৰহ কৰা ইউটিউবাৰসকলৰ কাৰ্যকলাপৰ প্ৰতি চৰকাৰে তীক্ষ্ণ নজৰ ৰখাৰ কথা স্পষ্টভাৱে উল্লেখ কৰে। তেওঁ কয় যে বৰ্তমানলৈকে ৭২ গৰাকী ইউটিউবাৰে অনলাইন আৰু ৰাজহুৱা প্লেটফৰ্মৰ জৰিয়তে বান সাহায্য বুলি পুঁজি সংগ্ৰহ কৰি আছে, আৰু এই সংগৃহীত ধন প্ৰকৃততে দুৰ্দশাগ্ৰস্ত বানাক্ৰান্ত লোকসকলৰ ওচৰত পাইছেগৈ নে নাই, সেই বিষয়টো চৰকাৰে সঠিকভাৱে পৰ্যবেক্ষণ ❑ ৬ পৃষ্ঠাত

## অসম চৰকাৰৰ অসামৰিক বঁটা প্ৰাপকৰ নাম ঘোষণা

### ছামছুদ্দিন আহমেদলৈ আজান পীৰ বঁটা

গীতা উপাধ্যায়, মাণিক বৰবায়ন, মধুসূদন দাসকে ধৰি চাৰিজন সাংস্কৃতিক ব্যক্তিক সন্মানিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ আগষ্ট ঃ** অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে ২০২৫-২৬ বৰ্ষৰ বাবে তিনিটা প্ৰতিষ্ঠিত অসামৰিক বঁটাৰ প্ৰাপকসকলৰ নাম চূড়ান্তভাৱে ঘোষণা কৰিছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান আৰু প্ৰাচ্যভিত্তিক কাৰ্য নীতি বিভাগৰ মন্ত্ৰী বিমল বড়াই আজি জনতা ভৱনৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত সংবাদমেলত এই বঁটা প্ৰাপকসকলৰ নাম সাংবাদিকসকলৰ আগত দাঙি ধৰে। অসমৰ থলুৱা আৰু শাস্ত্ৰীয় গীত-নৃত্য, নাটক, চলচ্চিত্ৰ আদিকে ❑ ৬ পৃষ্ঠাত

মন্ত্ৰী ৰণোজ পেগুলৈ ফোন কৰি ঘটনাৰ বুজ পেমা খাণ্ডুৰ

## গোগামুখৰ গুলীচালনাক লৈ উদ্বিগ্ন অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ আগষ্ট ঃ** অসম-অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক সীমান্তত সোমবাৰে সংঘটিত গুলীচালনাৰ ঘটনাক লৈ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে কঠোৰ আৰু নিৰপেক্ষ তদন্তৰ আশ্বাস প্ৰদান কৰিছে। ধেমাজি জিলাৰ মিংমাঙৰ বদতি অঞ্চলত ভূমি বেদখলক লৈ অৰুণাচলী দুৰ্বৃত্তই গুলীচালনা কৰাত অসমৰ কমেও ৰচজন লোক আহত হয়। এই ঘটনাৰ পাছতে অসমৰ মুখ্যমন্ত্ৰী ❑ ৬ পৃষ্ঠাত

NEET প্ৰশ্নকাকত ফাদিলক লৈ সংসদত আলোচনাৰ সন্মতি কেন্দ্ৰীয় চৰকাৰৰ

### বিৰোধীয়ে আলোচনা বিচাৰে নে হুলস্থূল বিচাৰে সিদ্ধান্ত লওক ঃ অমিত শ্বাহ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলক লৈ সৃষ্টি হোৱা বিতৰ্ক আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ প্ৰতি লক্ষ্য ৰাখি অৱশেষত কেন্দ্ৰীয় চৰকাৰে ❑ ৬ পৃষ্ঠাত

## সীমান্তৰ অচলাৱস্থা দূৰ কৰিবলৈ অসম চৰকাৰৰ TMPKক আলোচনালৈ আমন্ত্ৰণ

সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰাৰ প্ৰস্তাৱ ঃ বৃহস্পতিবাৰে ধেমাজিত বৈঠক



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** অসম-অৰুণাচল সীমান্তৰ গুলীচালনাৰ প্ৰতিবাদ আৰু সীমান্তৰ অচলাৱস্থা দূৰ কৰাৰ বাবে অসম চৰকাৰে ডাঙৰ পদক্ষেপ গ্ৰহণ কৰিছে। সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰাই প্ৰতিবাদী সংগঠন টাকাম মিচিং পৰিন কেবাঙ (TMPK)ক আলোচনালৈ আমন্ত্ৰণ জনাইছে। বৃহস্পতিবাৰে দিনৰ ৰচবজাত ধেমাজিত এই আলোচনা অনুষ্ঠিত হ'ব বুলি জানিবলৈ দি মন্ত্ৰীগৰাকীয়ে ধ্বংসাত্মক অৰ্থনৈতিক অৱৰোধ প্ৰত্যাহাৰ কৰিবলৈও আহ্বান জনায়। ইয়াৰ লগতে অৰুণাচল চৰকাৰৰ সৈতেও এই বিষয়ত আলোচনা কৰাৰ আশ্বাস দিয়ে মন্ত্ৰী ❑ ৬ পৃষ্ঠাত

## আৰক্ষীৰ জিম্মাত থকা অভিযুক্তৰ চিকিৎসাধীন অৱস্থাত GNRCত মৃত্যু

বহুকেইটা ৰোগত আক্ৰান্ত অভিযোক্তক আৰক্ষীয়ে ঔষধ সেৱনত বাধা প্ৰদানৰ অভিযোগ



**অসম বাৰ্তা, ভূৱাগাঁও, ১২ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানা আৰক্ষীৰ জিম্মাত থকা অৱস্থাত এজন অভিযুক্তৰ চিকিৎসাধীন হৈ মৃত্যু হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰীয়াৰ সৃষ্টি কৰিছে। মৃত অভিযুক্ত লোক জনৰ নাম ৰুহুল আমিন (৪৫)। ৰুহুল আমিনৰ মৃত্যুৰ পাছতে তেওঁৰ পুত্ৰ ৰাজ আৰিয়েন আৰু মাতৃ ফৰিদা খানমে আৰক্ষীৰ বিৰুদ্ধে উত্থাপন কৰিছে কেতবোৰ ভয়ংকৰ অভিযোগ। ৰুহুল আমিনৰ পুত্ৰ ৰাজ আৰিয়েনে কৰা অভিযোগ মতে লাহৰীঘাট আৰক্ষীয়ে এয়া সকলো ধনৰ বাবেই কৰি আহিছে। তেওঁৰ পিতৃৰ বিৰুদ্ধে অনাহকত গুৰুতৰ ধাৰাত গোচৰ পঞ্জীয়ন কৰি হাৰাশাস্তি কৰিছিল। তেওঁৰ পিতৃয়ে দৈনিক বহু কেইটা ❑ ৬ পৃষ্ঠাত

## আদালতৰ নিৰ্দেশ অমান্য কৰি 'মহাবীৰ একুৱা' খোলাৰ বাবে ফাষ্টট্ৰেক আদালতত গোচৰ

সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ কাইলৈ শ্যামকানু, অমৃতপ্ৰভা আৰু সন্দীপনৰ শুনানি



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ আগষ্ট ঃ** জুবিন গাৰ্গ হত্যাকাণ্ডৰ বিচাৰপ্ৰক্ৰিয়া আৰু তাত সংশ্লিষ্ট অভিযুক্তসকলৰ আইনী যুঁজত নিত্য নতুন পৰিৱৰ্তন ঘটি আছে। এই পৰিপ্ৰেক্ষিতত অন্যতম মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ ❑ ৬ পৃষ্ঠাত

প্ৰমোদ বড়োৰ নেতৃত্বত ৰনগৌৰা নাৰ্জাৰী আৰু জয়ন্ত বসুমতাৰীয়ে সংসদ ভৱনত সাক্ষাৎ

## BTR চুক্তি দ্ৰুত ৰূপায়ণ আৰু বান সমস্যা সমাধানক দাবী লৈ প্ৰধানমন্ত্ৰীৰে UPPL সাংসদৰ আলোচনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** ইউ পি পি এল দলৰ সভাপতি তথা ৰাজ্যসভাৰ সাংসদ প্ৰমোদ বড়োৰ নেতৃত্বত আজি সংসদ ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে এক গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। এই সাক্ষাৎত প্ৰমোদ বড়োৰ সৈতে ৰাজ্যসভাৰ সাংসদ ❑ ৬ পৃষ্ঠাত



## 'গুৱাহাটীৰ মানুহে নলাসমূহত জাৱৰ পেলায়' দিছপুৰৰ পানী মেঘালয়ৰ দোষ, মালিগাঁৱৰ পানী আমাৰ ভুল ঃ মুখ্যমন্ত্ৰী


**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ আগষ্ট ঃ** ৰাজধানী গুৱাহাটীৰ কৃত্ৰিম বান সমস্যা সম্পৰ্কে আজি দিছপুৰৰ লোক সেৱা ভৱনত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অত্যন্ত স্পষ্ট মন্তব্য আগবঢ়ায়। দিছপুৰৰ পাৰ্শ্ববৰ্তী অঞ্চলত হোৱা কৃত্ৰিম বানৰ বাবে মেঘালয় ৰাজ্যক দায়ী কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই সমস্যাৰ সমাধান মেঘালয়তে কৰিব লাগিব, আনহাতে মালিগাঁও অঞ্চলত হোৱা কৃত্ৰিম বান ❑ ৬ পৃষ্ঠাত



অসমীয়াক অৰুণাচলী দুৰ্বৃত্তৰ আক্ৰমণৰ ঘটনাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্তব্য ড° হিমন্ত বিশ্ব শৰ্মাৰ

## শীঘ্ৰেই সমাধান হ'ব অসম-অৰুণাচলৰ সীমা সমস্যা ঃ মুখ্যমন্ত্ৰী

"বিবদমান ১২৩খন গাঁৱৰ ৭১খন গাঁৱত সমস্যা সমাধান হৈছে, ৫২খনত সমাধান হ'বলৈ বাকী আছে"



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ আগষ্ট ঃ** অসম আৰু অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী অঞ্চলত সংঘটিত হোৱা গুলীচালনাৰ ঘটনাক লৈ আজি দিছপুৰৰ লোক সেৱা ভৱনত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গভীৰ উদ্বেগ ❑ ৬ পৃষ্ঠাত

বানপানীৰ বিধ্বস্ত অঞ্চলত মুখ্যমন্ত্ৰীৰ 'মডেল হাউচিং'

## ক্ষতিপূৰণৰ বাবে কঠোৰ জৰীপ ঃ ৰাষ্ট্ৰীয় স্তৰত সমস্যা দাঙি ধৰাৰ আশ্বাস

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ আগষ্ট ঃ** অসমৰ উজনি অঞ্চলৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত সংঘটিত ভয়াবহ বানপানীৰ প্ৰতিকাৰ আৰু পুনৰ্বাসন সন্দৰ্ভত আজি দিছপুৰৰ লোক সেৱা ভৱনত এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে বানপানীৰ বৰ্তমান পৰিসংখ্যা, চৰকাৰে গ্ৰহণ কৰা তৎকালীন ব্যৱস্থা, ক্ষতিপূৰণৰ বাবে গ্ৰহণ কৰা কঠোৰ জৰীপ পদ্ধতি আৰু দীৰ্ঘম্যাদী পুনৰ্বাসন পৰিকল্পনা স্পষ্টভাৱে দাঙি ধৰে। বানপানীত এতিয়ালৈকে ১০১জন লোকৰ মৃত্যু হৈছে আৰু বৰ্তমান সময়ত ৬৩খন গাঁও প্ৰভাৱিত হৈ আছে আৰু ১৫টা সাহায্য শিবিৰত ৪, ১৮৮ গৰাকী লোক আশ্ৰয় গ্ৰহণ কৰি আছে। বানপানীয়ে ৭৯৩খন বিদ্যালয় ক্ষতিগ্ৰস্ত কৰা বাবে ❑ ৬ পৃষ্ঠাত

## গৃহমন্ত্ৰী অমিত শ্বাহে সংসদত বক্তব্য দিবলৈ এৰাই ফুৰিছে ঃ গৌৰৱ গগৈ

শিক্ষা আৰু ছাত্ৰ আন্দোলনৰ বিষয়ে ইতিমধ্যে বিস্তৃত আলোচনা হৈছে, তথাপি অনুপস্থিত অমিত শ্বাহ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে বুধবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক তীব্ৰ সমালোচনা কৰি অভিযোগ উত্থাপন কৰে যে তেওঁ সংসদত নিজৰ বক্তব্য দিবলৈ ইচ্ছাকৃতভাৱে এৰাই চলিছে। শিক্ষা আৰু ছাত্ৰ আন্দোলনক লৈ সংসদত কোনো আলোচনা হোৱা নাই বুলি চৰকাৰে এক ভুল ধাৰণা সৃষ্টি কৰিবলৈ চেষ্টা কৰা বুলি দাবী কৰি গৌৰৱ গগৈয়ে কয় যে শিক্ষা বিষয়ক আলোচনা সংসদত ইতিমধ্যে বিস্তৃতভাৱে অনুষ্ঠিত হৈছে। তেওঁ বিশেষভাৱে উল্লেখ কৰে যে কাগজ ফাদিলৰ সৈতে জড়িত বিধেয়কখন সংসদত উত্থাপন কৰাৰ সময়ত শিক্ষাৰ সমস্যা আৰু ছাত্ৰ আন্দোলনৰ বিষয়টো অত্যন্ত গুৰুত্বসহকাৰে উত্থাপন কৰা হৈছিল, যাৰ ফলত দুদিন ধৰি এক দীৰ্ঘ আৰু গভীৰ আলোচনা অনুষ্ঠিত হয়। গৌৰৱ গগৈৰ মতে, সেই দুদিনীয়া আলোচনাত কংগ্ৰেছ নেতা ৰাহুল গান্ধী, ❑ ৪ পৃষ্ঠাত

## অসমত ক'তো কয়লা নাই ঃ মুখ্যমন্ত্ৰী

"যদি নাগালেণ্ডে কয়লা খনিৰ বাবে বানপানী হোৱা বুলি কয়, তেন্তে অসম চৰকাৰ উচ্চতম ন্যায়ালয়লৈ যাব"

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ আগষ্ট ঃ** ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত আজি দিছপুৰৰ লোক সেৱা ভৱনত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অত্যন্ত স্পষ্ট আৰু তীক্ষ্ণ ভাষ্য প্ৰদান কৰে। তেওঁ কটাক্ষৰ সুৰে কয় যে অসমত ক'তো কয়লা খনি নাই, আৰু বিহুবৰ-চন্তকত শিল বা কয়লা খন্দা কোনো ব্যৱস্থাও নাই। কিন্তু ইয়াৰ পিছতো কিছু মহলাই বিজ্ঞানীসকলক দোষাৰোপ কৰি বানপানীৰ কাৰণ কয়লা খনি বুলি প্ৰচাৰ চলাই আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই ধৰণৰ যুক্তিহীন সমালোচনাৰ তীব্ৰ সমালোচনা কৰে। তেওঁ স্পষ্টভাৱে কয় যে ইয়াত ইমান বিজ্ঞানী আছে যে তেওঁলোকে নিজে নিজে ঘোষণা কৰি দিয়ে যে শিকলি ❑ ৪ পৃষ্ঠাত


## দুৰ্বল প্ৰধানমন্ত্ৰীয়ে স্বাৰ্থৰ বিনিময়ত দেশৰ সৈতে আপোচ কৰিছে ঃ ৰাহুল গান্ধী

আমেৰিকাৰ আদালতে গৌতম আদানীৰ বিৰুদ্ধে অভিযোগ খাৰিজ কৰাত সমালোচনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** আমেৰিকাৰ আদালতে কোটিপতি ভাৰতীয় ব্যৱসায়ী গৌতম আদানী আৰু তেওঁৰ ভতিজাক সাগৰ আদানীৰ বিৰুদ্ধে উত্থাপিত অপৰাধমূলক প্ৰৱঞ্চনাৰ অভিযোগ খাৰিজ কৰাৰ পাছতে দেশৰ বিৰোধী দলপতি তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কঠোৰ সমালোচনাৰ লক্ষ্যবস্তু কৰি তুলিছে। বুধবাৰে এক্সযোগে প্ৰধানমন্ত্ৰী মোদীক আওপকীয়াকৈ আক্ৰমণ কৰি ৰাহুল ❑ ৬ পৃষ্ঠাত

বানপীড়িতৰ বাবে 'মিশ্যন আশ্ৰয়' উদ্বোধন ঃ মুকলি কৰিলে বিশেষ এপ

## ১৫ আগষ্টত কয়লা-বালি-শিল খননৰ বিৰুদ্ধে অনশনত বহিব অখিল গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ আগষ্ট ঃ** শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে আজি সংবাদমেলত এক গুৰুত্বপূৰ্ণ ঘোষণা কৰি কয় যে বানবিধ্বস্ত ১০০টা পৰিয়ালৰ বাবে পকীঘৰ নিৰ্মাণ কৰা হ'ব, যাৰ প্ৰতিটো ঘৰৰ বাবে ব্যয় হ'ব ৩ লাখ টকা। ইয়াৰ লগতে ১০০০ পৰিয়ালক কেঁচা ঘৰ নিৰ্মাণৰ বাবে চপ্ত হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি তেওঁ স্পষ্টকৈ উল্লেখ কৰে। এই লক্ষ্যৰ অংশ হিচাপে আজিয়েই, লাখ টকীয়া প্ৰথমটো পকীঘৰৰ আধাৰশিলা স্থাপন কৰা হৈছে বুলি ❑ ৬ পৃষ্ঠাত

দেশৰ নতুন প্ৰজন্মক ভাল লগা ব্যক্তিসকলৰ আত্মজীৱনী পঢ়াৰ আহ্বান

## প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ আত্মজীৱনী উন্মোচন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ আত্মজীৱনী 'মোৰ জীৱন, মোৰ সংগ্ৰাম' উন্মোচন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই গ্ৰন্থখনক কেৱল ব্যক্তিগত জীৱনী হিচাপেই নহয়, বৰঞ্চ সমগ্ৰ ভাৰতীয় গণতন্ত্ৰৰ বাবে এক অমূল্য উত্তৰাধিকাৰ হিচাপে অভিহিত কৰে। বুধবাৰে অনুষ্ঠিত এই বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ ভূয়সী প্ৰশংসা কৰে আৰু কয় যে তেওঁ ৰাষ্ট্ৰপতি হিচাপে এক অনুকৰণীয় উদাহৰণ দাঙি ধৰিছে। পদ এৰাৰ পিছতো ৰামনাথ কোবিন্দে দেশৰ বাবে নিৰন্তৰ কাম কৰি থকা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ কৰ্তব্যবোধ আৰু সেৱাৰ মনোভাৱক জাতিৰ বাবে প্ৰেৰণাস্বৰূপ বুলি মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে 'ভাৰতীয় গণতন্ত্ৰৰ বিজয়: মোৰ জীৱন, মোৰ সংগ্ৰাম' শীৰ্ষক এই আত্মজীৱনীখন উন্মোচন কৰি কয় যে গ্ৰন্থখনৰ শীৰ্ষক সম্পূৰ্ণ সাৰ্থক, কাৰণ ইয়াত ৰামনাথ কোবিন্দৰ ব্যক্তিগত জীৱন আৰু সংগ্ৰামৰ কাহিনী আছে যদিও তেওঁৰ সফলতা কেৱল তেওঁৰ ব্যক্তিগত বিজয় নহয়, বৰঞ্চ সমগ্ৰ ভাৰতীয় গণতন্ত্ৰ আৰু লোকতন্ত্ৰৰ বিজয়। এই গ্ৰন্থখন দেশৰ নতুন প্ৰজন্মই অৱশ্যেই পঢ়া উচিত বুলি মন্তব্য কৰি তেওঁ কয় যে কোবিন্দৰ অভিজ্ঞতাসমূহৰ পৰা যুৱপ্ৰজন্মই ❑ ৪ পৃষ্ঠাত



কমিটি সাল-সলনি আৰু সাৰ বিক্ৰীৰ মূল্যক লৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

# জনীয়াত বৰপেটা জিলা সাৰ বিক্ৰেতা সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত

**অসম বাৰ্তা, জনীয়া, ১০ আগষ্ট** ঃ বৰপেটা জিলা সাৰ বিক্ৰেতা সন্থাৰ সাধাৰণ সভা ১০ আগষ্ট ৰবিবাৰে জনীয়া আঞ্চলিক গ্ৰাম উন্নয়ন পৰিষদত অনুষ্ঠিত। সন্থাৰ সভাপতি মোকাদ্দেছ আলীৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভা। সভাত পুৰণি কমিটি সাল-সলনি আৰু সাৰ বিক্ৰীৰ মূল্যক লৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। পুৰণি কমিটি সালসলনি কৰি মোকাদ্দেছ আলীক সভাপতি, হাসমত আলীক কাৰ্যকৰী সভাপতি আৰু সফিকুল হকক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া পূৰ্ণাংগ কাৰ্যকৰী কমিটি গঠন কৰে লগতে সাৰ বিক্ৰেতাসকলে নিৰ্ধাৰিত মূল্যত সাৰ বিক্ৰী কৰিব লাগিব বুলি মন্ত্ৰী পিযুষ হাজৰিকাই ঘোষণা কৰাৰ পিছতেই বৰপেটা জিলা সাৰ বিক্ৰেতা সন্থাই ডাঙৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া মূল্যত সাৰ যোগান ধৰাৰ সুবিধা নোপোৱালৈকে নতুনকৈ ইউৰিয়া সাৰ নোলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে সাৰ বিক্ৰেতা সকলে। চৰকাৰৰ নিৰ্ধাৰিত মূল্য অনুসৰি প্ৰতি বেগ ইউৰিয়া সাৰ ২৬৬ টকাত বিক্ৰী কৰিবলৈ সন্থাই সাজু। কিন্তু নতুনকৈ সাৰ ক্ৰয় কৰিবলৈ যাওঁতে ২৫৪ টকা, ২৪২ টকা আৰু ২৩৮ টকা পৰ্যন্ত মূল্যত ক্ৰয় কৰিব লগীয়া হয়। তাৰ উপৰিও লোডিং আৰু কেৰিংৰ নামত খৰচ বহন কৰিবলগীয়া হোৱাৰ লগতে অতিৰিক্ত টেগিং গ্ৰহণ কৰিবলগীয়া হয়। ফলত ২৬৬ টকাত বিক্ৰী কৰিলে বিক্ৰেতাসকল লোকচানৰ সন্মুখীন হ'ব লাগিব বুলি দাবী কৰে। কেৱল ইউৰিয়া সাৰেই নহয় ১৩৫০ টকাৰ ডিএপি সাৰ ডিলাৰ সকলৰ পৰা ২১৫০ টকাৰ পৰা ২২৫০ টকাত ক্ৰয় কৰিবলগীয়া হয় বুলি অভিযোগ উত্থাপন কৰে সন্থাৰ সভাপতি সম্পাদকে। সেয়ে চৰকাৰে এই সমস্যাৰ সমাধান নকৰালৈকে নতুনকৈ মাৰ্কেটিং ব'ৰ্ডৰ পৰা ইউৰিয়া সাৰ নলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে বৰপেটা জিলা সাৰ বিক্ৰেতা সন্থাই। অৱশ্যে বৰ্তমান ষ্টকত থকা সাৰ ২৬৬ টকাতে বিক্ৰী কৰা হ'ব বুলি জানিবলৈ দিয়াৰ লগতে অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক শীঘ্ৰে ইয়াৰ এটা যোগাত্মক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আহ্বান জনায় সন্থাৰ সভাপতি মোকাদ্দেছ আলী আৰু সাধাৰণ সম্পাদক সফিকুল হকে।

নৱনিৰ্মিত আৱাসিক পৰিসৰৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু

# প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'ল 'দীক্ষাৰম্ভ ২০২৬'

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ আগষ্ট** ঃ হাজংবাৰী, চন্দ্ৰপুৰস্থিত প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ত সোমবাৰে ২০২৬-২৭ শিক্ষাবৰ্ষৰ 'দীক্ষাৰম্ভ ২০২৬' অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ লগতে বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত উপাচাৰ্যৰ আৱাস, 'সান্দীপনি ভৱন' আৰু শিক্ষক আৱাস 'পাণিনি ভৱন' আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। উপস্থিত থাকে বিশ্ববিদ্যালয়ৰ আচাৰ্য লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) ৰাণা প্ৰতাপ কলিতা, উপাচাৰ্য অধ্যাপক ৰাঘৱেন্দ্ৰ প্ৰসাদ তিৱাৰী, পঞ্জীয়ক ড° দেৱব্ৰত খনিকৰ, ডিমৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক ড° তপন দাস, বিদ্যাভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সম্পাদক ড° জগদীন্দ্ৰ ৰায়চৌধুৰী, সংগঠন সম্পাদক ড° পৱন তিৱাৰী আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱা। অনুষ্ঠানৰ শুভাৰম্ভ বন্দে মাতৰম, অসম সংগীত, দীপ প্ৰজ্বলন আৰু সৰস্বতী বন্দনাৰে কৰা হয়। মুখ্য অতিথিৰ ভাষণত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু দ্ৰুত প্ৰযুক্তিগত পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয়সমূহক পৰম্পৰাগত পাঠ্যক্ৰমৰ সীমা অতিক্ৰম কৰি সমাজ আৰু নিয়োগক্ষেত্ৰৰ পৰিৱৰ্তিত প্ৰয়োজনীয়তাৰ সৈতে খাপ খুৱাবলৈ আহ্বান জনায়। তেওঁ কয়, "শিক্ষা কেৱল জ্ঞান আহৰণতে সীমাবদ্ধ থাকিব নালাগে। প্ৰতিটো বিভাগে উদ্ভাৱনমূলক, উদ্যোগমুখী আৰু দক্ষতাভিত্তিক পাঠ্যক্ৰম প্ৰৱৰ্তন কৰি ব্যৱহাৰিক দক্ষতা, ডিজিটেল দক্ষতা, সমালোচনামূলক চিন্তন, যোগাযোগ আৰু উদ্যোগী সামৰ্থ্য বিকশিত কৰিব লাগে।" তেওঁ লগতে আধুনিক শৈক্ষিক বিষয়বস্তুৰ সৈতে ভাৰতীয় জ্ঞান পৰম্পৰা আৰু ভাৰতীয় দৰ্শনৰ অৰ্থপূৰ্ণ সমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে শিক্ষাব্যৱস্থা একে সময়তে শৈক্ষিকভাৱে শক্তিশালী, দক্ষতামুখী, নিয়োগযোগ্য আৰু ভাৰতীয় জ্ঞান পৰম্পৰাত শিপাবদ্ধ হোৱা উচিত। শিক্ষাৰ্থীসকলক উদ্দেশ্যি আচাৰ্য লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) ৰাণা প্ৰতাপ কলিতাই জীৱনৰ প্ৰত্যাহ্বানক দৃঢ়তা আৰু অধ্যৱসায়েৰে মোকাবিলা কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে, "জীৱনত বহু প্ৰত্যাহ্বান আহিব। থমকি ৰ'ব, শান্ত হৈ থাকিব আৰু দৃঢ় সংকল্পৰে নিজৰ সপোনৰ পিছে পিছে আগবাঢ়ি যাব।" প্ৰযুক্তিৰ বিচক্ষণ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে, "শিক্ষাৰ্থী জীৱনৰ বিক্ষেপ স্বাভাৱিক। প্ৰযুক্তিক বিচক্ষণতাৰে ব্যৱহাৰ কৰক আৰু ইয়াক শিক্ষা, বিকাশ আৰু ব্যক্তিগত উৎকৰ্ষৰ আহিলা হিচাপে গ্ৰহণ কৰক।" তেওঁ লগতে সোঁৱৰাই দিয়ে যে "সপোন দেখা সহজ; কিন্তু সেই সপোনক বাস্তৱত পৰিণত কৰিবলৈ অনুশাসন, আত্মসংযম আৰু অধ্যৱসায়ৰ প্ৰয়োজন।" প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ক 'গুৰুতীৰ্থ' হিচাপে গঢ়াৰ সংকল্প দীক্ষাৰম্ভ ভাষণত উপাচাৰ্য অধ্যাপক ৰাঘৱেন্দ্ৰ প্ৰসাদ তিৱাৰীয়ে প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ক কেৱল উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নহয়, বৰং এক 'গুৰুতীৰ্থ' হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগী প্ৰকাশ কৰে- য'ত আধুনিক প্ৰযুক্তি আৰু সমসাময়িক জ্ঞানৰ সৈতে ভাৰতীয় জ্ঞান পৰম্পৰা, ভাৰতীয় ঐতিহ্য আৰু অধ্যাত্মৰ সমন্বয় ঘটিব। তেওঁ শিক্ষাৰ্থীসকলক তথ্যৰ পৰা প্ৰজ্ঞালৈ আগবাঢ়ি 'বিবেক', তৰ্ক, বাদ, সমালোচনামূলক চিন্তন আৰু অনুসন্ধিৎসা বিকশিত কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে, "ভাৰতীয় সংস্কৃতিৰ চিৰন্তন মূল্যবোধত আপোনালোকৰ ভৰি দৃঢ়ভাৱে শিপাই ৰাখক আৰু আপোনালোকৰ মনক বিশ্বৰ ডিজিটেল দিগন্তলৈ উৰিবলৈ দিয়ক।" অসমৰ শ্ৰীমন্ত শংকৰদেৱ আৰু বীৰ লাচিত বৰফুকনৰ জীৱন আৰু কৰ্মৰ উল্লেখ কৰি উপাচাৰ্যগৰাকীয়ে শিক্ষাৰ্থীসকলক সৃষ্টিশীলতা, নেতৃত্ব, অভিযোজন ক্ষমতা আৰু বৌদ্ধিক সাহসৰ পৰা প্ৰেৰণা ল'বলৈ আহ্বান জনায়। তেওঁ "উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত" মন্ত্ৰৰে শিক্ষাৰ্থীসকলক নিজৰ অন্তৰ্নিহিত সম্ভাৱনাক জাগ্ৰত কৰি জ্ঞান আৰু সৃষ্টিশীলতাৰ পথে আগবাঢ়িবলৈ আহ্বান জনায়। 'সান্দীপনি ভৱন' আৰু 'পাণিনি ভৱন' উদ্বোধন অনুষ্ঠানৰ অংশ হিচাপে 'সান্দীপনি ভৱন' নামেৰে পঞ্জীয়কৰ আৱাস আৰু 'পাণিনি ভৱন' নামেৰে শিক্ষক আৱাস উদ্বোধন কৰা হয়। এই নামকৰণে বিশ্ববিদ্যালয়খনৰ ভাৰতীয় জ্ঞান পৰম্পৰা, গুৰু-শিষ্য পৰম্পৰা আৰু ভাৰতীয় বৌদ্ধিক ঐতিহ্যৰ প্ৰতি থকা অঙ্গীকাৰ প্ৰতিফলিত কৰে। নৱনিৰ্মিত আৱাসিক আন্তঃগাঁথনিয়ে বিশ্ববিদ্যালয়ৰ শৈক্ষিক আৰু প্ৰশাসনিক পৰিৱেশ অধিক সুদৃঢ় কৰাৰ লগতে এক সংহত আৰু অনুকূল চৌহদ গঢ়ি তোলাত সহায় কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত পঞ্জীয়ক ড° দেৱব্ৰত খনিকৰে আদৰণী ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ সামৰণিত ধন্যবাদ জ্ঞাপন আৰু ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়।

গোলাঘাটত এজাক শিশুৰ গুণগুণনি, জনপ্ৰিয় অভিনেতা অৰুণ হাজৰিকাৰ অংশগ্ৰহণ

# সফলতাৰে সামৰণি পৰিল 'নাট গুঞ্জৰন-২০২৬'

**অসম বাৰ্তা, দেৰগাঁও, ১২ আগষ্ট** ঃ শিশুসকলৰ সাংস্কৃতিক বিকাশ আৰু মানসিক উৎকৰ্ষ সাধনৰ লগতে মোবাইল আৰু কৃত্ৰিম পৃথিৱীৰ পৰা কিছু আঁতৰি আহি নাট্য শিক্ষাৰ সৈতে জড়িত কৰাৰ লক্ষ্যৰে দেৰগাঁৱৰ অজিত শৰ্মা নাট্য বিদ্যালয়ৰ এক উল্লেখযোগ্য পদক্ষেপ 'নাট গুঞ্জৰন-২০২৬' সফলতাৰে সামৰণি পৰে। জুলাই মাহৰ পৰা প্ৰায় এমাহজোৰা কাৰ্যসূচীৰ অন্তত ৯ আগষ্টত গোলাঘাটৰ এমেছাৰ থিয়েটাৰ চ'চাইটিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় বৃহৎ নাট্য অনুষ্ঠান। এজাক শিশুৰ মৌমাখিৰ দৰে গুণগুণনিত মুখৰ হৈ পৰা প্ৰেক্ষাগৃহটোত তিনিখনকৈ নাটক মঞ্চস্থ কৰি দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰে অনুষ্ঠানটোৱে। অজিত শৰ্মা নাট্য বিদ্যালয় আৰু শান্তিমিলন সাংস্কৃতিক গোষ্ঠীৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানটোৱে দেৰগাঁও তথা গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ শিশুসকলক নাট্য জগতৰ সৈতে পৰিচয় কৰাই দিয়াৰ এক সুন্দৰ পৰিৱেশ সৃষ্টি কৰে। এই বৃহৎ কাৰ্যসূচীৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ আছিল গ্ৰীষ্মকালীন নাট্য কৰ্মশালা। অসমৰ বিভিন্ন প্ৰান্তৰ অভিজ্ঞ প্ৰশিক্ষকসকলে দেৰগাঁৱলৈ আহি এমাহ ধৰি ছাত্ৰ-ছাত্ৰীসকলক নাট্য শিক্ষাৰ প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাত গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ পৰিচালক মাণিক ৰয়, পংকজ ৰাজখোৱা, সুমন্ত কুমাৰ হাজৰিকা, মামু নাথ, অনাদি কুমাৰ বৰঠাকুৰ, ৰিংকু বৰা, অৰ্ণৱজ্যোতি বৰা, পৰাশৰ প্ৰতিম বৰা আদিয়ে প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে। অতিথি প্ৰশিক্ষক হিচাপে উপস্থিত থাকে বিশিষ্ট নাট্যকৰ্মী, অভিনেতা, যুৱ কবি, লেখক তথা 'বেহাৰবাৰী আউটপ'ষ্ট'ৰ ৰাকেশ খ্যাত ৰিণ্টুমণি বৰা। ৯ আগষ্টৰ মূল অনুষ্ঠানৰ আৰম্ভণিতে অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। পণ্ডিত হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, ভূপেন হাজৰিকা, জুবিন গাৰ্গ, স্বৰ্ণলতা বৰঠাকুৰ, নাটসূৰ্য ফণী শৰ্মা আৰু প্ৰয়াত অজিত শৰ্মা দেৱকে ধৰি বিভিন্ন মহান ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পাছত বন্তি প্ৰজ্বলন কৰে গোলাঘাট জিলাৰ জ্যেষ্ঠ নাগৰিক তথা সাংস্কৃতিক কৰ্মী আৰু এমেছাৰ থিয়েটাৰ চ'চাইটিৰ বিত্তীয় সম্পাদক মৃদুল কাকতিয়ে। মঞ্চ উদ্বোধন কৰে অসমৰ জ্যেষ্ঠ অভিনেতা তথা গোলাঘাট জিলাৰ গৌৰৱ, নাট্যজগতৰ জনপ্ৰিয় অভিনেতা অৰুণ হাজৰিকাই। মঞ্চত প্ৰথমে দশৱতাৰ নৃত্য পৰিৱেশন কৰে নৃত্যশিল্পী অংকিতা হাজৰিকাই। তাৰ পিছতেই ডঃ প্ৰদীপ বৰাৰ ৰচনাৰে আৰু প্ৰশিক্ষক মামু নাথৰ পৰিচালনাৰে 'অ' মেঘ অ' মেঘ বৰষুণ দিয় কিয়' নাটকখন মঞ্চস্থ কৰা হয়। সংগীত ব্যৱস্থাপনাত আছিল হিমাংশু হাজৰিকা, প্ৰান্তিক দাস আৰু তন্ময় হাজৰিকাৰ লগতে শান্তিমিলন লোকবাদ্য দলৰ শিল্পীসকল। সংগীত



পৰিচালনা কৰে অনাদি কুমাৰ বৰঠাকুৰে। শব্দ হেমাংগ নাথ আৰু পোহৰৰ দায়িত্বত আছিল বিদ্যুৎ বিকাশ বৰা। ইয়াৰ পাছত মঞ্চস্থ হয় শিশু নাট্যকাৰ অৰিয়ন কুমাৰ বৰঠাকুৰৰ ৰচনাৰে, যুৱ সাংবাদিক তথা অজিত শৰ্মা নাট্য বিদ্যালয়ৰ সম্পাদক আৰু পৰিচালক অনাদি কুমাৰ বৰঠাকুৰৰ পৰিচালনাৰে 'আমাৰ মুস্কানে নাচিব'। ৰাইজৰ অভূতপূৰ্ব সঁহাৰিয়ে নাটকখনক এক বিশেষ মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানৰ মাজতে বিভিন্ন ক্ষেত্ৰত নাট্যজগতলৈ অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ এক বিশেষ আকৰ্ষণ আছিল 'নাটসূৰ্য বঁটা-২০২৬' প্ৰদান অনুষ্ঠান। শান্তি মিলন সাংস্কৃতিক গোষ্ঠীৰ সভাপতি দ্বীপেন বৰঠাকুৰ আৰু পৰিয়ালবৰ্গই তেওঁলোকৰ মাতৃ বিশিষ্ট নামতী স্বৰ্ণলতা বৰঠাকুৰৰ সোঁৱৰণত এই বঁটা আৰম্ভ কৰে। প্ৰথমবাৰৰ বাবে এই বঁটা বিশিষ্ট নাট্যকৰ্মী, পৰিচালক, চিত্ৰশিল্পী তথা শিশুপ্ৰেমী পংকজ ৰাজখোৱাক প্ৰদান কৰা হয়। আগন্তুক দিনত প্ৰতি বছৰে নিৰ্বাচিত বিশিষ্ট নাট্যকৰ্মীক এই বঁটা প্ৰদান কৰা হ'ব বুলি পৰিয়ালবৰ্গই জানিবলৈ দিয়ে। ইয়াৰ পাছত গ্ৰীষ্মকালীন নাট্য কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ অভিনয়েৰে মঞ্চস্থ কৰা হয় 'কদমতলৰ নাট্য সন্ধিয়া'। শিশু নাট্যকাৰ অৰিয়ন কুমাৰ বৰঠাকুৰৰ পৰিচালনাৰে, মামু নাথ আৰু অনাদি কুমাৰ বৰঠাকুৰৰ সংগীত ব্যৱস্থাপনাৰে আৰু শান্তি লোকবাদ্য দলৰ শিল্পীসকলৰ সংগীতৰ সহযোগত নাটকখন মঞ্চস্থ কৰা হয়। দুই কুৰিৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই নাটকখনত ক-শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে বিভিন্ন শ্ৰেণীৰ শিক্ষাৰ্থীয়ে অভিনয় কৰে। তিনিখনকৈ নাটকৰ সফল মঞ্চায়নৰ পাছত গ্ৰীষ্মকালীন নাট্য কৰ্মশালাত অংশগ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীক মানপত্ৰ প্ৰদান কৰা হয়। উপস্থিত শুভাকাংক্ষী আৰু দৰ্শকে শিশুসকলক আগন্তুক দিনত সাংস্কৃতিক ক্ষেত্ৰত আগবাঢ়ি যাবলৈ শুভেচ্ছা আৰু আশীৰ্বাদ জনায়। সম্পূৰ্ণ অনুষ্ঠানটো যুৱ আবৃত্তিকাৰ, নাট্যকৰ্মী তথা অভিনেতা নিলোৎপল দত্তই আঁত ধৰে। গোলাঘাট এমেছাৰ থিয়েটাৰ চ'চাইটিৰ প্ৰেক্ষাগৃহত দুই শতাধিক ও অধিক দৰ্শকে উপস্থিত থাকি অনুষ্ঠানটো উপভোগ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। অনুষ্ঠানৰ সফল সমাপ্তিৰ পাছত শান্তিমিলন সাংস্কৃতিক গোষ্ঠীৰ সভাপতি দ্বীপেন বৰঠাকুৰ, সম্পাদক শান্তনু নন্দন গোস্বামী, কাৰ্যকৰী সভাপতি বসন্তী নাথ, সাংস্কৃতিক বিভাগৰ সভানেত্ৰী মন্দাকিনী সন্দিকৈ, বিদ্যালয়ৰ মুখ্য উপদেষ্টা অৱনী বৰঠাকুৰ সভানেত্ৰী ৰূপালী দেৱী, সম্পাদক তথা পৰিচালক অনাদি কুমাৰ বৰঠাকুৰ, ববিতা ঘোষ, পূৰবী গোস্বামী, বিশ্বজিৎ হাজৰিকা, মেঘালী বৰঠাকুৰ, দৰ্শন গাৰ্গ, সুকৃতী হাজৰিকাকে ধৰি সংশ্লিষ্ট সকলো বিষয়ববীয়াই আগন্তুক দিনতো শিশুসকলৰ সাংস্কৃতিক বিকাশৰ বাবে এনেধৰণৰ কাৰ্যসূচী অব্যাহত ৰখাৰ কথা প্ৰকাশ কৰে। ইয়াৰ লগতে বানাক্ৰান্ত ৰাইজক সহায় কৰাৰ উদ্দেশ্যে আগন্তুক দিনত 'এমুঠি ভোকৰ ভাত'ৰ দৰে সহায়মূলক কাৰ্যসূচী গ্ৰহণ কৰাৰ কথাও উদ্যোক্তাসকলে সংবাদ মাধ্যমৰ আগত অৱগত কৰে। গোলাঘাটৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, অসমৰ বিভিন্ন প্ৰান্তৰ সাংস্কৃতিক সংগঠন আৰু বিশিষ্ট ব্যক্তিসকলে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে অনুষ্ঠানটোৰ সম্পাদক অনাদি কুমাৰ বৰঠাকুৰে সকলোৰে প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। 'নাট গুঞ্জৰন- ২০২৬' কেৱল এটি নাট্য অনুষ্ঠানতেই সীমাবদ্ধ নাথাকি শিশুসকলক সংস্কৃতি, নাট্যচৰ্চা আৰু সৃষ্টিশীলতাৰ সৈতে জড়িত কৰাৰ এক প্ৰশংসনীয় প্ৰয়াস হিচাপে পৰিগণিত হৈছে।

নৱাগত জ্যেষ্ঠ আৰক্ষী অধীক্ষকক কঠোৰ পদক্ষেপ গ্ৰহণৰ দাবী

# গহপুৰ সমজিলাত তিনি মাহত ১২টাকৈ চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ১২ আগষ্ট** ঃ বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰ সমজিলাৰ বিভিন্ন প্ৰান্তত সঘনাই হৈ থকা চুৰি কাণ্ড সমূহে এতিয়া গভীৰ নিৰাপত্তাহীনতাত ভোগাইছে প্ৰতিটো পৰিয়াল আৰু প্ৰতিগৰাকী ব্যৱসায়িক। দিনক দিনে বৃদ্ধি পোৱা এই চোৰৰ প্ৰকোপ ৰোধ কৰাত আৰক্ষী মুঠেও সফল হ'ব পৰা নাই। কেতিয়াবা যদি গৰু চোৰ হয় কেতিয়াবা নামঘৰ, মন্দিৰ, ঘৰ হোটেল আদিত সংঘটিত হয় চুৰি কাণ্ড। কেতিয়াবা আকৌ ব্যৱসায়িক প্ৰতিষ্ঠানত সংঘটিত হয় চুৰি কাণ্ড। গহপুৰ সমজিলাৰ গহপুৰ আৰক্ষী থানা আৰু হেলেম আৰক্ষী থানাৰ এলেকাত যোৱা তিনিমাহৰ ভিতৰত সংঘটিত হয় ১২ টাকৈ চুৰি কাণ্ড। সংগৃহীত তথ্য অনুসৰি -যোৱা ১৪ মে'ৰ পৰা ৬ আগষ্টৰ নিশা লৈকে হোৱা চুৰি কাণ্ডত কেইবাটাও গো ধন আৰু সা-সামগ্ৰী লৈ যায় চুৰি চক্ৰই। যোৱা ১৪ মে'ৰ নিশা গোপালপুৰ তিনিআলিৰ মুঠ ৪খন দোকানত সংঘটিত হয় চুৰি কাণ্ড। ১৮ জুনত কলমৌগুৰিৰ গুণিন্দ কাকতি নামৰ লোকজনৰ ঘৰৰ পৰা দিন দুপৰতে লৈ যায় সোণৰ আ-অলংকাৰ। একেদৰে ২৪ জুনৰ নিশা ককিলা চাৰিআলি মধ্য ইংৰাজী বিদ্যালয়ত সংঘটিত হয় আন এক চুৰি কাণ্ড। ৩০ জুনৰ নিশা কলাবাৰীৰ কেকোঁৰাবাৰীৰ পৰা নিশা লৈ যায় তিনিটাকৈ গোধন। ইপিনে ২১ জুলাই নিশা টকৌবাৰী গাঁৱৰ তিনিঘৰ লোকৰ গোহালীৰ পৰা চুৰি কৰি লৈ যায় তিনিটাকৈ গোধন। তদুপৰি ২৮ জুলাই নিশা টকৌবাৰী (গানুগাঁও) চেণ্টাৰৰ চৌধুৰী এণ্টাৰপ্ৰাইজ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনখনৰ পৰা তলা ভাঙি লৈ যায় প্ৰায় ৫০ হাজাৰ টকাৰ গেলামালৰ বিক্ৰী সামগ্ৰীৰ লগতে পানী মটৰ, ইনভাৰ্টাৰ বেটাৰী আদি। সেইদিনা নিশা উক্ত স্থানত থকা ৰাজেন মিলিৰ হোটেলতো সংঘটিত হয় চুৰি কাণ্ড। এনেদৰে অব্যাহত থকা চোৰৰ সন্ত্ৰাসৰ মাজতে যোৱা ১ আগষ্টৰ নিশা কলাবাৰীৰ চেংমৰাৰ "ৰুমা" নামৰ হোটেলখনৰ পৰা তলা ভাঙি লৈ যায় ফ্ৰিজ, এলপিজি চিলিণ্ডাৰ, ষ্টোভ, ফেন আদি। ৪ আগষ্টৰ নিশা টকৌবাৰী গাঁৱৰ পৰা চুৰি হয় ৬ টাকৈ গোধন। অৱশ্যে টহলদাৰী আৰক্ষীয়ে লগে লগে উক্ত গোধনছটা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ৫ আগষ্টৰ নিশা টকৌবাৰীৰ গাঁনুগাঁৱৰ পৰা চুৰি হয় এজনী গাই। ৬ আগষ্টৰ নিশা গহপুৰ নগৰৰ মাজমজিয়াৰ হস্পিতাল ৰোডৰ শিৱম ইণ্টাৰনেট আৰু এছ এম এণ্টাৰ প্ৰাইজ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠান দুখনত সংঘটিত হয় আন এক চুৰি কাণ্ড। একেদৰে ৭ আগষ্টৰ নিশা বৰাণীপথাৰৰ পৰা চুৰি হয় ৪ টাকৈ গোধন। এয়া মাত্ৰ যোৱা তিনিমাহৰ হিচাপহে। ইয়াৰ আগতেও প্ৰতিমাহত ধাৰাবাহিক ভাৱে সংঘটিত হৈছে চুৰি কাণ্ড। গহপুৰ আৰক্ষী থানাৰ সমীপতে থকা কেইবাখনো জুৱেলাৰী আৰু মন্দিৰত সংঘটিত হৈছিল একাধিক চুৰি কাণ্ড। কিন্তু এই চুৰি কাণ্ড ৰোধ কৰা কিম্বা চুৰি চক্ৰক চিনাক্ত কৰাৰ ক্ষেত্ৰত গহপুৰ আৰক্ষী থানা, হেলেম আৰক্ষী থানা, হাৰাজান আৰক্ষী চকী আৰু ঘাঁহিগাঁও আৰক্ষী চকী বিশেষ সফল হ'ব পৰা নাই। গহপুৰ সমজিলাৰ ভুক্তভোগী ৰাইজে এইক্ষেত্ৰত বিশ্বনাথ জিলাত নতুনকৈ যোগদান কৰা জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদৰ কঠোৰ পদক্ষেপ কামনা কৰি এনেধৰণৰ চুৰি চক্ৰ সমূহক চিনাক্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে। লক্ষণীয় ভাৱে জিলাখনৰ বিহালী আৰক্ষী থানাৰ এলেকাত গৰু চোৰৰ আক্ৰমণত গৃহস্থ নিহত হ'বলগীয়া হোৱাৰ দৰে ভয়াৱহ ঘটনাৰো সৃষ্টি হৈছে।

# মাৰ্ঘেৰিটা নগৰ সমিতিৰ প্ৰাক্তন সভাপতি নিৰু বৰাৰ দেহাৱসান

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১০ আগষ্ট** ঃ তদানীন্তন মাৰ্ঘেৰিটা নগৰ সমিতিৰ প্ৰাক্তন সভাপতি, বৰ্তমানৰ বৰ্ড মেম্বাৰ, সৰবৰহী মহিলা, বিজেপি দলৰ নেত্ৰী মাৰ্ঘেৰিটা ছেগুনবাৰী নিৱাসী নিৰু বৰাৰ আজি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। দীৰ্ঘদিন ধৰি তেওঁ দুৰাৰোগ্য ৰোগত চিকিৎসাধীন হৈ আছিল। তেওঁৰ বিয়োগত সমগ্ৰ মাৰ্ঘেৰিটা অঞ্চলতে শোকৰ ছাঁ পৰিছে। আজি সন্ধ্যা অগণন লোকৰ উপস্থিতিত মৃতকৰ বাসগৃহত শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত মাৰ্ঘেৰিটা পৌৰসভাৰ কাৰ্যালয়লৈ নি শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ পিছতেই ছেগুনবাৰী ৰাজহুৱা শ্মশানত শেষ কৃত সম্পন্ন কৰা হয়। মৃতকৰ অন্ত্যেষ্টিক্ৰিয়াত মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মা আৰু তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভাদেশ্বৰ মৰাণকে ধৰি বিজেপি দলৰ নেতা-কাৰ্যকৰ্তাসকল উপস্থিত আছিল। স্বৰ্গীয় নিৰু বৰাই মৃত্যুৰ সময়ত পুত্ৰ লিবিয়ান, বোৱাৰী বন্দীতা, নাতিনী নাইৰা আৰু কণমানি নাতি বাবুক ইহ সংসাৰত এৰি গৈছে।

# তেজপুৰতো ৰেচন কাৰ্ডৰ হিতাধিকাৰীৰ মাজত মচুৰ ডালি আৰু চেনি বিতৰণ আঁচনিৰ পুনৰাৰম্ভ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১২ আগষ্ট** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নগাঁও জিলাৰ ৰহাৰ কমাৰ গাঁৱৰ সুৰেন পাটৰৰ সুলভ মূল্যৰ দোকান (FPS) পৰিদৰ্শন কৰি আঁচনিখনৰ আনুষ্ঠানিকভাৱে পুনৰাৰম্ভ কৰে আৰু হিতাধিকাৰীসকলৰ মাজত মচুৰ দাইল আৰু চেনি বিতৰণ কৰে। পুৱা ১১: ৩০ বজাৰ পৰা ৰাজ্যৰ সকলো সুলভ মূল্যৰ দোকানত একেলগে এই বিতৰণ কাৰ্যসূচী আৰম্ভ হয়। এই আঁচনিৰ অধীনত প্ৰতিগৰাকী NFSA হিতাধিকাৰীয়ে ৰাজসাহায্য যুক্ত মূল্যত১ কিলোগ্ৰাম মচুৰ দাইল আৰু ১ কিলোগ্ৰাম চেনি মুঠ ১০০ টকা মূল্যত লাভ কৰিব। মচুৰ দাইলৰ মূল্য ৭০/কিলোগ্ৰাম আৰু চেনিৰ মূল্য ৩০/কিলোগ্ৰাম। ৰাজ্যৰ বিভিন্ন সুলভ মূল্যৰ দোকানত মন্ত্ৰী, বিধায়ক আৰু বিশিষ্ট জনপ্ৰতিনিধিসকলৰ উপস্থিতিত হিতাধিকাৰীসকলৰ মাজত সামগ্ৰী বিতৰণ কৰা হয়। শোণিতপুৰ জিলাৰ তেজপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত মহাভৈৰৱ সমবায় সমিতিৰ সুলভ মূল্যৰ দোকানত তেজপুৰ বিধান সভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই আনুষ্ঠানিক ভাৱে ৰেচন কাৰ্ডৰ হিতাধিকাৰীৰ মাজত মচুৰ দাইল আৰু চেনি বিতৰণ কৰি এই আঁচনিৰ পুনৰ আৰম্ভ আৰু শুভাৰম্ভ কৰে। ইয়াৰ উপৰিও অন্যান্য সুলভ মূল্যৰ দোকানৰ লগতে ভৈৰৱপদ সমবায় সমিতিৰ অন্তৰ্গত গোটলং গাঁৱৰ মজিবুৰ ৰহমানৰ সুলভ মূল্যৰ দোকানত এই আঁচনিৰ শুভাৰম্ভ অনুষ্ঠানত যুৱ সমাজসেৱক ছাইদুল ইছলাম উপস্থিত থাকি এই আঁচনিৰ সুফল সন্দৰ্ভত বক্তব্য আগবঢ়োৱাৰ লগতে ৰেচন কাৰ্ডৰ হিতাধিকাৰী সকলৰ মাজত আনুষ্ঠানিক ভাৱে মচুৰ দাইল আৰু চেনি বিতৰণ কৰি এই আঁচনিৰ শুভাৰম্ভ কৰে।


# ডিব্ৰুগড় প্ৰেছক্লাবৰ আয়োজিত সাংবাদিকতা বিষয়ত কৰ্মশালা সম্পন্ন

তিনি গৰাকী সমল ব্যক্তিৰ অংশগ্ৰহণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ আগষ্ট** ঃ ডিব্ৰুগড় প্ৰেছক্লাবৰ সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি, ড° ৰাধাকৃষ্ণন স্কুল অব আৰ্টছ, কমাৰ্চ এণ্ড ছায়েন্সৰ সহযোগিতাত ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত ডিব্ৰুগড় প্ৰেছ ক্লাবে আজি দিনযোৰা কাৰ্যসূচীৰে সাংবাদিকতা বিষয়ত এখনি কৰ্মশালা অনুষ্ঠিত কৰে। আনুষ্ঠানিক ভাৱে পুৱা কৰ্মশালাখনি উদ্বোধন কৰে ড° ৰাধাকৃষ্ণন স্কুল অব আৰ্টছ এণ্ড ছায়েন্সৰ অধ্যক্ষ বিকাশ গগৈয়ে। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মানস জ্যোতি দত্তৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত উদ্বোধক অধ্যক্ষ গগৈয়ে উঠি অহা নতুন প্ৰজন্মক সাংবাদিকতাৰ ক্ষেত্ৰখনৰ প্ৰতি আকৰ্ষিত হ'ব পৰা এনে উদ্যোগ হাতত লোৱাৰ বাবে ডিব্ৰুগড় প্ৰেছ ক্লাবক প্ৰশংসা কৰি চমু বক্তব্য আগবঢ়ায়। প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত সভাপতি মানস জ্যোতি দত্তই আদৰণি ভাষণ প্ৰদান কৰে। কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু প্ৰেছ ক্লাবৰ দুগৰাকী উপদেষ্টা ক্ৰমে শৰৎ চন্দ্ৰ নেওগ আৰু প্ৰবীৰ চক্ৰৱৰ্তীয়ে ছাত্ৰ-ছাত্ৰীসকলে সাংবাদিকতাৰ শিক্ষা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত দুআষাৰ কয়। কৰ্মশালাৰ প্ৰথম অধিবেশনত জ্যেষ্ঠ সাংবাদিক দেৱজিৎ কটকীয়ে "গণতন্ত্ৰৰ অন্যতম স্তম্ভ হিচাপে সাংবাদিকতাঃ জনস্বাৰ্থৰ বাতৰি পৰিৱেশন, জনমত গঠন, জনসাধাৰণক কণ্ঠ প্ৰদান আৰু গণতান্ত্ৰিক মূল্যবোধৰ সুৰক্ষা" বিষয়ত সমল ব্যক্তি হিচাপে ভাষণ প্ৰদান কৰে। কৰ্মশালাৰ দ্বিতীয় অধিৱেশনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে অইল ইণ্ডিয়া লিমিটেডৰ বিষয়া ত্ৰিদীপ হাজৰিকাই। তেখেতে প্ৰদান কৰা ভাষণৰ বিষয় হ'ল - "পৰম্পৰাগত ছপা আৰু বৈদ্যুতিন মাধ্যমৰ বাহিৰৰ সাংবাদিকতাঃ দ্ৰুত গতিত পৰিবৰ্তিত ডিজিটেল মাধ্যমৰ ক্ষেত্ৰখনত পৰিসৰ আৰু সুযোগৰ অন্বেষণ।'! আজিৰ কৰ্মশালাৰ তৃতীয় আৰু অন্তিম অধিৱেশনৰ সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে গুৱাহাটীৰ পৰা আমন্ত্ৰিত বিশিষ্ট লেখক- চিন্তাবিদ তথা সাংবাদিক সুশান্ত তালুকদাৰে। তেখেতৰ ভাষণৰ বিষয় আছিল - "দেশখনৰ বাবে অসমৰ খবৰ পৰিৱেশনঃ সংঘাত, উগ্ৰপন্থীৰ সমস্যা, মানবতাৰ সংকট আৰু ৰাজনৈতিক বিকাশ প্ৰসংগত ক্ষেত্ৰভিত্তিক সাংবাদিকতা।" দিনযোৰা আজিৰ কৰ্মশালাত ডিব্ৰুগড় জিলাৰ কেইবাখনো বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি কৰ্মশালাখনি কাৰ্যতঃ সাফল্যমণ্ডিত কৰি তুলে। কৰ্মশালাৰ অন্তত অংশগ্ৰহণকাৰী ছাত্ৰী সকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰে। দিনজোৰা কাৰ্য্যসূচীৰ অন্তত কৰ্মশালাখনি সাফল্যমণ্ডিত কৰাৰ বাবে সংশি-ষ্ট সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে। উল্লেখযোগ্য যে, ১১ আগষ্ট তাৰিখে দিনৰ ১১ বজাত এই একেটা প্ৰেক্ষাগৃহতে আয়োজন কৰা হৈছে পঞ্চদশ বাৰ্ষিক সাংবাদিক নীলিম চৌধুৰী সোঁৱৰণী স্মাৰক বক্তৃতা অনুষ্ঠানৰ। উক্ত স্মাৰক বক্তৃতা অনুষ্ঠানত "সাম্প্ৰতিক অসমৰ সাংবাদিকতাঃ আশা আৰু প্ৰত্যাশা" বিষয়ত বক্তৃতা প্ৰদান কৰিব বিশিষ্ট লেখক-চিন্তাবিদ তথা সাংবাদিক সুশান্ত তালুকদাৰে।

# শিক্ষক ৰত্ন ৰাষ্ট্ৰীয় বঁটা লাভ কৰা সুৰেণ বৰুৱাক সম্বৰ্ধনা

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১২ আগষ্ট** ঃ লখিমপুৰ জিলাৰ আনন্দ বাগানৰ দক্ষিণ ৰূপহী প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক সুৰেণ বৰুৱাই শিক্ষক ৰত্ন ৰাষ্ট্ৰীয় বঁটা লাভ কৰি সমগ্ৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে আজি ১০ আগষ্টত প্ৰাথমিক বিদ্যালয়খনত উষ্ম সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। দেশৰ ৰাজধানী নতুন দিল্লীৰ আম্বেদকাৰ ভৱনত ১৯ জুলাইত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শিক্ষকগৰাকীক এই বঁটা প্ৰদান কৰিছিল ট্ৰিকণ ফ'ৰ ৱৰ্ল্ড ফাউণ্ডেশনে ( Trikon for



world foundation)। দক্ষিণ ৰূপহী প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতি আৰু মাতৃগোটৰ উদ্যোগত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক নিপেন বৰাই। দক্ষিণ ৰূপহী যুৱ সমাজৰ বিষয়ববীয়া বিকাশ বৰাহিকে আঁত ধৰা সভাত শিক্ষক সুৰেণ বৰুৱাক বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট, বিভিন্ন বিদ্যালয়ৰ শিক্ষক সমাজ, শুভাকাংক্ষী আদিয়ে মানপত্ৰ, ফুলাম গামোচা, জাপি, শৰাই, চেলেং আদি উপহাৰ সামগ্ৰীৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

অসমৰ মূল্যবান গছ কাটি পশ্চিম বংগ লৈ সৰবৰাহ কৰে সহিদুৰ আৰু ফুলচান্দ বাহিনী

# ধুবুৰীত পুনৰ অব্যাহত চোৰাং কাঠৰ চিণ্ডিকেট

**অসম বাৰ্তা, গোলকগঞ্জ, ১০ আগষ্ট ঃ** পৰ্বত ঝৰাৰ আৰু বাসবাৰি বনাঞ্চলৰ মূল্যবান কাঠ সমূহ নিতৌ নিশাৰ অন্ধকাৰত ভিতৰুৱা পথেৰে গোলকগঞ্জ আৰক্ষীৰ সন্মুখেৰে বিৰাট নগৰ চাৰিআলি হৈ বলেৰো পিক্ আপ বাহনেৰে পশ্চিম বংগ লৈ সৰবৰাহ কৰাৰ অভিযোগ। প্ৰতিদিনে ৫ৰ পৰা ৬খন যন্ত্ৰ চালিত টেৰটেৰী বাহনৰ পৰিৱৰ্তে এতিয়া বলেৰো পিক্ আপৰে সৰবৰাহ হৈ আছে চোৰাং কাঠ। এই চোৰাং কাঠ সৰবৰাহকাৰীজন হল হালাকুৰা আৰক্ষী চকীৰ অন্তৰ্গত গৰেৰহাটৰ সহিদুৰ আৰু ফুলচান্দ বুলি জানিব পৰা গৈছে। এতিয়া প্ৰশ্ন উত্থাপন হৈছে কাৰ আশীৰ্বাদততসহিদুৰে দীৰ্ঘদিন ধৰি চলাই আছে চোৰাং কাঠ ৰ ৰমৰমীয়া বেহা। যোৱা নিশা বিভিন্ন দ'ল সংগঠন সমূহে দুখন বলেৰো দেখা পায় আৰু চোৰাং বেপাৰীক জবাবদিহি কৰে। পিছে গাড়ী দুখন পলাই যাবলৈ সক্ষম হয়। বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ৰাজ্যজুৰি বন মাফিয়াৰ বিৰুদ্ধে কঠোৰ অভিযান চলোৱাৰ নিৰ্দেশ দিয়াৰ পিছতো, ধুবুৰী জিলাত চোৰাং কাঠ সৰবৰাহ বন্ধ হোৱা নাই বুলি বিভিন্ন দল-সংগঠনৰ অভিযোগ। এই ক্ষেত্ৰত ধুবুৰী জিলা যুৱ বাহিনীৰ জিলা সভাপতি আৰু লগতে স্থানীয় ৰাইজে কয়, বনজ সম্পদ সুৰক্ষাৰ স্বাৰ্থত ঘটনাটোৰ নিৰপেক্ষ তদন্ত কৰি জড়িতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত।

# মাকুমত সঘনাই বিদ্যুৎ লোডশ্বেডিং; উৎকট গৰমত অতিষ্ঠ ৰাইজ

**অসম বাৰ্তা, মাকুম, ১২ আগষ্ট ঃ** এফালে উৎকট গৰম, আনফালে সঘনাই বিদ্যুতৰ লুকাভাকু-বিদ্যুৎ যোগানৰ সমস্যাই অতিষ্ঠ কৰি তুলিছে মাকুমবাসীক। ঘণ্টাই ঘণ্টাই বিদ্যুৎ কৰ্তন হোৱাৰ ফলত ব্যাহত হৈছে স্বাভাৱিক জনজীৱন। ইয়াৰ মাজতে ২৪ ঘণ্টাই বিদ্যুৎ যোগান ধৰাৰ শাসনাধিষ্ঠ চৰকাৰৰ প্ৰতিশ্ৰুতিৰ বাস্তৱ ৰূপক লৈও প্ৰশ্ন উত্থাপন কৰিছে তিনিচুকীয়া জিলা ছাত্ৰ সন্থা সহকাৰী সাধাৰণ সম্পাদক প্ৰবেণ ফুকনৰ লগতে স্থানীয় ৰাইজে। বিশেষকৈ এজাক বৰষুণ দিলেই বিদ্যুৎ যোগান ব্যাহত হোৱাটো মাকুমবাসীৰ বাবে একপ্ৰকাৰ নিয়মীয়া ঘটনাত পৰিণত হৈছে বুলি অভিযোগ কৰিছে স্থানীয় ৰাইজৰ আছুৰ বিষয়ববীয়াই। বৰ্তমান উৎকট গৰমৰ সময়ত দীঘলীয়া সময় ধৰি বিদ্যুৎ নথকাত ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি দৈনন্দিন জীৱনৰ বিভিন্ন কাম-কাজলৈকে ব্যাপক প্ৰভাৱ পৰিছে। ডিজিটেল যুগত জীৱনৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰই বিদ্যুতৰ সৈতে জড়িত। সেয়েহে ঘৰুৱা কাম-কাজৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠান, ক্ষুদ্ৰ ব্যৱসায়ী আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাম-কাজতো সঘনাই বিদ্যুৎ কৰ্তনৰ ফলত সমস্যাৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, ঘণ্টাই ঘণ্টাই বিদ্যুৎ কৰ্তন হোৱাৰ পাছতো সমস্যাটোৰ প্ৰতি বিদ্যুৎ বিভাগে পৰ্যাপ্ত গুৰুত্ব প্ৰদান কৰা নাই। বিদ্যুৎ বিভাগৰ এনে ভূমিকাত ক্ষোভ প্ৰকাশ কৰিছে তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰবেণ ফুকনে। মাকুম চহৰৰ স্থানীয় ক্ষুদ্ৰ ব্যৱসায়ীসকলেও সঘনাই বিদ্যুৎ কৰ্তনৰ ফলত ব্যৱসায়ত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা বুলি অভিযোগ কৰিছে। উৎকট গৰমৰ সময়ত বিদ্যুতৰ এনে লুকাভাকুৰ পৰা ৰাইজক সকাহ দিবলৈ অতি শীঘ্ৰে মাকুমত বিদ্যুৎ যোগান নিয়মীয়া কৰাৰ দাবী জনাইছে প্ৰবেণ ফুকনৰ লগতে স্থানীয় ৰাইজে। ইফালে, আন এক বিষয়েও দৃষ্টি আকৰ্ষণ কৰিছে ৰাইজৰ। নামফলকবিহীনভাৱেই চলি আছে মাকুমৰ বিদ্যুৎ বিভাগৰ কাৰ্যালয়। এটা চৰকাৰী কাৰ্যালয়ত আজিলৈকে কিয় নামফলক স্থাপন কৰা হোৱা নাই, সেয়াও এতিয়া ৰাইজৰ মাজত চৰ্চাৰ বিষয় হৈ পৰিছে। বিদ্যুৎ যোগান নিয়মীয়া কৰাত ব্যৰ্থতাৰ বাবেই নেকি নামফলকবিহীনভাৱে চলি আছে কাৰ্যালয়টো? - এই প্ৰশ্নও উত্থাপন কৰিছে সচেতন মহলে। এতিয়া মূল প্ৰশ্ন- ২৪ ঘণ্টাই বিদ্যুৎ যোগান ধৰাৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে মাকুমবাসীয়ে কেতিয়া লাভ কৰিব নীৰৱচ্ছিন্ন বিদ্যুৎ সেৱা?

# বকোৰ উজানপাৰা পুখুৰীপাৰাত দুই সন্তানৰ মাতৃ নিৰুদ্দেশ

**অসম বাৰ্তা, বকো, ১২ আগষ্ট ঃ** মাতৃক বিচাৰি দুই সন্তানৰ কৰুণ বিননি "মা, তুমি ক'ত আছা, সোনকালে ঘৰলৈ আহা, ৰাজ্যত পুনৰ বৃদ্ধি পাইছে নিৰুদ্দেশৰ ঘটনা। তাৰ মাজতে কামৰূপ জিলাৰ বকো ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত উজানপাৰা পুখুৰীপাৰা গাঁৱত সংঘটিত হৈছে এক হৃদয়বিদাৰক ঘটনা। দুই সন্তানক এৰি এগৰাকী মহিলা নিৰুদ্দেশ হোৱাৰ ঘটনাই এতিয়া সমগ্ৰ পৰিয়ালটোতে সৃষ্টি কৰিছে গভীৰ উদ্বেগ আৰু শোকৰ পৰিৱেশ। নিৰুদ্দেশ হোৱা মহিলাগৰাকী হৈছে বকোৰ উজানপাৰা পুখুৰীপাৰা গাঁৱৰ দীপক বড়োৰ পত্নী কৰবী বড়ো, বয়স প্ৰায় ৩২ বছৰ। পৰিয়ালৰ জানিবলৈ দিয়া মতে, যোৱা ৭ আগষ্টৰ পৰা কৰবী বড়োৰ কোনো সন্ধান লাভ কৰা নাই। তাৰ পিছৰে পৰা আজিলৈকে তেওঁ ঘৰলৈ উভতি অহা নাই। ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত কৰবীয়ে ভূই ৰুৱা যাম বুলি পৰিয়ালক জনাইছিল বুলি জানিব পৰা গৈছে। কিন্তু বহু সময় পাৰ হৈ যোৱাৰ পাছতো তেওঁ ঘৰলৈ উভতি নোহোৱাত পৰিয়ালৰ লোকসকলে প্ৰথমে আত্মীয়-স্বজনৰ ঘৰত, চিনাকি মানুহৰ ওচৰত আৰু সম্ভাৱ্য বিভিন্ন স্থানত বিচাৰ-খোঁজ আৰম্ভ কৰে। কিন্তু বহু বিচাৰ-খোঁজৰ পাছতো কৰবী বড়োৰ কোনো সন্ধান লাভ নকৰাত অৱশেষত পৰিয়ালটো অধিক চিন্তিত হৈ পৰে। ইফালে, কৰবী বড়োৰ দুটা সন্তান এজনৰ বয়স ১০ বছৰ আৰু আনজনৰ বয়স ৮ বছৰ। মাতৃ নোহোৱাত দুয়োটা শিশোৱে কান্দি-কান্দি মাতৃক বিচাৰি ফুৰিছে। "মা, তুমি ক'ত আছা সোনকালে ঘৰলৈ আহা। আমি ভাত খাব পৰা নাই।" দুই সন্তানৰ এনে কৰুণ বিননিয়ে এতিয়া সমগ্ৰ পৰিয়ালটোৰ পৰিৱেশ শোকাকুল কৰি তুলিছে। এগৰাকী মাতৃ হঠাতে নিৰুদ্দেশ হৈ যোৱাত সন্তান দুটাৰ মনত সৃষ্টি হৈছে গভীৰ আতংক আৰু অনিশ্চয়তা। মাতৃ কেতিয়া উভতি আহিব, সেই আশাতেই এতিয়া বাট চাই আছে দুই কণমানি সন্তান। ইফালে কৰবী বড়োৰ স্বামী কৰ্মসূত্ৰে বাহিৰত থকাৰ সময়তে এই ঘটনা সংঘটিত হোৱা বুলি পৰিয়ালে জানিবলৈ দিছে। স্বামী ঘৰত নথকাৰ সুযোগ লৈ কৰবীৰ কোনো লোকৰ সৈতে পৰকীয়া প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল নেকি, সেই সন্দেহ প্ৰকাশ কৰিছে পৰিয়ালৰ একাংশই। অৱশ্যে এই অভিযোগ বা সন্দেহৰ সত্যতা এতিয়াও নিশ্চিত হোৱা নাই আৰু বিষয়টো তদন্তৰ পাছতহে স্পষ্ট হ'ব। কৰবী বড়োৰ সন্ধান নোপোৱাত অৱশেষত পৰিয়ালৰ লোকে বকো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনাটোৰ সন্দৰ্ভত অনুসন্ধান চলাই থকা বুলি জানিব পৰা গৈছে। এতিয়া পৰিয়ালৰ একমাত্ৰ আশা কৰবী বড়ো য'তেই নাথাকক, তেওঁ যেন সুকলমে ঘৰলৈ উভতি আহে। স্বামী, সন্তান আৰু পৰিয়ালৰ লোকে কৰবী বড়োক কাতৰ আহ্বান জনাইছে কৰবী, তুমি য'তেই আছা, অনুগ্ৰহ কৰি সোনকালে ঘৰলৈ উভতি আহা। তোমাৰ সন্তান দুটাৰ চকুত এতিয়া কেৱল তোমাক বিচৰাৰ আকুলতা। তেওঁলোক তোমাৰ অপেক্ষাত আছে। লগতে কোনো সদাশয় হৃদয়বান ব্যক্তিয়ে যদি কৰবী বড়োক ক'ৰবাত দেখা পায় অথবা তেওঁৰ কোনো সম্ভেদ লাভ কৰে, তেন্তে পৰিয়ালক জনাবলৈ আহ্বান জনাইছে। যোগাযোগৰ নম্বৰ- ৯৯৫৭২৩৮৩২৮ এটা ফোন কলেই হয়তো এগৰাকী মাতৃক তেওঁৰ সন্তানৰ ওচৰলৈ ঘূৰাই আনিব পাৰে। সেয়ে, কৰবী বড়োৰ সন্ধান লাভৰ ক্ষেত্ৰত কোনো ব্যক্তিয়ে সহায় কৰিব পাৰিলে ওপৰৰ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ তৰফৰ পৰা কাতৰ আহ্বান জনোৱা হৈছে।

## মৰিগাঁৱত PIBৰ জিলা পৰ্যায়ৰ মিডিয়া কৰ্মশালা 'VARTA' অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ আগষ্ট ঃ** প্ৰেছ ইনফৰ্মেচন ব্যুৰো (PIB), গুৱাহাটীৰ উদ্যোগত 'VARTA' শীৰ্ষক জিলা পৰ্যায়ৰ মিডিয়া কৰ্মশালা আজি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। কৰ্মশালাখনত জনগণনা সম্পৰ্কীয় সজাগতা আৰু ফলপ্ৰসূ তথ্য প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত বিশ্বজিত পেগু IAS, সঞ্চালক তথা মুখ্য প্ৰধান জনগণনা বিষয়া, অসম; জিলা আয়ুক্ত সৃষ্টী সিং IAS, পাবনী গুপ্তা, IIS, যুটীয়া সঞ্চালক, PIB; অতিৰিক্ত জিলা আয়ুক্ত ড° নীলাক্ষী বৈশ্য; সহকাৰী আয়ুক্তসকল; চক্ৰ বিষয়াসকল আৰু মৰিগাঁও জিলাৰ সংবাদ মাধ্যমৰ প্ৰতিনিধিসকল উপস্থিত থাকে। অনুষ্ঠানত আগন্তুক জনগণনা, জনসাধাৰণৰ সহযোগিতা আৰু জনগণৰ মাজত সঠিক তথা প্ৰমাণিত তথ্য প্ৰচাৰত সংবাদ মাধ্যমৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোচনা কৰা হয়। কৰ্মশালাৰ অন্তত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলৰ সৈতে জনগণনা সম্পৰ্কীয় এক আন্তঃক্ৰিয়ামূলক অধিৱেশন অনুষ্ঠিত হয়।

# আমগুৰিত বানপীড়িতৰ সাহায্য বিতৰণত বিসংগতি

### কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, আমগুৰি, ১০ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ আমগুৰি ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত আজি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত বানবিধ্বস্ত ৰাইজৰ সহযোগত এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰা হয়। উচিত ক্ষতিপূৰণৰ পৰা ভুক্তভোগী পৰিয়ালক বঞ্চিত কৰা, মণ্ডল, গাঁওবুঢ়া আৰু ৱাৰ্ড মেম্বাৰ সকলে ৰাজনীতিকৰণ কৰাৰ দাবীত এই প্ৰতিবাদ সাব্যস্ত কৰা হয়। প্ৰতিবাদকাৰীসকলে বানপীড়িত ৰাইজক লৈ ৰাজনীতিকৰণ বন্ধ কৰক, সকলো ভুক্তভোগী পৰিয়ালক উচিত ক্ষতিপূৰণ দিয়ক আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰী সকলে অভিযোগ কৰে যে গাঁওবুঢ়া, মণ্ডল, চক্ৰ বিষয়া, গাঁও পঞ্চায়ত প্ৰতিনিধি, ৱাৰ্ড সদস্য আৰু পৌৰপতি আদিয়ে ৰাজনীতিকৰণ কৰি প্ৰকৃত ভুক্তভোগীক চৰকাৰী সাহায্যৰ পৰা বঞ্চিত কৰি ৰাখিছে। প্ৰতিবাদকাৰী সকলে বানৰ সময়ত ঘৰতে বহি তৈয়াৰ কৰা লিষ্টৰ বাবে বহু ক্ষতিগ্ৰস্ত পৰিয়াল ১৫, ০০০ টকাৰ চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হৈছে বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে। অন্যহাতে কিছুমান পৰিয়ালৰ একাউণ্টত ৩০, ০০০ টকা পৰ্যন্ত সোমোৱাৰ বিপৰীতে প্ৰকৃততে সাহায্যৰ প্ৰয়োজন থকা পৰিয়ালেই বঞ্চিত হৈ থকা বুলিও অভিযোগ কৰে প্ৰতিবাদত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী সকলে। তেওঁলোকে বিসংগতিপূৰ্ণভাৱে কাম কৰা গাঁওবুঢ়া আৰু মণ্ডলক নিলম্বনৰো দাবী জনায়। লগতে বিজেপিৰ তৰফৰ পৰা অহা কাপোৰ আদি গাঁও পঞ্চায়তৰ সদস্যসকলে দলীয় কৰ্মীকহে বিতৰণ কৰাৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰী সকলে। প্ৰতিবাদ স্থলীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰবীন হাজৰিকাই উপস্থিত থাকি অহা ২০ আগষ্টৰ ভিতৰত প্ৰতিটো ক্ষতিগ্ৰস্ত পৰিয়ালক উচিত ক্ষতিপূৰণ আৰু ১৫, ০০০ টকাৰ চৰকাৰী সাহায্য প্ৰদানৰ দাবী জনায়। ইয়াৰ অন্যথা পুনৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰো হুংকাৰ প্ৰদান কৰে। প্ৰতিবাদ স্থলীত সমাজকৰ্মী দুলাল কলিতায়ো ক্ষতিগ্ৰস্ত পৰিয়ালক তৎকালীনভাৱে উচিত ক্ষতিপূৰণ প্ৰদানৰ দাবী জনায়।

৫০খন গ্ৰন্থ আৰু ৩খন অভিনন্দন গ্ৰন্থ উন্মোচন হ'ব; ৰাজহুৱা সভাত শক্তিশালী আদৰণী সমিতি গঠন

# ৰূপাইত নৱেম্বৰত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কুঁহি অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১২ আগষ্ট ঃ** অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কুঁহি উপ-সমিতিৰ ব্যৱস্থাপনাত তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত ৰূপাই শতদল শাখা সাহিত্য সভাৰ আতিথ্যত কেন্দ্ৰীয় কুঁহি অনুষ্ঠান অহা ১৩, ১৪ আৰু ১৫ নৱেম্বৰ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে ৰূপাই চাইডিঙত অনুষ্ঠিত কৰাৰ বাবে আয়োজন কৰিছে। এই সন্দৰ্ভত ৰূপাইস্থিত সৌৰভ কলা পৰিষদ প্ৰেক্ষাগৃহত যোৱা ৯ আগষ্ট তাৰিখে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ৰূপাই শতদল শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত এই ৰাজহুৱা সভাত সভাপতিত্ব কৰে ৰূপাই শতদল শাখা সাহিত্য সভাৰ সভাপতি বেণু বৰাই। অসম সাহিত্য সভাৰ আৰম্ভণি গীতেৰে শুভাৰম্ভ কৰা সভাখনিত ৰূপাই শতদল শাখা সাহিত্য সভাৰ সম্পাদক ৰাতুল গগৈয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱাৰ পাছত উজনি অসমৰ প্ৰলয়ংকাৰী বানত সলিল সমাধি ঘটা সকলৰ স্মৃতিত ১ মিনিট মৌন প্ৰাৰ্থনাৰে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ৰূপাই শতদল শাখা সাহিত্য সভাৰ উপ-সভাপতি বীনা দেৱী বৰদলৈয়ে সভাত উপস্থিত সকলক আদৰণী জনায়। সভাত উপস্থিত থকা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কুঁহি উপ-সমিতিৰ আহ্বায়ক প্ৰশান্ত শইকীয়াক গামোচা, স্মাৰক আৰু সম্বৰ্ধনা পত্ৰৰে এই সভাতেই সম্বৰ্ধনা জনায়। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক সুনীল গুৰুং, প্ৰচাৰ উপ-সমিতিৰ উপ-সভাপতি পুলক গগৈ, অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ সাধাৰণ সম্পাদক ব্ৰজেন গগৈ, দুলীয়াজান সাহিত্য সভাৰ নিজু ৰাভা গগৈ, শোভামণি দত্ত তামোলী, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ অন্তৰ্গত মানকটা শাখাৰ সভাপতি পৰমানন্দ নাথ, বৰবৰুৱা শাখাৰ সভাপতি শান্তনু কোচ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বদন শৰ্মা, অৰ্জুন বৰুৱা, প্ৰাক্তন সম্পাদক প্ৰকাশ দত্ত, শৰৎ চন্দ্ৰ চিৰিংফুকন, বৰ্তমানৰ সম্পাদক অৰূপ কুমাৰ চাংমাই, সহকাৰী সম্পাদক মনজিৎ ৰাজখোৱা, ডুমডুমা বন সংমণ্ডল প্ৰাধিকাৰী পুষ্পধৰ বৰগোহাঁই, তিনিচুকীয়া জিলাৰ কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বসন্ত গগৈ, আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বিমলা বৰুৱা, শদিয়া শতদল শাখা সাহিত্য সভাৰ সভাপতি যোগানন্দ বুঢ়াগোহাঁই, সম্পাদক কমল দিহিঙীয়া, বুলবুলী বুঢ়াগোহাঁই, তালাপ শতদল শাখা সাহিত্য সভাৰ সভাপতি বীৰেন গগৈ, বৰহাপজান শাখা সাহিত্য সভাৰ সভাপতি মহেশ ৰাম গোৱালা, সম্পাদক লিলিমা দুৱৰা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদক দ্বিজেন শৰ্মা, জোনালী শইকীয়া ডেকা, মিণ্টু উপাধ্যায়, জয়সূৰ্য বৰা, অসম বিজ্ঞান সমিতি ডুমডুমা শাখাৰ সভাপতি ড° মীনা দেৱী বৰুৱা, সম্পাদক ধীৰেন ডেকা, ডুমডুমা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি গোবিন্দ ফুকন, লেখিকা সমাৰোহ সমিতিৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভানেত্ৰী কিৰণময়ী হাজৰিকা বৰুৱা, ডুমডুমা শাখাৰ সভানেত্ৰী দিব্যলতা ডেকা, সম্পাদিকা ৰঞ্জীতা গগৈ বৰুৱা, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক সমুজ্জ্বল বড়া সোণোৱাল, অমৃত পাল সিং, দেৱজিৎ গগৈ, মৰাণ ছাত্ৰ সন্থাৰ সম্পাদক মানৱজ্যোতি মৰাণ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, টাই আহোম ছাত্ৰ সন্থা, টাই আহোম যুৱ পৰিষদ আদি দল সংগঠনৰ নেতৃবৃন্দ, ডুমডুমা, ৰূপাই, কাকপথাৰ, তালাপ, ধলা, বৰহাপজান, টিপুক, কৰদৈগুৰিৰ প্ৰায় দুই শতাধিক বিশিষ্ট গণ্য মান্য ব্যক্তি সভাত উপস্থিত থাকে। অনুষ্ঠানৰ কাৰ্যসূচীৰ ওপৰত শাখাৰ সম্পাদকে সভাত এটি আভাস দাঙি ধৰে। অহা ১৩ নৱেম্বৰত জিলাৰ কবি সন্মিলন আৰু কবিতা পুথি উন্মোচন, ১৪ আৰু ১৫ নৱেম্বৰত শিশুসকলৰ অনুষ্ঠান, স্মৃতি গ্ৰন্থ উন্মোচন, শিশুসকলৰ দ্বাৰা সম্পাদিত গ্ৰন্থ উন্মোচন, শাখাৰ লেখক লেখিকাৰ লগতে স্থানীয় লেখক লেখিকাৰ ৫০খন গ্ৰন্থ আৰু ৩খন অভিনন্দন গ্ৰন্থ উন্মোচন, শিশু শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাৰ কথা ব্যক্ত কৰে। সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰশান্ত শইকীয়া, সুনীল গুৰুং, পুলক গগৈৰ সহিতে জিলাৰ সম্পাদক অৰূপ কুমাৰ চাংমাই, অৰ্জুন বৰুৱা, প্ৰকাশ দত্ত, শৰৎ চন্দ্ৰ চিৰিং ফুকনে বক্তব্য প্ৰদান কৰে। প্ৰশান্ত শইকীয়াই শাখাৰ ৫০খন প্ৰকাশন এক সুন্দৰ কাৰ্যসূচী হ'ব বুলি উল্লেখ কৰে। শাখাৰ উদ্যোগত এনে কাৰ্যসূচী বিৰল হ'ব বুলিও কয়। লগতে তেখেতে কাৰ্যসূচীত অসমৰ সকলো জিলাৰ কুঁহি উপ-সমিতিৰ ব্যৱস্থাপনাত দল পঠিয়াবলৈ জিলাৰ বিষয়ববীয়াৰ প্ৰতি আজিৰ সভাৰ যোগেদি আহ্বান জনাই। সাংগঠনিক সম্পাদক সুনীল গুৰুং ডাঙৰীয়াই উল্লেখ কৰে যে ৰূপাই শতদল শাখা সাহিত্য সভাই কেন্দ্ৰীয় সমিতি, জিলাৰ কাৰ্যসূচীৰ লগতে নিজাববীয়াকৈ বহু কাৰ্যসূচী ৰূপায়ণ কৰিছে। কেন্দ্ৰীয় কুঁহি অনুষ্ঠানো সুন্দৰকৈ হোৱাৰ শুভেচ্ছা জনায়। শিশু দিৱস উদ্‌যাপনৰ আদৰণী সমিতি গঠনত আঁত ধৰে বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য শৰৎ চন্দ্ৰ চিৰিং ফুকনে। সভাই মূল সমিতিৰ বাবে বেণু বৰাক সভাপতি, শৰৎ চন্দ্ৰ চিৰিং ফুকন, বীনা দেৱী বৰদলৈ আৰু অৰূপ কুমাৰ বৰুৱাক কাৰ্যকৰী সভাপতি, ৰাতুল গগৈক মুখ্য সম্পাদক আৰু যুটীয়া সম্পাদক হিচাপে ধন দুৱৰা, প্ৰতীম নেওগ আৰু কল্যাণজ্যোতি মৰাণক মনোনীত কৰে। সভাত ১৩খন উপ-সমিতি সহ ৫১ জনীয়া সমিতি গঠন কৰা হয়। সভাই শীঘ্ৰেই এখন পূৰ্ণাংগ সমিতিৰ সভা আহ্বান কৰিবলৈ সিদ্ধান্ত লয়। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদকে সকলো শাখাৰ আৰু ৰাইজৰ সহযোগ কামনা কৰে। সভাত অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ আদৰণী সমিতিৰ সাধাৰণ সম্পাদক ব্ৰজেন গগৈয়ে অধিৱেশনৰ প্ৰস্তুতি আৰু আয়োজনৰ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। তেখেতে অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে তিনিচুকীয়াৰ জিলাৰ ৰাইজৰ সহযোগিতা কামনা কৰে। শেষত জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ অন্ত পৰে।

বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ মাজত শিক্ষা সামগ্ৰী আৰু নিত্যপ্ৰয়োজনীয় সামগ্ৰী বিতৰণ

# শিৱসাগৰৰ বানপীড়িতৰ কাষত মাজুলী জিলা আপকুৰ সাংবাদিকৰ দল

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ বানপীড়িত লোকসকলৰ কাষত থিয় দি পুনৰ এবাৰ মানৱতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিলে মাজুলী জিলা অসম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন চমুকৈ আপকুৱে। বানপানীৰ ফলত বিপৰ্যস্ত পৰিয়ালসমূহৰ লগতে শিক্ষাৰ পৰা বঞ্চিত হ'ব খোজা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি সহায়ৰ হাত আগবঢ়াই কালি সংগঠনটোৱে এক ব্যতিক্ৰমী সাহায্য বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। বানপানীৰ বাবে শিক্ষা ব্যৱস্থা ব্যাহত হৈ পৰা শিশুসকলৰ ভৱিষ্যতৰ কথা লক্ষ্য ৰাখি শিৱসাগৰ জিলাৰ ৮খন শংকৰদেৱ শিশু নিকেতন আৰু এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন শিক্ষা সামগ্ৰী বিতৰণ কৰে। এই সামগ্ৰীসমূহৰ ভিতৰত স্কুল বেগ, বহী, কলম, পেঞ্চিল, কাগজ, ডায়েৰী, ছাতী আদি অন্তৰ্ভুক্ত আছিল। শিক্ষা সামগ্ৰীসমূহ লাভ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলেও সন্তোষ প্ৰকাশ কৰে। ইয়াৰ উপৰিও বানত ক্ষতিগ্ৰস্ত সাধাৰণ পৰিয়ালসমূহৰ মাজতো বাচন-বৰ্তন, কাপোৰ-কানি, চেন্দেলকে ধৰি বিভিন্ন নিত্যপ্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে সংগঠনটোৱে। এই সহায়ে বহু ক্ষতিগ্ৰস্ত পৰিয়ালক কিছু পৰিমাণে সকাহ দিয়াৰ আশা প্ৰকাশ কৰে স্থানীয় লোকে। সাহায্য বিতৰণ কাৰ্যসূচীত মাজুলীৰ দুগৰাকী সত্ৰাধিকাৰ বিশেষভাৱে উপস্থিত থাকে। উত্তৰ কমলাবাৰী সত্ৰৰ অধিকাৰ জনাৰ্দন দেৱ গোস্বামী আৰু বৰ এলেঙি সত্ৰৰ অধিকাৰ চন্দন গোস্বামীয়ে নিজে উপস্থিত থাকি বানপীড়িত ৰাইজক সাহস আৰু আশাৰ বাণী প্ৰদান কৰে। লগতে মাজুলী জিলা আপকুৰ এই জনকল্যাণমূলক পদক্ষেপক ভূয়সী প্ৰশংসা কৰি এনে মানৱীয় কাৰ্যসূচী সমাজৰ বাবে অনুকৰণীয় বুলি মন্তব্য কৰে। মানৱীয় দায়বদ্ধতাৰ পৰিচয় বহন কৰা এই সাহায্য বিতৰণ কাৰ্যসূচীয়ে মাজুলী জিলা আপকুৰ সামাজিক দায়িত্ববোধ আৰু দুৰ্যোগৰ সময়ত অসহায় লোকসকলৰ কাষত থিয় দিয়াৰ মানসিকতাক পুনৰ এবাৰ প্ৰতিফলিত কৰিলে। বানপীড়িত ৰাইজৰ মুখত হাঁহি বিৰিঙাই তোলাৰ এই প্ৰয়াসক বিভিন্ন মহলে শলাগ লয়।

# হৰি-নাম পৰিৱেশনৰ মাজেৰে সামৰণি পৰিল খৈৰাবাৰী ঝাৰগাঁও নীলকণ্ঠ দেৱালয়ৰ ব'ল বম অনুষ্ঠান

**অসম বাৰ্তা, খৈৰাবাৰী, ১২ আগষ্ট ঃ** হৰি-নাম ধ্বনি মুখৰিত কৰি আধ্যাত্মিক দিশত এক নৱ সংস্কাৰ গঢ়াৰ মূল লক্ষ্য সৰোগত কৰি ওদালগুৰি জিলা ভেৰগাঁও বিধানসভা সমষ্টিৰ খৈৰাবাৰীৰ বৃহত্তম ঝাৰগাঁও অঞ্চলৰ অন্যতম নীলকণ্ঠ দেৱালয়ত ২০২৬ বৰ্ষৰ ১০ আগষ্ট সোমবাৰে দিনযোৱা কাৰ্য্যসূচীৰে সামৰণি পেলালে পবিত্ৰ ব'ল বম অনুষ্ঠান। হাজাৰ হাজাৰ ৰাইজৰ ব্যাপক সঁহাৰিৰ মাজেৰে অসমৰ জনপ্ৰিয় হৰি নামৰ দলৰ পাঠিকা ডালিমী পাটোৱাৰীৰ নাম পৰিৱেশনে ৰাইজক আপ্লুত কৰাৰ লগতে হৰি নামৰ যোগেদি এক আধ্যাত্মিক পৰিৱেশৰ মাজেৰে এক সুস্থ বাতাৱৰণ গঢ়ি তুলিবলৈ পৰামৰ্শ আগবঢ়াই দলটিয়ে। অন্যহাতে অনুষ্ঠানত সোমবাৰে ৰাতিপুৱা গছ পুলি ৰোপণ কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভণী কৰে ক্ৰমে, ঝাৰগাওঁ বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰী শিক্ষক (বৃক্ষ বন্ধু) বলেন্দ্ৰ কুমাৰ ডেকা, চাৰমহলীপাৰা গাঁৱৰ গাঁও প্ৰধান পুষ্পধৰ ডেকা, আৰু ঝাৰগাওঁ বিশিষ্ট ব্যৱসায়ী মঙলু শৰণীয়াই। গছপুলি ৰোপণ কৰি তেওঁলোকে যুৱ প্ৰজন্মৰ উদ্যোগক্তা সকলক এজোপা বৃক্ষৰ দৰে বহল আৰু সুস্বাদু ফল দিব পৰা সমাজৰ এজন ব্যক্তি হ'বলৈ আহ্বান জনাই। আবেলি ৪ বজাত পূজাৰ বেদিত পূজাৰম্ভণিৰ শুভাৰম্ভণী কৰে চাৰমহলীপাৰাৰ পুৰোহিত বীৰেণ শৰ্মাই। সন্ধিয়া বন্তি প্ৰজ্বলনত অংশগ্ৰহণ কৰে, চাৰমহলীপাৰাৰ অৱসৰী শিক্ষক ধৰণী ডেকা, ঝাৰগাওঁ ভি, চি, ডি, চিৰ চেয়াৰমেন সুভাস ৰাভা, ঝাৰগাঁও বিশিষ্ট ব্যৱসায়ী গৌৰী শংকৰ সৰকাৰ, ঝাৰগাওঁ ভি, ডি, পি, সম্পাদক ৰমেশ ডেকা, বৰলাখাটিৰ অৱসৰী শিক্ষক প্যাৰেলাল চৌধুৰী, চাৰমহলীপাৰাৰ অৱসৰী শিক্ষয়িত্ৰী পদ্মেশ্বৰী ডেকা আৰু ঝাৰগাঁও বিশিষ্ট ব্যৱসায়ী বিপুল ৰাভাই। বন্তি প্ৰজ্বলনৰ অন্তত পুৰোহিতৰ মন্ত উচ্চাৰৰ মাজেৰে হুমত পূৰ্ণাহুতি দি ভক্ত সকলে ভগৱান শিৱৰ চৰণত ৰাইজৰ মঙ্গল প্ৰাৰ্থনা কৰে। ইয়াৰ পিছতে বিশেষ ভাবে আমন্ত্ৰণ জনোৱা অসমৰ জনপ্ৰিয় নাগাৰা নাম দল ডালিমী পাটোৱাৰীৰ দ্বাৰা পৰিচালিত মা-চেনেহী নামদলৰ নাম পৰিৱেশন কৰি হাজাৰ হাজাৰ দৰ্শকৰ মন মন্তমুগ্ধ কৰে। উল্লেখ্য যে নাম পৰিৱেশনৰ পূৰ্বে পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলে জনপ্ৰিয় পাঠিকা ডালিমী পাটোৱাৰীক জাতীয় গামোচা, ফুলাম জাপি, মানপত্ৰ আৰু নাহৰ গছৰ পুলিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ সমান্তৰাল ভাবে নাম উদ্বোধন আৰু আমন্ত্ৰীত বিশিষ্ট ব্যক্তিসকলকো ৰাইজৰ মাজত সম্বৰ্ধনা জনাই। অন্যহাতে নাগাৰা নামটি দলৰ শুভ উদ্বোধন কৰে খৈৰাবাৰী ব্লক বিপিএফৰ টি চি, এলৰ চেয়াৰমেন প্ৰদীপ ৰামচিয়াৰীয়ে। খৈৰাবাৰী ঝাৰগাঁও নীলকণ্ঠ দেৱালয়ৰ সমূহ কাৰ্যসূচীত ৰাইজৰ সহায় সহযোগিতা তথা দিহা পৰামৰ্শ প্ৰদান কৰি অনুষ্ঠানটি সাফল্য মণ্ডিত কৰা বাবে স্থায়ী মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত দে, সম্পাদক অপূৰ্ব দে। লগতে পূজা পৰিচালনা সমিতিৰ সভাপতি কৌশিক ডেকা, উপ-সভাপতি চহন শৰণীয়া, সম্পাদক উপেন ভদ্ৰ আৰু সহ-সম্পাদক ৰিতুৰাজ চহৰীয়াই সকলো ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

# বিশিষ্ট সমাজসেৱক বিজয় কুমাৰ মঙ্গলুণীয়াক "জীৱনজোৰা সাধনা বঁটা" প্ৰদান




**অসম বাৰ্তা, বঢ়মপুৰ, ১২ আগষ্ট ঃ** নগাঁৱৰ বিশিষ্ট সমাজসেৱক, লেখক তথা লায়ন্স ক্লাৱৰ সৈতে সুদীৰ্ঘ কাল জড়িত বিজয় কুমাৰ মঙ্গলুণীয়াক অলপতে ডিমাপুৰত লায়ন্স ইণ্টাৰনেচলৰ ডিষ্ট্ৰিক্ট 322-Dৰ সদ্যবিদায়ী ডিষ্ট্ৰি" গৱৰ্ণৰ ললিত কুমাৰ কোঠাৰীৰ দ্বাৰা প্ৰদান কৰা হয় "জীৱনজোৰা সাধনা বঁটা।" সমাজসেৱামূলক কৰ্মৰ লক্ষ্যৰে ১৯১৭ চনত আমেৰিকাত গঠিত আন্তঃৰ্জাতিক সংস্থা 'লায়ন্স ইণ্টাৰনেচনেল'ৰ সৈতে ৫৬ বছৰ ধৰি জড়িত তথা ডিষ্ট্ৰিক্ট 322-Dৰ ১৯৯৬-৯৭ চনৰ ডিষ্ট্ৰিক্ট গৱৰ্ণৰ পদত অধিষ্ঠিত বৰ্তমান ৮৩ বছৰ বয়সীয়া মঙ্গলুণীয়াক এই বঁটা প্ৰদান কৰাত স্বাভাৱিকতে তেওঁৰ শুভাকাংক্ষীসকলকে ধৰি নগাঁওবাসী আনন্দিত হৈ পৰিছে। উল্লেখ্য যে মধ্য আৰু উজনি অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মণিপুৰক সামৰি গঠিত ডিষ্ট্ৰিক্ট 322-D সমিতিৰ বৰ্তমান নতুন ডিষ্ট্ৰিক্ট গৱৰ্ণৰ হিচাপে ড° নীনা দত্তই (ডিমাপুৰ) শপত গ্ৰহণ কৰা অনুষ্ঠানত এই সন্মান প্ৰদান কৰা হয়। ডিমাপুৰৰ লায়ন্স ক্লাৱৰ সেৱা কেন্দ্ৰত অনুষ্ঠিত অনুষ্ঠানত প্ৰথমগৰাকী ভাইচ ডিষ্ট্ৰিক্ট গৱৰ্ণৰ শংকৰ ৰাউট (গোলাঘাট), দ্বিতীয় ভাইচ গৱৰ্ণৰ প্ৰফেচাৰ ৰমী সিং (মণিপুৰ)ৰ উপৰি কেইবাগৰাকী প্ৰাক্তন ডিষ্ট্ৰিক্ট গৱৰ্ণৰকে ধৰি সংস্থাটোৰ যথেষ্ট সংখ্যক লোক উপস্থিত আছিল।

## বানাক্ৰান্ত কৃষকলৈ সহায়ৰ হাত নাগিনীজান চতাই আৰু গাভৰ যুৱকৰ

**অসম বাৰ্তা, মৰিয়নি, ১২ আগষ্ট ঃ** বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কৃষকসকলক সকাহ প্ৰদানৰ উদ্দেশ্যে এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰে নাগিনীজান চতাই আৰু গাভৰ যুৱকসকলে। মৰিয়নি সমষ্টিৰ আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক বিতুল কুৰ্মীৰ নেতৃত্বত বানাক্ৰান্ত কৃষকসকলৰ মাজত কঠীয়া বিতৰণ কৰা হয়। নাজিৰা সমষ্টিৰ বামুণ পুখুৰী অঞ্চলত বানপানীৰ ফলত কৃষিকাৰ্যত ক্ষতিগ্ৰস্ত হোৱা কৃষকসকলৰ মাজত প্ৰায় ৪০০ ফেৰা কঠীয়া বিতৰণ কৰা হয়। উল্লেখ্য যে, বানপানীৰ ফলত বহু কৃষকৰ খেতিপথাৰ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে কৃষিকাৰ্যত ব্যাপক সমস্যাৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিত কৃষকসকলক পুনৰ খেতিৰ কামত আগবঢ়াই নিবলৈ কঠীয়া বিতৰণৰ এই পদক্ষেপে বিশেষ সহায় কৰিব বুলি আশা প্ৰকাশ কৰে উদ্যোক্তাসকলে। কৃষকৰ দুৰ্দশাৰ সময়ত সহায়ৰ হাত আগবঢ়াই গ্ৰহণ কৰা এই পদক্ষেপক অঞ্চলটোৰ ৰাইজে আদৰণি জনাইছে।

মহাবীৰ একুৰাৰ পানী সেৱন কৰা মানে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ তেজ খোৱা- সদৌ অসম যুৱক সংঘ

# ছয়গাঁৱৰ ছাটাবাৰীত মহাবীৰ একুৱা কোম্পানীৰ সন্মুখত দল সংগঠনৰ তীব্ৰ প্ৰতিবাদ

### আদালতৰ নিৰ্দেশক অৱমাননা কৰি গোপনে খুলিছিল জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ চীল কৰা মহাবীৰ একুৱা

**অসম বাৰ্তা, ছয়গাঁও, ১২ আগষ্ট** ঃ দক্ষিণ কামৰূপৰ ছয়গাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত ছাটাবাৰীত মহাবীৰ একুৱা কোম্পানীৰ সন্মুখত আজি দিনৰ ১০ বজাত অঞ্চলটোৰ কেবাটাও দল-সংগঠনৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ পিছতে স্থানীয় দণ্ডাধীশ আহি সেই সময়ত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ পানীৰ কোম্পানী মহাবীৰ একুৱা বন্ধ কৰি থৈছিল। পিছে আদালতৰ নিৰ্দেশক অৱমাননা কৰি গোপনে খুলিছিল জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ চীল কৰা মহাবীৰ একুৱা। মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাই জুবিন গাৰ্গৰ ধন ফেক্টৰীত বিনিয়োগ কৰাৰ তথ্য দিছিল STIক। পানীৰ কোম্পানীটো খোলাৰ খবৰ মঙ্গলবাৰে বিয়পি পৰাৰ পিছত মহাবীৰ একুৱা কোম্পানীৰ সন্মুখত সদৌ অসম যুৱক সংঘ, ছাত্ৰ সন্থা আৰু ৰাইজে সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। পিছে ৰহস্যৰ বিষয় জুবিন গাৰ্গৰ হত্যাত নাম সাঙুৰ খাই কাৰাগাৰত বন্দী হৈ থকা মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ ব্যৱসায়িক প্ৰতিষ্ঠানটো ছীল কৰাৰ পিছত কেনেকৈ, কাৰ বলত বলীয়ান হৈ গোপোনে খুলিলে কোম্পানীটো। এই তথ্য পোহৰলৈ অহাত আজি দক্ষিণ-পশ্চিম কামৰূপ ছাত্ৰ সন্থা, ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থা, বামুণীগাঁও শাখা ছাত্ৰ সন্থাৰ লগতে একাংশ স্থানীয় লোকে উদ্যোগটো বন্ধ কৰাৰ দাবী উত্থাপন কৰে। আনকি তেওঁলোকে জুবিন গাৰ্গৰ হত্যাৰ বিচাৰ লাগে, সিদ্ধাৰ্থ শৰ্মা মুৰ্দাবাদ, একুৱা কোম্পানী বন্ধ কৰক-আদি শ্লোগান দিয়ে। ইয়াৰ উপৰিও সদৌ অসম যুৱক সংঘৰ দক্ষিণ-কামৰূপ জিলা সমিটিৰ একাংশ বিষয়-ববিয়াই কোম্পানীটোৰ সন্মুখত উপস্থিত হৈ ছাত্ৰ সন্থাৰ সহযোগত পুনৰ বিতৰ্কিত কোম্পানীটোৰ মুখ্য গেটত তলা ওলোমাই দিয়ে। জানিব পৰা মতে বহিৰাগত বণিয়াৰ দ্বাৰা পৰিচালিত কোম্পানীটোৱে বাহিৰত ৰাইজক দেখাই গেট বন্ধ কৰি বিতৰ্কিত ব্যৱসায়িক প্ৰতিষ্ঠানটোৱে দীৰ্ঘদিন ধৰি ভিতৰত উদ্যোগটোৰ কাম চলাই গৈছিল। পিছে কাৰ বলত বলীয়ান হৈ, কোনে জেলৰ ভিতৰৰ পৰা নিয়ন্ত্ৰণ কৰি চলাই আছে জুবিন গাৰ্গৰ হত্যাকাৰী সিদ্ধাৰ্থ শৰ্মাৰ মহাবীৰ একুৱা কোম্পানী। এই সমগ্ৰ ঘটনাৰ তদন্ত বিচাৰিছে সংগঠন কেইটাই। সদৌ অসম যুৱক সংঘৰ দক্ষিণ কামৰূপ জিলা সমিতিয়ে অসমৰ ৰাইজক আহ্বান জনাইছে- মহাবীৰ একুৱাৰ পানী সেৱন নকৰিব। মহাবীৰ একুৱাৰ পানী সেৱন কৰা মানে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ তেজ খোৱা বুলি ভাৱি লওক বুলি মন্তব্য কৰে।

# শলমাৰী পেট্ৰ'ল পাম্পৰ সন্মুখত বল বম ভক্ত সকলৰ মাজত চতুৰ্থ বাৰ্ষিক ভোগ বিতৰণ

**অসম বাৰ্তা, ৰহা, ১২ আগষ্ট ঃ** নগাঁও জিলাৰ এজন কৰ্মপ্ৰাণ সামাজিক সাংস্কৃতিক কৰ্মী, পাৰ্থ প্ৰতিম মহন্ত নেতৃত্বত নৈ শলমাৰী পেট্ৰল পাম্পৰ সন্মুখত বল বম ভক্ত সকলৰ মাজত চতুৰ্থ বাৰ্ষিক ভোগ বিতৰণ কাৰ্যসূচী অতি নিয়াৰিকৈ সম্পূৰ্ণ হৈ যায়। শ শ ভক্তপ্ৰাণ বল বম যাত্ৰীয়ে ভোগ গ্ৰহণ কৰি যুৱক জনৰ প্ৰচেষ্টাক সকলোৱে শলাগ জ্ঞাপন কৰে। নগাঁও এই যুৱক জনে সমাজিক সাংস্কৃতিক বিভিন্ন ক্ষেত্ৰত সহায় আগবঢ়াই মহৎ কৰ্ম নিৰ্দশন দাঙি ধৰা লগতে যুৱক জনৰ এই প্ৰয়াস চিৰযুগমীয়া হৈ ৰওঁক তাকে কামনা কৰিলোঁ। আমাৰ আগত প্ৰকাশ কৰা অনুসৰি এই যুৱক জনে আজি কিছু দিন আগতে নিজৰ পৰিশ্ৰমৰ সহায়ত পথচাৰী সকলক বাবে শিতল পানী আৰু চৰবত বিতৰণ কৰি উৎকট গৰমত ৰাইজক সকাহ প্ৰদান কৰা লগতে উজনি অসমৰ বানাক্ৰান্ত ৰাইজৰ মাজত নানা সামগ্ৰী বিতৰণ কৰি সমাজসেৱা নিৰ্দশন দাঙি ধৰিছে। যুৱক জনৰ প্ৰচেষ্টাক সকলোৱে আনন্দিত হোৱা লগতে যুৱক জনক সামাজিক কামত সহায় কৰিবলৈ পিতৃ মাতৃ লগতে পৰিয়ালৰ বহু লোক আগবাঢ়ি অহা পৰিলক্ষিত হৈছে।

**১৬ আগষ্টত ছয়গাঁও নাট্য মন্দিৰত নিৰ্বাচন; সভাপতি ডাঃ কমালাকান্ত কলিতা আৰু কাৰ্যকৰী সভাপতি সত্য ঠাকুৰীয়াৰ বিৰুদ্ধে কোনেও নিদিলে মনোনয়ন**

# বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ সোণালী জয়ন্তী উদ্‌যাপনক লৈ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, চেঙা, ১২ আগষ্ট ঃ** ধৰ্মীয় আৰু আধ্যাত্মিক পৰম্পৰাক অধিক সুদৃঢ় কৰাৰ লগতে নতুন প্ৰজন্মৰ মাজত ভাগৱতীয় আদৰ্শ আৰু নৈতিক মূল্যবোধৰ প্ৰসাৰৰ লক্ষ্যৰে নগাঁও ৰাস সমিতি আৰু বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ সমন্বয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ প্ৰতিষ্ঠা দিৱসৰ সোণালী জয়ন্তী উদ্‌যাপনৰ আয়োজন কৰা হৈছে। আয়োজকসকলে জানিবলৈ দিয়া অনুসৰি, ৪৬ সংখ্যক বাৰ্ষিক ভাগৱত জয়ন্তীৰ লগত সংগতি ৰাখি অহা ৩ ভাদৰ পৰা ৯ ভাদলৈ, ইংৰাজী ২১ আগষ্টৰ পৰা ২৭ আগষ্টলৈ নগাঁও ৰাস মন্দিৰত সাত দিনীয়া কাৰ্যসূচীৰে এই বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। ইতিমধ্যে সোণালী জয়ন্তী উদযাপনক কেন্দ্ৰ কৰি আয়োজক সমিতিয়ে প্ৰস্তুতি আৰম্ভ কৰিছে। বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ প্ৰতিষ্ঠাৰ ৫০ বছৰীয়া যাত্ৰাৰ এই বিশেষ ক্ষণটো উদযাপনৰ জৰিয়তে অতীতৰ গৌৰৱময় যাত্ৰাক স্মৰণ কৰাৰ লগতে আগন্তুক দিনত ভাগৱত অধ্যয়ন আৰু আধ্যাত্মিক চৰ্চাক অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। ভাগৱতীয় আদৰ্শ, ভক্তি, আধ্যাত্মিকতা, নৈতিকতা আৰু মানৱীয় প্ৰমূল্যবোধৰ প্ৰসাৰৰ ক্ষেত্ৰত এনে অনুষ্ঠানৰ গুৰুত্ব যথেষ্ট বুলি আয়োজকসকলে মত প্ৰকাশ কৰিছে। সাতদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া সোণালী জয়ন্তী উদ্‌যাপনৰ সময়ছোৱাত বিভিন্ন ধৰ্মীয় আৰু আধ্যাত্মিক কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। অনুষ্ঠানত ভক্তপ্ৰাণ ৰাইজৰ লগতে অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ ধৰ্মপ্ৰাণ লোক, ভাগৱত অনুৰাগী, সমাজৰ বিশিষ্ট ব্যক্তিসকল আৰু শুভাকাংক্ষীসকলৰ সমাগম ঘটিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰি অনুষ্ঠানৰ জৰিয়তে সমাজত শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ আৰু মানৱীয় মূল্যবোধৰ বাৰ্তা প্ৰচাৰৰ প্ৰয়াস কৰা হ'ব। উল্লেখ্য যে, বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ মাজত ধৰ্মীয়, সাংস্কৃতিক আৰু নৈতিক মূল্যবোধৰ চৰ্চা অধিক প্ৰাসংগিক হৈ পৰিছে। এনে সময়ত ভাগৱত অধ্যয়ন চক্ৰৰ দৰে অনুষ্ঠানে সমাজৰ মাজত আধ্যাত্মিক চেতনা জাগ্ৰত কৰাৰ লগতে নিজৰ ঐতিহ্য আৰু সংস্কৃতিৰ সৈতে নতুন প্ৰজন্মক পৰিচিত কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। সোণালী জয়ন্তী উদযাপন উপলক্ষে আয়োজক সমিতিয়ে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলো ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে। লগতে সাতদিনীয়া কাৰ্যসূচীত যথাসম্ভৱ অধিক সংখ্যক লোক উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰিবলৈও আহ্বান জনাইছে। আয়োজকসকলে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহযোগিতাই এই ঐতিহাসিক সোণালী জয়ন্তী উদযাপনক অধিক স্মৰণীয় কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে। সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি দীনেশ পাঠক আৰু সম্পাদক সাগৰ চন্দ্ৰ বায়ন। আনহাতে, বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ সভাপতি সৰজিৎ তালুকদাৰ আৰু সম্পাদক অনিল কুমাৰ পাঠক। তেওঁলোকে সমূহ ৰাইজক অনুষ্ঠানত উপস্থিত থাকি সহায়-সহযোগিতা আগবঢ়াবলৈ আন্তৰিকভাৱে আহ্বান জনাইছে।

# ছয়গাঁও চম্পকনগৰৰ সৰ্বজনীন ৰাস মহোৎসৱৰ পৰিচালনা সমিতিৰ নিৰ্বাচনৰ অন্তিম দিনা ৫২খন মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, ছয়গাঁও, ১২ আগষ্ট** ঃ পলাশবাৰী সমষ্টিৰ অন্যতম এখন আগশাৰীৰ ৰাস মহোৎসৱ ছয়গাঁও চম্পকনগৰৰ সৰ্বজনীন ৰাস মহোৎসৱৰ ৬৯ সংখ্যক পৰিচালনা সমিতিৰ নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল কৰাৰ অন্তিম দিন আছিল। নিৰ্বাচন সমিতিৰ বিষয়ববীয়া খগেন নাথ, মদন চৌধুৰী আৰু তাৰিণী চৰণ কলিতাই জনোৱা মতে ৩১ জনীয়া কমিটিখনৰ বাবে ৫২খন মনোনয়ন পত্ৰ লাভ কৰিছে। ৩১ জনীয়া কমিটিখনৰ বাবে সভাপতি পদত প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাৰ বিৰুদ্ধে কোনেও প্ৰতিদ্বন্দ্বিতা নকৰাৰ বাবে তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱা বুলি জানিব পৰা গৈছে। ঠিক সেইদৰে কাৰ্যকৰী সভাপতিৰ বাবে শিক্ষক সত্য ঠাকুৰীয়াৰ বিৰুদ্ধেও কোনেও প্ৰতিদ্বন্দ্বিতা নকৰাৰ বাবে তেওঁকো বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱা বুলি জানিব পৰা গৈছে। উপ সভাপতিৰ বাবে ৪জন প্ৰাৰ্থী লাগে যদিও ৭জন প্ৰাৰ্থী ক্ৰমে ছয়গাঁৱৰ প্ৰদীপ কুমাৰ দাস, ডুৱজেনীৰ মহেন্দ্ৰ কলিতা, বাটাকুছীৰ ৰোহিন্দ্ৰ দাস, নোৱাপাৰাৰ প্ৰমোদ চন্দ্ৰ দাস, আলেগজাৰীৰ প্ৰফুল্ল কলিতা, ধোঁৱাৰগাঁৱৰ প্ৰফুল্ল মেধি, মাজপাৰাৰ কালিকান্ত ঠাকুৰীয়াই মনোনয়ন জমা দিছে। সাধাৰণ সম্পাদক এজন লাগে যদিও দুজন প্ৰাৰ্থী ক্ৰমে বাংকাকাটাৰ ঘনশ্যাম কলিতা আৰু বৰুৱাপাৰাৰ অধ্যাপক ডঃ উপেন ডেকাই প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ উপৰিও সহ সাধাৰণ সম্পাদকৰ বাবে ৩জন প্ৰাৰ্থী লাগে যদিও ৬জন প্ৰাৰ্থী ক্ৰমে আলেগজাৰীৰ দেৱানন্দ শৰ্মা, বালাপুখুৰীৰ পবিত্ৰ সাউদ, বিহদিয়াৰ পৰাগ কুমাৰ দাস, বামুণীগাঁৱৰ কমলেশ্বৰ দলৈ, বালাসিদ্ধিৰ ফণিধৰ দাস, ঠাকুৰপাৰাৰ বিনোদ কলিতাই মনোনয়ন দাখিল কৰিছে। কোষাধ্যক্ষ পদত এজন প্ৰাৰ্থী লাগে যদিও দুজন প্ৰাৰ্থী ক্ৰমে চৌধুৰীপাৰাৰ চক্ৰধৰ চৌধুৰী আৰু ঢেকেনাবড়ীৰ সঞ্জীৱ নাথে মনোনয়ন পত্ৰ দাখিল কৰিছে। ঠিক সেইদৰে ২০জন সদস্যৰ বাবে ৩৩ জনে মনোনয়ন পত্ৰ দাখিল কৰিছে। ইয়াৰে মহিলাৰ বাবে সংৰক্ষিত বাবে ৩জন মহিলা প্ৰাৰ্থী ক্ৰমে অঞ্জলি দাস, মঞ্জু কলিতা আৰু সবিতা দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱা বুলি জানিব পৰা গৈছে। এই সমিতিখন ২০২৬ চনৰ পৰা ২০২৮ চনলৈ দুবছৰীয়া কাৰ্যকালৰ বাবে কাৰ্যকৰী হ'ব। অহা ১৬ আগষ্টত ছয়গাঁও নাট্য মন্দিৰত অনুষ্ঠিত হ'ব লগীয়া নিৰ্বাচনত আজীৱন সভ্য ৩১১ গৰাকী আৰু সাধাৰণ সভ্য ১১২ গৰাকী সৰ্বমুঠ ৪২৩ গৰাকী প্ৰাৰ্থী ভোটদান কৰিব।

# টংলাত বিজেপিৰ ত্ৰিৰংগা যাত্ৰাত বিধায়ক বিকন চন্দ্ৰ ডেকা




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১২ আগষ্ট ঃ** ভাৰতীয় জনতা পাৰ্টিৰ ওদালগুৰি জিলাৰ উদ্যোগত আৰু খালিংদুৱাৰ মণ্ডল বিজেপিৰ সহযোগত আজি টংলাত ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে অনুষ্ঠিত ত্ৰিৰংগা যাত্ৰাৰ সমদল উলিওৱা হয়। "মনে প্ৰাণে ত্ৰিৰংগা ঘৰে-ঘৰে ত্ৰিৰংগা" বাৰ্তা লৈ শতাধিক বিজেপি দলৰ নেতা কৰ্মীয়ে হাতে হাতে ত্ৰিৰংগা লৈ টংলা চহৰৰ খালিংদুৱাৰ মণ্ডল বিজেপিৰ কাৰ্য্যালয়ৰ পৰা চাৰিআলি হৈ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰলৈ সমদল কৰে। উক্ত ত্ৰিৰংগা যাত্ৰাৰ সমদলত টংলা বিধান সভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, ওদালগুৰি জিলা বিজেপিৰ সভাপতি অজয় হাজৰিকা, সাধাৰণ সম্পাদক সুজিত সৰকাৰসহ বহুকেইগৰাকী নেতাই অংশ গ্ৰহণ কৰে। ত্ৰিৰংগা যাত্ৰাৰ সমদলত অংশ লৈ বিধায়ক ডেকাই কয় যে, সমগ্ৰ দেশৰ লগতে অমাৰ ৰাজ্যতো ১০ আগষ্টৰ পৰা ১৫ আগষ্টলৈ ত্ৰিৰংগা যাত্ৰাৰ কাৰ্য্যসূচী অব্যাহত থাকিব। ঘৰে ঘৰে ত্ৰিৰংগা লৈ বিজেপিৰ কৰ্মী যাব। ত্ৰিৰংগা অৰ্থাৎ ৰাষ্ট্ৰীয় পতাকা আমাৰ ত্যাগৰ প্ৰতীক লগতে ঐক্য আৰু শান্তিৰ প্ৰতীক। ত্ৰিৰংগা বা ৰাষ্ট্ৰীয় পতাকাক সন্মান জনোৱা আমাৰ প্ৰতিজন ভাৰতীয়ৰ কৰ্তব্য বুলি প্ৰকাশ কৰে বিধায়ক ডেকাই।

# দৰং জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ জিলা ভিত্তিক শিক্ষক প্ৰশিক্ষণ সম্পন্ন

**অসম বাৰ্তা, পাথৰিঘাট, ১২ আগষ্ট ঃ** দৰং জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত পশ্চিম দৰং জাতীয় বিদ্যালয় প্ৰাংগণত এদিনীয়া কাৰ্যসূচীৰে জিলা ভিত্তিক শিক্ষক প্ৰশিক্ষণ অনুষ্ঠিত হয়। ৰাতিপুৱা উপেন্দ্ৰ চন্দ্ৰ ডেকাই বন্তিপ্ৰজ্বলন কৰাৰ পিছতেই পতাকা উত্তোলন কৰে সমন্বয়ৰক্ষী সমিতিৰ জিলা সভাপতি কনক চন্দ্ৰ নাথে। দৰংজিলাৰ অন্তৰ্গত ৪২খন জাতীয় বিদ্যালয়ৰ পৰা প্ৰায় তিনিশতাধিক শিক্ষক শিক্ষয়ত্ৰীয়ে অংশগ্ৰহণ কৰে শিক্ষক প্ৰশিক্ষণত। মানৱসম্পদ গঢ়োতা শিক্ষক শিক্ষয়িত্ৰী সকলক দলগাঁও ডায়েটৰ প্ৰৱক্তা ড° নৱজিৎ প্ৰধানীয়ে ইংৰাজী, ড° মধুস্মিতা শৰ্মাই বিজ্ঞান, ৰূপম দাসে গণিত, প্ৰবীণ চন্দ্ৰ ডেকাই সমাজ বিজ্ঞান, বৰ্ণালী ঠাকুৰীয়াই অসমীয়া বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰাৰ উপৰিও প্ৰাক্ বিদ্যালয় প্ৰথম শিক্ষা ফাউণ্ডেচনৰ মুকুট ভূঞাই প্ৰশিক্ষণ প্ৰদান কৰে। জিলাৰ সমল ব্যক্তি মহেন্দ্ৰ শৰ্মা, কনক চন্দ্ৰ নাথ, মকুন্দ ডেকা, হেমন্ত কুমাৰ কাকতি, গণেশ শৰ্মা আৰু হেমন্ত কুমাৰ বৰুৱাই অংশগহণ কৰে। আনহাতে শৈক্ষিক পৰিৱেশে বিৰাজ কৰা জিলাভিত্তিক প্ৰশিক্ষণৰ অন্তত শিক্ষক শিক্ষয়ত্ৰীসকলক সম্বৰ্ধনা তথা মানপত্ৰ প্ৰদান কৰা হয়।

# গৌৰীপুৰ শংকৰদেৱ শিশু নিকেতনত জ্ঞান বিজ্ঞান মেলা অনুষ্ঠান আয়োজন

**অসম বাৰ্তা, গৌৰীপুৰ, ১২আগষ্ট** ঃ ধুবুৰী জিলাৰ গৌৰীপুৰ চহৰস্থিত গৌৰীপুৰ শংকৰদেৱ শিশু নিকেতনৰ অন্তৰ্গত "খুদিমাৰী শংকৰদেৱ শিশু নিকেতন"ত গৌৰীপুৰ সংকুলৰ অধিনত জ্ঞান-বিজ্ঞান মেলা ২০২৬ অনুষ্ঠান আয়োজন হয়। এই অনুষ্ঠানত গৌৰীপুৰ সংকুলৰ ভিতৰত থকা বিলাসীপাৰা শংকৰদেৱ শিশু নিকেতন, মহামায়া শংকৰদেৱ শিশু নিকেতন, গৌৰীপুৰ শংকৰদেৱ শিশু নিকেতন আৰু ধুবুৰী শংকৰদেৱ শিশু নিকেতনৰ কিছু ছাত্ৰ-ছাত্ৰীৰ লগতে আচাৰ্য আৰু আচাৰ্য্যাও উপস্থিত থাকে উক্ত জ্ঞান-বিজ্ঞান মেলাত। এই অনুষ্ঠানটো ৰাতিপুৱাৰে পৰা আৰম্ভ কৰি আবেলি লৈকে চলে।




আৰু ইফালে উপস্থিত ছাত্ৰ ছাত্ৰীয়ে নিজৰ কৰ্মদক্ষতাৰ ওপৰত নিজৰ-নিজৰ গৃতত সাজি অনা বিভিন্ন প্ৰকল্পৰ ওপৰত প্ৰদৰ্শনীয় কৰায়। তাৰ লগতে দুই তিনিটা শ্ৰেণী কক্ষত বৈদিক গণিত আৰু বিজ্ঞান বিষয়ৰ ওপৰত আচাৰ্য-আচাৰ্য্যাই ছাত্ৰ-ছাত্ৰী সকলক উক্ত বিষয়ৰ ওপৰত জ্ঞান প্ৰদান কৰে। আজিৰ এই জ্ঞান-বিজ্ঞান মেলাৰ বাৰ্ষিক অনুষ্ঠানত গৌৰীপুৰ শংকৰদেৱ শিশু নিকেতনৰ কমিটিৰ বিভিন্ন সদস্যৰ লগতে গৌৰীপুৰ অঞ্চলৰ বিভিন্ন সমাজ সেৱক সকলেও উপস্থিত থাকি আজিৰ অনুষ্ঠানটোত উপস্থিত থাকি উক্ত অনুষ্ঠানটো সফল কৰি তোলে।

# বান-বিধ্বস্ত বিদ্যালয়লৈ প্ৰাইড-ইষ্ট এণ্টাৰটেইনমেণ্টৰ ৫ লাখকৈ টকাৰ চেক

**অসম বাৰ্তা, নামতি, ১২ আগষ্ট ঃ** যোৱা ১৯ জুলাইত ঘটা ছুনামি সদৃশ বিধ্বংসী বানে নাজিৰাৰ বৃহত্তৰ অঞ্চল তচনচ কৰি যোৱাৰ ফলত সৰহভাগ শিক্ষানুষ্ঠানেই বানত বিধ্বস্ত হৈ পৰিছে। অভূতপূৰ্ব বানৰ কবলত পৰি যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হৈ পৰা নাজিৰা আৰু ডিমৌ সমষ্টিৰ ২০ খনকৈ বিদ্যালয়ক আৰ্থিক সাহায্য আগবঢ়াবলৈ আজি নাজিৰাত উপস্থিত হয় প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ অধ্যক্ষা তথা পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মা। নাজিৰাৰ বৰতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ ৰিণিকি ভূঞা শৰ্মাই বিহুবৰ শিলনী এম ভি স্কুল, কেন্দুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়, চণ্টক উচ্চ মাধ্যমিক বিদ্যালয়, ৰহদৈ উচ্চ মাধ্যমিক বিদ্যালয়, বামুণ পুখুৰী আদৰ্শ বিদ্যালয়, বানটুং উচ্চ মাধ্যমিক বিদ্যালয়, জয়খামদাং মলাগাঁও এম ই স্কুল, আমগুৰি চাহ বাগিচা আদৰ্শ মাধ্যমিক বিদ্যালয়, নাজিৰা বৰতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, নাজিৰা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়, পি এম শ্ৰী বৰচিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বাউলীমৈদাম উচ্চ মাধ্যমিক বিদ্যালয়, কৰুণাকান্ত গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়, শিমলুগুৰি উচ্চ মাধ্যমিক বিদ্যালয় আৰু বাহগড় ৰূপজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ক ৫ লাখকৈ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে। দ্বিতীয় পৰ্য্যায়ত প্ৰতিষ্ঠানটোৰ অধ্যক্ষা গৰাকী ধিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ ডিমৌ সমষ্টিৰ বকতা বৰবাম উচ্চ মাধ্যমিক বিদ্যালয়, ভাধৰা উচ্চ মাধ্যমিক বিদ্যালয়, বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয়, বাহগড় উচ্চ মাধ্যমিক বিদ্যালয় আৰু ধিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৫ লাখকৈ টকাৰ সাহায্যৰ চেক প্ৰদান কৰে। নাজিৰা আৰু চৰাইদেউত মুঠ ২০খন বিদ্যালয়ত ১কোটি টকাৰ সাহায্যৰ চেক বিতৰণ কৰে। অনুষ্ঠানত অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোঁহাই, প্ৰাইড ইষ্ট গ্ৰুপৰ(মিডিয়া)উপাধ্যক্ষ চৈয়দ জাৰিৰ হুছেইন, নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, বিভিন্ন সংবাদ মাধ্যমৰ সাংবাদিক সকলৰ লগতে বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী তথা পৰিচালনা সমিতিৰ সদস্যসকল উপস্থিত থাকে।

# হোজাইত মুকলি বজাৰত ঔষধ বিক্ৰীৰ অভিযোগ

### স্বাস্থ্য বিভাগৰ ভূমিকাক লৈ প্ৰশ্ন

**অসম বাৰ্তা, ডবকা, ১২ আগষ্ট ঃ** জীৱন ৰক্ষাৰ বাবে ব্যৱহৃত ঔষধ এতিয়া হোজাই জিলাৰ একাংশ সাপ্তাহিক বজাৰত যেন সাধাৰণ বজাৰৰ সামগ্ৰীত পৰিণত হৈছে। সাপ্তাহিক বজাৰৰ পদপথত শুকান মাছ, শাক-পাচলি অথবা অন্যান্য সামগ্ৰীৰ দৰেই মুকলিকৈ ঔষধ বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হোৱাত জিলাখনত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। বিশেষকৈ মোৰাঝাৰৰ সাপ্তাহিক বজাৰত দেওবাৰে দেখা পোৱা এক দৃশ্যই এই গুৰুতৰ বিষয়টোক পুনৰ পোহৰলৈ আনিছে। অভিযোগ অনুসৰি, কোনোধৰণৰ উপযুক্ত ফাৰ্মাচী পৰিৱেশ নথকা অৱস্থাত পদপথতে বিভিন্ন প্ৰকাৰৰ ঔষধ বিক্ৰী কৰা হৈছে। ঔষধ বিক্ৰীৰ ক্ষেত্ৰত প্ৰয়োজনীয় অনুজ্ঞাপত্ৰ, যোগ্যতা, সংৰক্ষণ ব্যৱস্থা আৰু বিধিগত নিয়ম মানি চলা হৈছে নে নাই; সেই লৈ এতিয়া প্ৰশ্ন উত্থাপিত হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি মোৰাঝাৰৰ লগতে ডবকা, নীলবাগান, হোজাই আৰু জিলাখনৰ আন কেইবাখনো সাপ্তাহিক বজাৰত দীৰ্ঘদিন ধৰি অনুৰূপভাৱে ঔষধ বিক্ৰী চলি আহিছে। ইয়াৰ উপৰি জিলাখনৰ বিভিন্ন স্থানত প্ৰয়োজনীয় অনুমতি আৰু নথি-পত্ৰ অবিহনে একাংশ তথাকথিত ফাৰ্মাচী চলি থকাৰ অভিযোগো মাজে সময়ে উত্থাপিত হৈ আহিছে। ঔষধ বিক্ৰীৰ বাবে নিয়ম-কানুন থকাৰ পাছতো সাপ্তাহিক বজাৰৰ পদপথত এনেদৰে মুকলিকৈ ঔষধ বিক্ৰী কৰিবলৈ সুযোগ কোনে দিলে? ঔষধ কোনো সাধাৰণ বজাৰজাত সামগ্ৰী নহয়। ইয়াৰ সঠিক সংৰক্ষণ, মেয়াদ, ব্যৱহাৰৰ পদ্ধতি আৰু ৰোগীৰ বাবে উপযুক্ত ঔষধ নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ। অযোগ্য বা অনভিজ্ঞ ব্যক্তিৰ হাতত ঔষধ বিক্ৰীৰ বিষয়টো, সেয়ে জনস্বাস্থ্যৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত এক গুৰুতৰ বিষয়। ইফালে, এনে অভিযোগ দীৰ্ঘদিন ধৰি চলি থকাৰ পাছতো সংশ্লিষ্ট ঔষধ নিয়ন্ত্ৰণ কৰ্তৃপক্ষৰ নিয়মীয়া পৰিদৰ্শন আৰু অভিযান কিয় পৰিলক্ষিত হোৱা নাই সেই লৈও প্ৰশ্ন উত্থাপিত হৈছে। অভিযোগ যদি সত্য হয়, তেন্তে ই কেৱল আইন-নিয়ম উলংঘনৰ বিষয় নহয়, বৰং সাধাৰণ নাগৰিকৰ স্বাস্থ্য আৰু জীৱনৰ সুৰক্ষাৰ সৈতেও জড়িত। 'মুন্নাভাই এমবিবিএছ'ৰ দৰে যোগ্যতা-অনুমতি নথকা লোকৰ হাতত যদি ঔষধৰ বেহা চলি থাকে, তেন্তে ইয়াৰ দায়িত্ব কোনে ল'ব? এতিয়া সচেতন মহলৰ দাবী হোজাই জিলা প্ৰশাসন, স্বাস্থ্য বিভাগ আৰু সংশ্লিষ্ট ঔষধ নিয়ন্ত্ৰণ কৰ্তৃপক্ষই বিষয়টো গুৰুত্বসহকাৰে লৈ জিলাখনৰ সাপ্তাহিক বজাৰ আৰু সন্দেহজনক ঔষধ বিক্ৰী কেন্দ্ৰসমূহত শীঘ্ৰে অভিযান চলাওক। লগতে ঔষধ বিক্ৰীৰ অনুজ্ঞাপত্ৰ, বিক্ৰেতাৰ যোগ্যতা, ঔষধৰ মেয়াদ আৰু সংৰক্ষণ ব্যৱস্থাৰো পৰীক্ষা কৰাৰ দাবী জনাইছে ৰাইজে। জনস্বাস্থ্যৰ দৰে স্পৰ্শকাতৰ বিষয়ত অভিযোগ উঠাৰ পাছত সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰৱৰ্তী পদক্ষেপ কি হয়, সেয়া এতিয়া লক্ষণীয় হ'ব।

# প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ

বহু শিক্ষা গ্ৰহণ কৰিব পাৰিব। দেশত কোবিন্দ-জীৰ দৰে ডেকা-হৃদয় ব্যক্তিৰ প্ৰয়োজন বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে আত্মজীৱনীখনৰ বাবে তেওঁলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে ৰাষ্ট্ৰপতিৰ সৰ্বোচ্চ পদৰ পৰা অৱসৰ লোৱাৰ পিছতো কোবিন্দ-জীয়ে জিৰণি লোৱা নাই; বৰঞ্চ তেওঁ 'এটা জাতি, এক নিৰ্বাচন'-ৰ দৰে উল্লেখযোগ্য বিষয়সমূহৰ ওপৰত কাম কৰি আছে, যি বিষয়ৰ সংকল্পই জাতিটোৰ গণতন্ত্ৰৰ বাবে এক নতুন অধ্যায়ৰ সূচনা কৰিব পাৰে। কৰ্তব্যবোধ আৰু সেৱাৰ এই মনোভাৱৰ পৰা দেশৰ জনসাধাৰণে বহুখিনি শিকিবলগীয়া আছে বুলি প্ৰধানমন্ত্ৰী মোদীৰ দৃঢ় বিশ্বাস। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰ্তমানৰ প্ৰজন্ম তথা Gen Z-ক এক বিশেষ সতৰ্কবাণী প্ৰদান কৰে। আজিৰ ছ'চিয়েল মিডিয়াৰ যুগত বহুতো ইনফ্লুৱেন্সৰে যুৱক-যুৱতীসকলক আকৰ্ষণ কৰে বুলি কৈ তেওঁ সতৰ্ক কৰে যে এই শ্বৰ্টকাটৰ সময়ছোৱাত যুৱক-যুৱতীসকল সদায় সতৰ্ক হৈ থাকিব লাগে। ৰে'লৰে ষ্টেচনত লিখা থকা এটা বাক্যৰ উদাহৰণ দি তেওঁ কয় যে বহুতে ব্ৰিজৰ পৰিৱৰ্তে ৰে'ল লাইন পাৰ হ'বলৈ চেষ্টা কৰে, কিন্তু "A shortcut will cut you short" অৰ্থাৎ ভুল শ্বৰ্টকাটে আপোনাক ক্ষতিগ্ৰস্ত কৰিব পাৰে। যদি যুৱক-যুৱতীসকলে জীৱনত আগুৱাই যাব বিচাৰে আৰু আনৰ অভিজ্ঞতাৰ পৰা শিকিব বিচাৰে, তেন্তে তেওঁলোকে নিজৰ পছন্দৰ ব্যক্তিসকলৰ আত্মজীৱনী নিশ্চয় পঢ়া উচিত বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।

# গৃহমন্ত্ৰী অমিত শ্বাহে সংসদত বক্তব্য

বিৰোধী দলৰ বিভিন্ন সাংসদ আৰু বিজেপিৰ কেইবাগৰাকীও নেতাই অংশগ্ৰহণ কৰিছিল, যাৰ দ্বাৰা স্পষ্ট হয় যে এই বিষয়টোক লৈ সংসদত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছিল। কিন্তু এই প্ৰসংগতে গগৈয়ে প্ৰশ্ন উত্থাপন কৰে যে ইমান বিস্তৃত আলোচনা চলি থকাৰ সময়তো গৃহমন্ত্ৰী অমিত শ্বাহ কিয় উপস্থিত নাছিল? তেওঁৰ ভাষাত, গৃহমন্ত্ৰীয়ে সংসদত নিজৰ বক্তব্য দিবলৈ একেবাৰেই ইচ্ছুক নহয়, আৰু তেওঁৰ বক্তব্য এতিয়াও বাকী থাকিলেও তেওঁ সেই বক্তব্য দিয়াৰ পৰা আঁতৰি ফুৰিছে। কংগ্ৰেছ সাংসদগৰাকীয়ে অমিত শ্বাহে সংসদত পোনপটীয়াকৈ উত্তৰ দিয়াৰ সলনি বিভিন্ন অজুহাত দেখুৱাই বিষয়টো এৰাই চলিবলৈ চেষ্টা কৰা বুলি অভিযোগ কৰে। তেওঁৰ কটাক্ষময় ভাষ্যত কয় যে গৃহমন্ত্ৰীগৰাকীয়ে বিৰোধী দলে উত্থাপন কৰা প্ৰশ্নসমূহৰ সন্মুখীন হোৱাৰ পৰিৱৰ্তে যেন সংসদৰ পৰাই পলাই যাবলৈ চেষ্টা কৰিছে। শিক্ষা আৰু ছাত্ৰ আন্দোলন যিটো দেশৰ অতি গুৰুত্বপূৰ্ণ বিষয়, তাৰ ওপৰত সংসদত যথাযথ আলোচনা হোৱা উচিত বুলি দাবী কৰি গৌৰৱ গগৈয়ে গৃহমন্ত্ৰী অমিত শ্বাহক এই বিষয়ত স্পষ্টীকৰণ দিবলৈ আহ্বান জনায় আৰু তেওঁৰ এই আচৰণক সংসদীয় গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ প্ৰতি অসন্মানজনক বুলি অভিহিত কৰে।

# অসমত ক'তো কয়লা নাই ঃ মুখ্যমন্ত্ৰী

পিন্ধা বা চেইন পিন্ধাবোৰৰ বাবে বানপানী হৈছে, যাৰ দ্বাৰা তেওঁ কিছু গোষ্ঠীৰ অসাৰ যুক্তিৰ প্ৰতি ইংগিত দিয়ে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে কয় যে যদি নাগালেণ্ড ৰাজ্যই কয়লা খনিৰ বাবে বানপানী হোৱা বুলি দাবী কৰে, তেন্তে অসম চৰকাৰ সেই সন্দৰ্ভত উচ্চতম ন্যায়ালয়লৈ যাবলৈ বাধ্য হ'ব। তেওঁ গুৰুত্ব দি কয় যে বৰ্তমান মেঘালয়ৰ বাবেই গুৱাহাটীত কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে, কিন্তু মই অসমৰ মুখ্যমন্ত্ৰী, মেঘালয়ৰ নহয়, সেয়ে মই দেখিও একো কৰিব নোৱাৰোঁ। এই মন্তব্যৰ মাধ্যমেৰে তেওঁ সীমান্তৱৰ্তী ৰাজ্যবোৰৰ জলনিৰ্গমন ব্যৱস্থাৰ ফলত অসমত সৃষ্টি হোৱা সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু ইয়াৰ স্থায়ী সমাধানৰ বাবে আন্তঃৰাজ্যিক সহযোগিতা আৰু আইনী পদক্ষেপৰ প্ৰয়োজনীয়তা দাঙি ধৰে।

# চৰাইদেউত বন্দী মাজুলীৰ সাহিত্যৰ চৰাইচোং শ্ৰমিক দল

## গছপুলি ৰোপণ প্ৰকৃতিপ্ৰেমী অতুল হাজৰিকাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** বানে ধ্বংসস্তুপত পৰিণত কৰিলেও ঘাই শিপা হেৰুওৱা নাই শিৱসাগৰ, চৰাইদেউবাসীয়ে। আকৌ আৰম্ভ হৈছে জীৱন। মেলিছে কোঁহ। বস্তু জগতখনত নিঃস্ব হৈ পৰা ৰাইজ কিন্তু নি: স্ব হৈ পৰা নাই হৃদয় জগতখনৰ। সেই সত্যত বন্দী হৈ চকুলোৰে বাট নেদেখা হৈ ঘৰমুখী হ'ব লগীয়া হ'ল বন্যাৰ্তক শ্ৰমদানেৰ সেৱা কৰিবলৈ যোৱা মাজুলীৰ এটি দল। আকাশৰ দৰে বিশাল হৃদয়, কৃতজ্ঞতা জ্ঞাপনৰ সাগৰ সদৃশ গভীৰ দায়ৱদ্ধতাত বন্দী হৈ পৰিল মাজুলীৰ সাহিত্যৰ চৰাইচোঙ শ্ৰমিক দল চৰাইদেউত। স্বেচ্ছাসেৱী সংগঠন মাজুলীৰ সাহিত্যৰ উদ্যোগত চৰাইচোং উৎসৱ উদ্‌যাপন সমিতিৰ সদস্যৰে গঠিত এটি দলে যোৱা ৮ আগষ্ট তাৰিখে শনিবাৰে দুৰ্গত ৰাইজক শ্ৰমদানেৰে সেৱা কৰা মানসেৰে চৰাইদেউ জিলালৈ যাত্ৰা কৰিছিল। পুলিৰ পৰা বটবৃক্ষ ৰূপ দিয়া বিশাল শৈক্ষিক অনুষ্ঠানটি চকুৰ পলকতে ধ্বংসস্তুপত পৰিণত হোৱাৰ পিছতো ধীৰ- স্থিৰ, আকৌ শূন্যৰ পৰা আৰম্ভ কৰিবলৈ সংকল্পবদ্ধ হোৱা নিতুমণি দত্ত নামৰ স্থিতপ্ৰজ্ঞ ব্যক্তিজনে যেতিয়া মাজুলীৰ দলটিক বিদ্যালয়খনিত আদৰণি জনালে, সেই সময়ত সকলোৰে হেৰুৱাই পেলাইছিল মাত। মুক হৈ সকলোৱে চাইছিল বিধ্বস্ত বিদ্যালয়খন। বহু সপোন বুকুত বান্ধি গঢ় দিয়া শিমলুগুৰি জ্ঞান জ্যোতি একাডেমি চিনিয়ৰ চেকেণ্ডাৰী নামৰ স্কুলখন পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰে সমৃদ্ধ হৈ উত্তৰণৰ শীৰ্ষস্থান পোৱাৰ সময়তেই নামি আহিল সেই অমানিশা। ত্ৰিশ / চল্লিশ লাখ টকাৰ সা- সম্পত্তি হেৰুৱাই হিমালয় সদৃশ দুখ লৈয়ো উজ্জ্বল এহালি চকুৰে নিতুমণি দত্ত ব্যতিক্ৰমী এগৰাকী ব্যক্তি। মাজুলীৰ দলটিক নিজৰ বিদ্যালয়ত থকা মেলাৰ যাৱতীয় ব্যৱস্থা কৰি দিয়ে। মাজুলীৰ দলটিয়ে সেই দিনাই বিদ্যালয়খনতেই শ্ৰমদান আৰম্ভ কৰে। উল্লেখযোগ্য, মাজুলীৰ সাহিত্যৰ অন্যতম অনুষ্ঠান চৰাই চোং উৎসৱৰ কুশল দাস, ৰঞ্জিত খাউণ্ড, নৃপেন খাউণ্ড, প্ৰাঞ্জল শইকীয়া, দিপাংকৰ হাজৰিকা, মনজিৎ দত্ত, ৰাজু খাউণ্ড, জয়প্ৰকাশ বৰা, দুলাল ৰাজখোৱা, বিজিত শইকীয়া, ৰঞ্জন শইকীয়া, দিগন্ত শইকীয়া, মানস জ্যোতি বৰুৱা, মুনিন্দ্ৰ বৰুৱা। বিজিত, ৰঞ্জন আৰু দিগন্ত হৈছে ভকতি দুৱাৰ গাঁৱৰ নিবাসী যুগল শইকীয়াৰ পুত্ৰ। একেখন ঘৰৰে তিনি সন্তান বান বিধ্বস্ত অঞ্চলত সেৱা কৰিবলৈ যোৱাটোও এক আদৰ্শৰূপে আলোচিত হৈছে। স্বেচ্ছাসেৱকৰ দলটি সেইদিনা মাজুলীৰ পৰা অফলামুখ বাটেৰে পাৰ হৈ শিৱসাগৰলৈ যাত্ৰা কৰিছিল। শ্ৰমদানৰ বাবে যোৱা দলটিক নিমাতীঘাটত দেখিয়েই এগৰাকী অট'চালকে (নিৰ্মল) একোকাপ চাহ খুৱাই যঁচা সহৃদয়তাৰে প্ৰত্যেককে অভিভূত কৰে। দলটিক যথাস্থানলৈ নিয়াত সহযোগিতা কৰে সোণতলী চিগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক শশাঙ্ক নাথ আৰু তেখেতৰ বন্ধু শিক্ষক নিলাঞ্জন মহন্তই। মাজুলীৰ সাহিত্যৰ সভাপতি কমল দত্ত, সম্পাদক গোবিন কুমাৰ খাউণ্ড, প্ৰকৃতি প্ৰেমী অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকাৰ তত্ত্বাৱধানত যোৱা দলটোৰ সদস্যসকলে- দ্বিতীয় দিনা চোমনি গাঁৱৰ নামঘৰ আৰু চণ্টকৰ কলেজিয়েট জাতীয় বিদ্যালয়ত শ্ৰমদান কৰে। উল্লেখ্য, ৩৫০জন শিক্ষাৰ্থী থকা বিদ্যালয়খনৰ পকী ভৱনৰ বিস্তৰ ক্ষতি হয়। প্ৰকৃতি ৰক্ষাৰ মন্ত্ৰেৰে মাজুলীত গছপুলি ৰোপণৰ আন্দোলন আৰম্ভ কৰা আৰু কেইবাটাও বঁটা লাভ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই অনা অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকাই জ্ঞান জ্যোতি একাডেমি চিনিয়ৰ চেকেণ্ডাৰীত চাৰিটা বকুল পুলি ৰোপণ এৰে তেখেতৰ আন্দোলন চৰাইদেউ লৈ সম্প্ৰসাৰিত কৰে। মাজুলীৰ পৰা গছপুলিৰ লগতে ঘেৰা আদি যাৱতীয় সঁজুলি তেখেতে লৈ গৈছিল। বিদ্যালয়খনিৰ চৌহদত আৰম্ভ কৰা এই কাৰ্যসূচী পৰৱৰ্তী কালত মাজুলীৰ সাহিত্যৰ সহযোগত জিলাখন বান বিধ্বস্ত অন্যান্য অঞ্চললৈ সম্প্ৰসাৰিত কৰিব বুলি তেখেতে ঘোষণা কৰে। স্বেচ্ছাসেৱী সংগঠনটিৰ এই পদক্ষেপলৈ জিলা প্ৰশাসনে ঘাট পাৰাপাৰৰ সুবিধা দিয়াৰ লগতে যিসকলে কিছু আৰ্থিক সহযোগিতা আগবঢ়াইছিল, সেইসকলক সাহিত্যই কৃতজ্ঞতা জ্ঞাপন কৰে। দুদিনীয়া কাৰ্যসূচীৰে যোৱা দলটোৰ জ্ঞান জ্যোতিৰ আতিথ্যত বন্দী হৈ তৃতীয় দিনাহে উভতিবলৈ সক্ষম হয়। সেই দিনা বিদ্যালয়খনিৰ ছাত্ৰ ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলে সমস্ত চৰাইদেউবাসীৰ হৈ মাজুলীৰ দলটিৰ যোগে বিপদ কালত কাষত থিয় দিয়া বাবে মাজুলীবাসীক কৃতজ্ঞতা জনাই এক কাৰ্যসূচীৰে বিদায় জনায়।

# মাজুলী মহাবিদ্যালয়ত নাৰায়ণ চন্দ্ৰ গোস্বামী ষষ্ঠ স্মাৰক বক্তৃতানুষ্ঠান

## 'সত্ৰাধিকাৰ গোস্বামী আছিল এগৰাকী যুগন্ধৰ বৈষ্ণৱপণ্ডিত'




**অসম বাৰ্তা, মাজুলী, ১২ আগষ্ট ঃ** মাজুলী নতুন কমলাবাৰী সত্ৰৰ পণ্ডিত-সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ পৱিত্ৰ স্মৃতি দিৱস উপলক্ষে আজি মাজুলীৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে কমলাবাৰীৰ ৰামধনু শতদল শাখা সাহিত্য সভাৰ সহযোগত আয়োজন কৰে এক স্মাৰক বক্তৃতানুষ্ঠান। বিশিষ্ট বৈষ্ণৱ পণ্ডিতগৰাকীৰ স্মৃতি দিৱসত মাজুলী মহাবিদ্যালয়ে প্ৰতি বছৰে অনুষ্ঠিত কৰি অহা স্মাৰক বক্তৃতানুষ্ঠানৰ অংশ হিচাপে আজি পদ্মকান্তদেৱ গোস্বাণী সভাকক্ষত বিয়লি দুই বজাৰ পৰা আয়োজিত এই ষষ্ঠটি বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে প্ৰাক্তন ছাত্ৰী পৰী বৰা ৰাজখুৱাই দীপস্তুতি পৰিৱেশন কৰাৰ সমান্তৰালভাৱে নতুন কমলাবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ সত্যজিৎ মহন্তই প্ৰয়াত সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি পুষ্পাৰ্ঘ্য তৰ্পণ কৰে। অনুষ্ঠানটিতে মহাবিদ্যালয়ৰ প্ৰথমগৰাকী আলোচনী সম্পাদক, বিশিষ্ট সাংবাদিক অৰুণ বৰাৰ ষষ্ঠ স্মৃতি দিৱস উপলক্ষে তেওঁৰ প্ৰতিও শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মহাবিদ্যালয়ৰ বিভাগৰ মুৰব্বী অধ্যাপক তথা প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখুৱাই আঁত ধৰা বক্তৃতানুষ্ঠানটি সঞ্চালনা কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অপূৰ্বজ্যোতি হাজৰিকাই অসমৰ বৌদ্ধিক জগতখনত নাৰায়ণ চন্দ্ৰ গোস্বামীৰ স্থান সুকীয়া বুলি উল্লেখ কৰাৰ লগতে সত্ৰাধিকাৰগৰাকীৰ জীৱন-কীৰ্তি সংক্ষিপ্তভাৱে আলোকপাত কৰে। বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰি 'পণ্ডিত সত্ৰাধিকাৰ শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীৰ প্ৰতিভা' শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়াই গড়মূৰ পীতাম্বৰদেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গুণমণি নাথে কয়, "নাৰায়ণ চন্দ্ৰ গোস্বামীৰ পাণ্ডিত্য আৰু সাত্ত্বিকতাৰ তুলনা আন কোনো ব্যক্তিৰে লগত কৰিব পৰা নাযায়। সত্ৰাধিকাৰ প্ৰভুৱে ৰচনা কৰা সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা গ্ৰন্থখনেই তেখেতৰ পৰিচয় দাঙি ধৰিবলৈ যথেষ্ট।" সঞ্চালকৰ ভাষণত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "নাৰায়ণ চন্দ্ৰ গোস্বামী আছিল এগৰাকী যুগন্ধৰ বৈষ্ণৱপণ্ডিত। তেওঁ নিজৰ ধীমান শক্তিৰে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ যি সেৱা আগবঢ়াই থৈ গ'ল, সেয়া ভৱিষ্যত প্ৰজন্মৰ বাবে আদৰ্শ চিহ্ন হৈ ৰ'ব।" সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি নতুন কমলাবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ সত্যজিৎ মহন্তই সত্ৰীয়া সংস্কৃতিক বহিৰ্দেশত প্ৰচাৰ কৰাৰ ক্ষেত্ৰত নাৰায়ণ চন্দ্ৰ গোস্বামীৰ দূৰদৰ্শী মনোভাৱৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানটিত অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় সৰ্বেশ্বৰ হাজৰিকা আৰু নৰেন চন্দ্ৰ ঠাকুৰীয়া, শিক্ষাবিদ কৰুণা বৰা, কৃষ্ণকমল শইকীয়া, জগত দুৱৰীয়া, যুগল হাজৰিকা, ডলী বৰুৱা, ভৰত শইকীয়া, দ্বীজেন দত্ত, ৰত্নেশ্বৰ বৰা, প্ৰফুল্ল বৰুৱা, উপেন শইকীয়া, গোবিন্দ ভূঞা, পদ্ম বায়ন, কৃষ্ণচৰণ গায়ন, যোগান পাঠক, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, নাৰী সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে প্ৰমুখ্য শিক্ষকসকল, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা, সম্পাদক সদানন্দ ৰেগন প্ৰমুখ্যে দ্বি-শতাধিক বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। শেষত সকলোকে শলাগ জ্ঞাপন কৰে ৰামধনু শতদল শাখা সাহিত্য সভাৰ সম্পাদক সমীৰণ গোস্বামীয়ে।

## বৰনদ্দীৰ বৈকুণ্ঠ গেছ এজেঞ্চীয়ে জাৰি কৰিছে জাননী

# ১৬ আগষ্টৰ পূৰ্বে ই-কেৱাইচি নকৰিলে নাপাব ঘৰুৱা গেছ চিলিণ্ডাৰ

**অসম বাৰ্তা, চামতা, ১০ আগষ্ট ঃ** ঘৰুৱা গেছ চিলিণ্ডাৰৰ বাবে আধাৰ ই-কে ৱাই চি সম্পূৰ্ণ কৰাৰ অন্তিম তাৰিখ অহা ১৬ আগষ্ট। অহা ১৬ আগষ্টৰ পূৰ্বে ই-কে ৱাই চি লিংক নকৰিলে ঘৰুৱা মূল্যত নাপাব ঘৰুৱা গেছ চিলিণ্ডাৰ। ইণ্ডিয়ান অইলৰ বৰনদ্দী চ'কত অৱস্থিত বৈকুণ্ঠ ইণ্ডেন গ্ৰামীন বিতাৰক গেছ এজেন্সিৰ স্বত্বাধিকাৰী বলেন বড়োই আজি জনোৱা মতে ১৬ আগষ্টৰ ভিতৰত ই-কে ৱাই চি লিংক নকৰিলে ঘৰুৱা মূল্যত গেছ চিলিণ্ডাৰ নাপাব। ৰেহাই মূল্যত গেছ চিলিণ্ডাৰ পাবলৈ হ'লে ই-কে ৱাই চি কৰাটো বাধ্যতামূলক। ১৬ আগষ্টৰ পাছত ই-কে ৱাই চি নথকা গ্ৰাহকৰ ৰাজ সাহায্য পৰ্যন্ত বন্ধ হ'ব পাৰে বা চিলিণ্ডাৰ বুকিং কৰাত সমস্যা হ'ব পাৰে। ভৱিষ্যতে ঘৰুৱা মূল্যত গেছ চিলিণ্ডাৰ পাবলৈ হ'লে ই-কে ৱাই চি আৰু বায়'মেট্ৰিক লিংক কৰিবলৈ সকলো গ্ৰাহকক অনুৰোধ জনাইছে বৰনদ্দীৰ বৈকুণ্ঠ ইণ্ডেন গ্ৰামীন বিতাৰক গেছ এজেন্সিয়ে। সেই হেতুকে আধাৰ কাৰ্ডৰ সৈতে বায়'মেট্ৰিক লিংক কৰিব লাগিব। ইণ্ডিয়ান অইলৰ এপত গৈয়ো গ্ৰাহকসকলে আধাৰ লিংক আৰু বায়'মেট্ৰিক লিংক কৰিবলৈ পাৰিব। অন্যথাই গ্ৰাহকে ঘৰুৱা মূল্যৰ পৰিৱৰ্তে বাণিজ্যিক মূল্যত গেছ চিলিণ্ডাৰ ক্ৰয় কৰিব লাগিব। জনসাধাৰণৰক ইয়াৰ কাৰণে সময়ে সময়ে বিদ্যালয়, চ'ক, ৰাজহুৱা স্থানত বৈকুণ্ঠ ইণ্ডেন গ্ৰামীন বিতৰক বৰনদ্দী গেছ এজেঞ্চিয়ে চেপ্তি কেম, ই কে ৱাই চিকেম, এল পি জি পঞ্চায়ত আদিৰে মানুহৰ মাজত সজগতা সভা অনুষ্ঠিত কৰি আহিছে।

# অসম ডিপ্লমা অভিযন্তা সেৱা সন্থাৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২ লাখ টকা প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ আগষ্ট ঃ** এক অনাকাংক্ষিত প্ৰাকৃতিক দুৰ্যোগত সৃষ্টি হোৱা প্ৰলয়ংকৰী বানৰ ফলত উজনি অসমত যি ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হল, তাৰ মোকাবিলা কৰিবলৈ অসমৰ ৰাইজ, দল-সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠানে ঐক্যবদ্ধ হৈ সহায়ৰ হাত আগবঢ়াইছে। সমান্তৰাল ভাৱে অসম চৰকাৰেও যুদ্ধকালীন তৎপৰতাৰে ক্ষতিগ্ৰস্ত হোৱা ৰাইজৰ বাবে সহায়, সাহায্য আগবঢ়াই আহিছে। ৰাইজৰ এই দুৰ্যোগৰ সময়ত সামাজিক দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে অসম ডিপ্লমা অভিযন্তা সেৱা সন্থাই। অসমৰ সাম্প্ৰতিক প্ৰলয়ংকৰী বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যে অসম ডিপ্লমা অভিযন্তা সেৱা সন্থাই সীমিত পুঁজিৰ পৰা ২ (দুই )লাখ টকাৰ চেক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ায়। সমাজৰ প্ৰতি দায়বদ্ধ আৰু মানৱীক প্ৰমূল্যবোধত বিশ্বাসী এক দায়িত্বশীল প্ৰতিষ্ঠান হিচাপেও পুনৰবাৰ নিজৰ দায়িত্ব, কৰ্তব্য আৰু সামাজিক দায়বদ্ধতাৰে বানাক্ৰান্ত অঞ্চলৰ ২৭খন বিদ্যালয়ৰ ১১০০ ছাত্ৰ-ছাত্ৰীলৈ শিক্ষা সামগ্ৰী বিতৰণৰ ব্যৱস্থা কৰিছে। অসমক অভিযান্ত্ৰিক দিশত এক নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে অসমক দেশৰ ভিতৰত পাঁচখন ৰাজ্যলৈ উন্নীত কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰি দিনে-নিশাই কামত ব্ৰতী হৈ থকা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক যোৱা কালি লোক সেৱা ভৱনত লগ ধৰি অসম ডিপ্লমা অভিযন্তা সেৱা সন্থা (এডেচা)ৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীৰ সাহায্য পুজিলৈ দুই লাখ টকাৰ বৰঙনি আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম ডিপ্লমা অভিযন্তা সেৱা সন্থা (এডেচা)ৰ হৈ ক্ৰমে সভাপতি নয়ন কুমাৰ দত্ত, সাধাৰণ সম্পাদক সঞ্জীৱ কুমাৰ ডেকা, কোষাধ্যক্ষ খনীন্দ্ৰ মালাকৰ আৰু প্ৰচাৰ সম্পাদক ত্ৰিনয়ন সন্দিকৈয়ে লোকসেৱা ভৱনত সাক্ষাৎ কৰি উক্ত ধনৰাশিৰ চেক প্ৰদান কৰে। অসম ডিপ্লমা অভিযন্তা সেৱা সন্থাৰ তৰফৰ পৰা শিৱসাগৰ নাজিৰা আৰু সোণাৰিৰ বানাক্ৰান্ত অঞ্চলৰ ২৭খন বিদ্যালয়ৰ প্ৰায় ১১০০ ছাত্ৰ - ছাত্ৰীৰ প্ৰতিগৰাকীকে ছয়খনকৈ বহী, হাৰ্ডবোৰ্ড, কলম, পেঞ্চিল-স্কেল-ৰবৰ আদিৰ একোটাকৈ শিক্ষা সামগ্ৰীৰ টোপোলা বিতৰণৰ ব্যৱস্থা কৰা হৈছে। এই উদ্দেশ্য এডেচাৰৰ এটি সঁজাতি দল অহা ১২ আগষ্ট তাৰিখে শিৱসাগৰ, চৰাইদেউ আৰু নাজিৰা অভিমুখে ৰাওনা হ'ব। মুখ্যমন্ত্ৰীয়ে এই কামৰ বাবে অসম ডিপ্লমা অভিযন্তা সেৱা সন্থা (এডেচা)ৰ সদস্যসকলৰ শলাগ লয়।

## ড্ৰোনৰ মাধ্যমেৰে হাজোত ডাক প্ৰেৰণৰ শুভাৰম্ভ

# ভাৰতীয় ডাক সেৱাৰ যুগান্তকাৰী পদক্ষেপ



**অসম বাৰ্তা, হাজো, ১২ আগষ্ট ঃ** ভাৰতীয় ডাক সেৱাই ডাকঘৰ চিঠি পত্ৰকে ধৰি কিছুমান যাৱতীয় ব্যৱস্থা ড্ৰোনৰ মাধ্যমৰ জৰিয়তে কাৰ্যক্ষম কৰাৰ সুকীয়া প্ৰদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। এনে প্ৰয়াস হিচাপে ড্ৰোন সেৱাৰ জৰিয়তে দ্ৰুত, নিৰাপদ আৰু কাৰ্যক্ষম সেৱা প্ৰদান নিশ্চিত কৰাৰ উদ্দেশ্যেৰে ভাৰতীয় ডাক সেৱাৰ যুগন্তকাৰী পদক্ষেপ হাতত লৈছে। হিমাচল প্ৰদেশৰ পিছত ভাৰতৰ দ্বিতীয়টো ড্ৰোনৰ জৰিয়তে ডাকসেৱা আজি আনুষ্ঠানিকভাৱে মুকলি কৰে অসমৰ হাজোৰ উপ-ডাকঘৰত। ডাকসেৱাৰ দ্ৰুত সেৱা হিচাপে এই ড্ৰোন সেৱাই এক বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। এই সেৱাৰ আজি হাজো উপ ডাকঘৰৰ পৰা দামপুৰ আৰু ক্ষেত্ৰীহাৰদিয়া শাখা ডাকঘৰলৈ আনুষ্ঠানিকভাৱে মুকলি কৰে অসমৰ Post Master of General শচীন কিশোৰে। ডাক বিভাগৰ শাখা ডাকঘৰ সমূহত এই সেৱা প্ৰথমে উপলব্ধ হ'ব। অসম পৰিমণ্ডলৰ গুৱাহাটী ডাক সংমণ্ডলৰ হাজো উপ-ডাকঘৰত এই সেৱা মুকলি কৰাত হাজোবাসীয়ে গৌৰৱন্বিত হৈ পৰা পৰিলক্ষিত হৈছে।

# ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ স্থায়ী সমাধানৰ দাবীত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ চৰজমিন পৰিদৰ্শন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ আগষ্ট ঃ** ক্ৰমাৎ ভয়াৱহ ৰূপ ধাৰণ কৰা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই নতুনকৈ ভাবুকি কঢ়িয়াই আনিছে ডিব্ৰুগড় মহানগৰলৈ। মাইজান, ঠাকুৰবাৰীকে ধৰি নদীপৰীয়া অঞ্চলত অব্যাহত থকা খহনীয়াৰ প্ৰকৃত পৰিস্থিতি পৰ্যবেক্ষণ কৰি ইয়াৰ স্থায়ী সমাধানৰ দাবীত আজি চৰজমিন পৰিদৰ্শন কৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবে। পুৱা প্ৰায় ১০ বজাত মাইজানৰ পৰা যন্ত্ৰচালিত নাৱেৰে ব্ৰহ্মপুত্ৰৰ বুকুলৈ গৈ সাংবাদিক সংগঠনটোৰ প্ৰতিনিধি দলটোৱে খহনীয়াগ্ৰস্ত বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁইৰ নেতৃত্বত অনুষ্ঠিত এই পৰিদৰ্শনত সহকাৰী সম্পাদক মুক্তামণি হাজৰিকা, সাংবাদিক খগেন দত্ত, ভিডিঅ' সাংবাদিক দিনেশ দাস, মুন্না ঘাটোৱাল, চন্দন ৰজককে ধৰি কেইবাগৰাকীও সাংবাদিক উপস্থিত থাকে। দলটোক ডিব্ৰুগড় নগৰ গড়াখহনীয়া প্ৰতিৰোধ সমিতিৰ উদয় শংকৰ মহন আৰু দিব্যজ্যোতি গগৈয়েও সহযোগ কৰে। প্ৰতিনিধি দলটোৱে প্ৰথমে ডিব্ৰুগড় নগৰ সুৰক্ষা বান্ধৰ কাষত থকা কড়াই স্পাৰ পৰিদৰ্শন কৰে। শেহতীয়াকৈ যিটো স্থানত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই আতংকৰ সৃষ্টি কৰিছিল, সেই স্থানৰ পৰা নদীৰ বুকুত নামি খহনীয়াৰ প্ৰকৃত ৰূপ পৰ্যবেক্ষণ কৰে দলটোৱে। পঞ্চাশৰ দশকত নিৰ্মাণ কৰা এই স্পাৰটো বৰ্তমান ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতৰ ফলত কেনেদৰে ক্ষতিগ্ৰস্ত হৈছে, সেই দিশসমূহো পৰ্যবেক্ষণ কৰা হয়। ইয়াৰ পিছতে প্ৰতিনিধি দলটোৱে এক নম্বৰ স্পাৰ অভিমুখে গৈ ঠাকুৰবাৰী অঞ্চলৰ খহনীয়াস্থলী পৰিদৰ্শন কৰে। নদীৰ বুকুৰ পৰা প্ৰায় দুই কিলোমিটাৰ পৰ্যন্ত নদীৰ সোঁতৰ গতি, খহনীয়াৰ বিস্তৃতি আৰু নগৰ সুৰক্ষা বান্ধৰ ওপৰত ইয়াৰ সম্ভাব্য প্ৰভাৱৰো পৰ্যালোচনা কৰে সাংবাদিকৰ দলটোৱে। উল্লেখ্য যে, বিগত কিছুদিন ধৰি ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই ডিব্ৰুগড় মহানগৰবাসীৰ মাজত নতুনকৈ উদ্বেগৰ সৃষ্টি কৰিছে। বিশেষকৈ মাইজান আৰু ঠাকুৰবাৰীকে ধৰি নদীপৰীয়া অঞ্চলসমূহত অব্যাহত থকা খহনীয়াই ডিব্ৰুগড় নগৰৰ সুৰক্ষাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। চৰজমিন পৰিদৰ্শনৰ অন্তত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সভাপতি মনজিৎ বৰাই কয় যে, খহনীয়া আৰম্ভ হোৱাৰ পিছত জিঅ' বেগ পেলাই সাময়িক প্ৰতিৰোধৰ ব্যৱস্থা কৰিলেই সমস্যাৰ স্থায়ী সমাধান নহয়। ইতিমধ্যে জিঅ' বেগ স্থাপন কৰা বহু স্থানত পুনৰ খহনীয়া হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতে বহু জিঅ' বেগ উটুৱাই লৈ গৈছে। ডিব্ৰুগড়ক দীৰ্ঘদিন ধৰি সুৰক্ষা দি অহা শিলৰ স্পাৰসমূহৰ ক্ষমতা বৃদ্ধি কৰাৰ লগতে জিঅ' বেগৰ পৰিৱৰ্তে প্ৰয়োজন অনুসৰি শিলৰ ব'ল্ডাৰ ব্যৱহাৰ কৰি অধিক শক্তিশালী প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তোলাৰ বাবে চৰকাৰক আহ্বান জনায় মনজিৎ বৰাই। অনতি বিলম্বে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰিলে ডিব্ৰুগড় বাসীৰ বাবে বিপদ অধিক ভয়াৱহ হ'ব পাৰে বুলিও তেওঁ আশংকা প্ৰকাশ কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে ব্ৰহ্মপুত্ৰৰ বৰ্তমানৰ খহনীয়াৰ ভয়াৱহতা প্ৰত্যক্ষ কৰি চৰকাৰক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে মাইজান-ঠাকুৰবাৰীৰ পৰা আইথান পৰ্যন্ত ডিব্ৰুগড়ৰ নৈপৰীয়া অঞ্চলসমূহ এতিয়া সম্পূৰ্ণৰূপে সুৰক্ষিত নহয়। পঞ্চাশৰ দশকত ডিব্ৰুগড় নগৰ সুৰক্ষা বান্ধৰ কাষত নিৰ্মাণ কৰা সাতটা স্পাৰে বিগত বহু দশক ধৰি নগৰখনক সুৰক্ষা দি আহিছে যদিও সময়ৰ লগে লগে সেই স্পাৰসমূহ দুৰ্বল হৈ পৰা বুলি উল্লেখ কৰে ৰাতুল বুঢ়াগোহাঁয়ে। সেয়ে পুৰণি স্পাৰসমূহৰ ক্ষমতা বৃদ্ধি কৰাৰ লগতে প্ৰয়োজন অনুসৰি নতুন স্পাৰ নিৰ্মাণৰ দাবী জনায় তেওঁ। প্ৰচণ্ড ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত কেৱল জিঅ' বেগ বা কংক্ৰিটৰ পাৰক'পাইনে স্থায়ী সমাধান দিব নোৱাৰে বুলি উল্লেখ কৰি নদীৰ পাৰত শিলৰ ব'ল্ডাৰ আৰু তাঁৰৰ জালিৰে শক্তিশালী প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তোলাৰ বাবেও তেওঁ জলসম্পদ বিভাগক আহ্বান জনায়। সাংবাদিকৰ দলটোৱে চৰজমিন পৰ্যবেক্ষণৰ সময়ত জলসম্পদ বিভাগৰ অভিযন্তা সকলৰ সৈতেও মত বিনিময় কৰে। নদীৰ সোঁতৰ বৈজ্ঞানিক অধ্যয়ন কৰি ইয়াৰ গতি নগৰৰ বিপৰীত দিশে ঘূৰাই নিয়াৰ বাবে প্ৰয়োজনীয় বৈজ্ঞানিক ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে সংগঠনটোৱে। আজিৰ পৰিদৰ্শনৰ জৰিয়তে সংগ্ৰহ কৰা তথ্য আৰু পৰিস্থিতিৰ বাস্তৱ পৰ্যালোচনাৰ ভিত্তিত অসমৰ মুখ্যমন্ত্ৰী আৰু জলসম্পদ মন্ত্ৰীলৈ পুনৰ স্মাৰকপত্ৰ প্ৰেৰণ কৰি ডিব্ৰুগড়ৰ গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ দাবী জনাব বুলি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ নেতৃত্বই জানিবলৈ দিয়ে।

# জনীয়াত বৰপেটা জিলা সাৰ বিক্ৰেতা সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত

## কমিটি সাল-সলনি আৰু সাৰ বিক্ৰীৰ মূল্যক লৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

**অসম বাৰ্তা, জনীয়া, ১২ আগষ্ট ঃ** বৰপেটা জিলা সাৰ বিক্ৰেতা সন্থাৰ সাধাৰণ সভা ৯ আগষ্ট ৰবিবাৰে জনীয়া আঞ্চলিক গ্ৰাম উন্নয়ন পৰিষদত অনুষ্ঠিত। সন্থাৰ সভাপতি মোকাদ্দেছ আলীৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভা। সভাত পুৰণি কমিটি সাল-সলনি আৰু সাৰ বিক্ৰীৰ মূল্যক লৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। পুৰণি কমিটি সালসলনি কৰি মোকাদ্দেছ আলীক সভাপতি, হাসমত আলীক কাৰ্যকৰী সভাপতি আৰু সফিকুল হকক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া পূৰ্ণাংগ কাৰ্যকৰী কমিটি গঠন কৰে লগতে সাৰ বিক্ৰেতা সকলে নিৰ্ধাৰিত মূল্যত সাৰ বিক্ৰি কৰিব লাগিব বুলি মন্ত্ৰী পিযুষ হাজৰিকাই ঘোষণা কৰাৰ পিছতেই বৰপেটা জিলা সাৰ বিক্ৰেতা সন্থাই ডাঙৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া মূল্যত সাৰ যোগান ধৰাৰ সুবিধা নোপোৱালৈকে নতুনকৈ ইউৰিয়া সাৰ নোলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে সাৰ বিক্ৰেতা সকলে। চৰকাৰৰ নিৰ্ধাৰিত মূল্য অনুসৰি প্ৰতি বেগ ইউৰিয়া সাৰ ২৬৬ টকাত বিক্ৰী কৰিবলৈ সন্থাই সাজু। কিন্তু নতুনকৈ সাৰ ক্ৰয় কৰিবলৈ যাওঁতে ২৫৪ টকা, ২৪২ টকা আৰু ২৩৮ টকা পৰ্যন্ত মূল্যত ক্ৰয় কৰিব লগীয়া হয়। তাৰ উপৰিও লোডিং আৰু কেৰিংৰ নামত খৰচ বহন কৰিবলগীয়া হোৱাৰ লগতে অতিৰিক্ত টেগিং গ্ৰহণ কৰিবলগীয়া হয়। ফলত ২৬৬ টকাত বিক্ৰী কৰিলে বিক্ৰেতাসকল লোকচানৰ সন্মুখীন হ'ব লাগিব বুলি দাবী কৰে। কেৱল ইউৰিয়া সাৰেই নহয় ১৩৫০ টকাৰ ডিএপি সাৰ ডিলাৰ সকলৰ পৰা ২১৫০ টকাৰ পৰা ২২৫০ টকাত ক্ৰয় কৰিবলগীয়া হয় বুলি অভিযোগ উত্থাপন কৰে সন্থাৰ সভাপতি সম্পাদকে। সেয়ে চৰকাৰে এই সমস্যাৰ সমাধান নকৰালৈকে নতুনকৈ মাৰ্কেটিং ব'ৰ্ডৰ পৰা ইউৰিয়া সাৰ নলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে বৰপেটা জিলা সাৰ বিক্ৰেতা সন্থাই। অৱশ্যে বৰ্তমান ষ্টকত থকা সাৰ ২৬৬ টকাতে বিক্ৰী কৰা হ'ব বুলি জানিবলৈ দিয়াৰ লগতে অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক শীঘ্ৰে ইয়াৰ এটা যোগাত্মক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আহ্বান জনায় সন্থাৰ সভাপতি মোকাদ্দেছ আলী আৰু সাধাৰণ সম্পাদক সফিকুল হকে।

# ঐক্যবদ্ধ শিক্ষাকৰ্মী সন্থা গঠন

**অসম বাৰ্তা, পাথৰিঘাট, ১২ আগষ্ট ঃ** অসম সৰ্বশিক্ষাৰ অধীনত শিক্ষাকৰ্মী হিচাপে কাম কৰা প্ৰতিটো শিক্ষাকৰ্মী সন্থাৰ প্ৰতিনিধি বৰ্গৰ সৈতে যোৱা ৯ আগষ্ট ৰবিবাৰে গুৱাহাটী দিছপুৰ প্ৰেছ ক্লাৱত দিনৰ ১ বজাত এখনি গুৰত্বপূৰ্ণ সভা অনুষ্ঠিত হৈ যায়। সভাত প্ৰতিটো সন্থাৰ বিষয়ববীয়াৰ সহযোগত প্ৰতিটো সন্থা একত্ৰীকৰণ প্ৰস্তাৱেৰে পুৰণা সকলো সমিতি ভঙ্গ কৰি "ঐক্যবদ্ধ শিক্ষাকৰ্মী সন্থা অসম" নামেৰে নতুন পূৰ্ণাঙ্গ কেন্দ্ৰীয় সমিতি এখন গঠন কৰা হয়। নৱ গঠিত সমিতিখনত টংকেশ্বৰ ডেকাক (দৰং ) সভাপতি, আমজাদ আলীক (কামৰূপ) উপ সভাপতি, প্ৰফুল্ল চন্দ্ৰ ৰয়ক (গোৱালপাৰা) প্ৰশাসনীয় সম্পাদক, তৰুণ বিশ্বাস (তামোলপুৰ) আৰু নুৰজামাল আহমেদক (শোনিতপুৰ) সাধাৰণ সম্পাদক, সমীৰণ শইকীয়াক ( মাজুলী) সাংগঠনিক সম্পাদক মনোনীত কৰা সমিতি খনত মনোজ কুমাৰ নেৱাৰ (ওডালগুৰি), বিটিছ পেগু (লখিমপুৰ), মুকেশ পেগু ((ধেমাজি), বাহাৰুল ইচলাম (হাইলাকান্দ), মহিম চন্দ্ৰ দেউৰী (মৰিগাঁও), গোপাল কৃষ্ণ বৈষ্ণৱ (ধুবুৰী), দীপক বড়ো (বা'1), চহিদুল ইচলাম (মৰিগাঁও), আব্দুছ ছালামক (নগাঁও) সদস্য হিচাপে অন্তৰ্ভুক্ত কৰি পোন্ধৰজনীয়া ৰাজ্যিক সমিতি এখন গঠন কৰা হয়। উল্লেখ্য যে শিক্ষাকৰ্মী সকলৰ সমস্যা সমাধানৰ বাবে দীৰ্ঘদিন ধৰি চৰকাৰৰ ওচৰত দাবী জনাই আহিছে যদিও চৰকাৰে কোনো ধৰণৰ নিযুক্তি ব্যৱস্থা গ্ৰহণ নকৰাত সকলো সংগঠন একলগ হৈ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব বুলি কয় নৱ নিৰ্বাচিত সভাপতি টংকেশ্বৰ ডেকাই। আগন্তুক দিনত হবলগীয়া সকলো কাৰ্যসূচীত অসমৰ সকলো শিক্ষাকৰ্মীৰ পৰা সহায় সহযোগিতা কামনা কৰিছে সভাপতি গৰাকীয়ে।

# দিছপুৰৰ পানী মেঘালয়ৰ দোষ

সম্পূৰ্ণৰূপে আমাৰ নিজৰ ভুলৰ ফল। মালিগাঁৱত নলা বন্ধ কৰি দিয়াৰ বাবেই পানী জমা হৈছিল, কিন্তু ৰাইজে এই বিষয়ত সহযোগ কৰাত বৰ্তমান পৰিস্থিতি বহু পৰিমাণে উন্নতি লাভ কৰিছে। দিছপুৰৰ আশে-পাশে পানী জমাৰ মূল কাৰণ হৈছে মেঘালয়ৰ পৰা দ্ৰুতগতিত নামি অহা পানী, যিটো বিষয়ত উচ্চতম ন্যায়ালয়ে গঠন কৰা কমিটীয়ে ইতিমধ্যে এখন প্ৰতিবেদন প্ৰকাশ কৰিছে। সেই প্ৰতিবেদন অনুসৰি, যোৰাবাটত এখন সংৰক্ষিত বনাঞ্চল আছিল যাৰ অস্তিত্ব নোহোৱা কৰি দিয়া হৈছে, আৰু সেই বনাঞ্চল ধ্বংস কৰাৰ ফলত বৰষুণৰ পানী ৰখাৰ কোনো উপায় নাথাকিল। এতিয়া তাৰ পৰা নামি অহা পানীৰ ঢল ৰখোৱাটো সম্ভৱ নহয় বাবে ইয়াৰ স্থায়ী সমাধান মেঘালয়তে বিচাৰিব লাগিব, যাৰ বাবে বনাঞ্চলখন যিকোনো প্ৰকাৰে পুনৰুদ্ধাৰ কৰাটো জৰুৰী। এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত গোচৰ চলি থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে সোনকালে ইয়াৰ বাবে আবেদন জনোৱা হ'ব, আনহাতে কোনো কোনো সময়ত মানুহে ড্ৰেইনেজ আৰু পাম্পিঙৰ দৰে স্থানীয় ব্যৱস্থাৰ কথা কয় যদিও ই মূল সমাধান নহয়। মালিগাঁও অঞ্চললৈ আহিলে, মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এইবাৰ বৰষুণত উৰণ সেতুৰ তলত আটাইতকৈ বেছি পানী জমা হোৱা পৰিঘটনাটো পৰ্যবেক্ষণ কৰি দেখা গ'ল যে মালিগাঁৱৰ দোকান-পোহাৰ আৰু স্থানীয় ব্যৱসায়ীসকলে নলাত বিভিন্ন বস্তু পেলোৱাৰ বাবেই পানী নিষ্কাশন বন্ধ হৈ গৈছিল। তেওঁ লগতে কয় যে ৰাইজক লগত লৈ আলোচনা কৰি যেতিয়া নলা পৰিষ্কাৰ কৰাৰ কাম আৰম্ভ কৰা হয়, তেতিয়া ৰাইজেও উৎসাহেৰে সহযোগিতা আগবঢ়ায়, আৰু তাৰ ফলত বিগত দুটা বৰষুণত মালিগাঁও অঞ্চলত পানী জমা হোৱা নাই। ইয়াৰ পৰা স্পষ্ট যে গুৱাহাটীৰ কিছুমান স্থানীয় সমস্যা স্থানীয়ভাৱেই সমাধান কৰিব পাৰি, আৰু সকলো ক্ষেত্ৰতে মেঘালয়ক দোষ দি থকাটো সঠিক নহয়। তেওঁ কয় যে গুৱাহাটীৰ বানৰ সৈতে চৰকাৰে যুঁজি আছে আৰু যুঁজি থাকিব, কিন্তু নিজৰো কৰণীয় আছে বুলি স্বীকাৰ কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কুণ্ঠাবোধ নকৰে। মুখ্যমন্ত্ৰী শৰ্মাই স্বীকাৰ কৰে যে চৰকাৰৰ নিজৰ ভুলো বহু ঠাইত আছে, কাৰণ চৰকাৰে নিৰ্মাণ কৰা ড্ৰেইনসমূহৰ কেতিয়াবা পানী যোৱাৰ পৰিৱৰ্তে উভতি আহে, যাৰ মূল কাৰণ হৈছে ঠিকাদাৰসকলে নিৰ্মাণ কৰাৰ পিছত অভিযন্তাসকলে সঠিকভাৱে পৰিদৰ্শন নকৰা বাবে সেই ড্ৰেইনসমূহ ইফেক্টিভ নহয়। ইয়াৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ বাবে কেন্দ্ৰ চৰকাৰে অলপ পুঁজি অনুমোদন কৰিছে, ৰিং ৰোডৰ আঁচনিৰ অধীনত ড্ৰেইনেজৰ বাবে এতিয়ালৈকে ডেৰশ কোটি টকা ব্যৱহাৰ কৰা হৈছে যদিও চৰকাৰে অধিক পুঁজি বিচাৰিছে, আৰু আশা কৰা হৈছে যে অহা বছৰ ৰাষ্ট্ৰীয় ঘাইপথৰ অৱস্থা কিছু পৰিমাণে উন্নতি হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজক উদ্দেশ্যি আহ্বান জনায় যে গুৱাহাটীৰ কৃত্ৰিম বান সম্পূৰ্ণৰূপে নোহোৱা কৰিবলৈ এখন চিভিক আন্দোলনৰ প্ৰয়োজন আছে, কাৰণ নলাৰ পৰা উদ্ধাৰ হোৱা সামগ্ৰীবোৰ চৰকাৰে জমা নকৰে বাবে এইখিনি মানুহে নিজেই চাব লাগে। পাহাৰে ঘেৰা গুৱাহাটী মহানগৰীৰ বান সমস্যা সমাধান কৰিবলৈ চৰকাৰী পদক্ষেপৰ লগতে ৰাইজৰ নিজা সজাগতা আৰু দায়িত্ববোধো অতি জৰুৰী, তেতিয়াহে গুৱাহাটীৰ জীৱন ধাৰা স্বাভাৱিক হৈ থাকিব পাৰিব।

# আৰক্ষীৰ জিন্মাত থকা অভিযুক্তৰ

ৰোগৰ ঔষধ সেৱন কৰিছিল। ৰবিবাৰে নিশা ৰাজে প্ৰেছক্ৰিপশ্যন সহ চচ টাকৈ টেবলেট লৈ গৈছিল পিতৃ ৰুহুল আমিনক দিবৰ বাবে। কিন্তু বহু অনুৰোধৰ পাছত তাৰ পৰা মাত্ৰ দুটা টেবলেটহে সেৱন কৰোৱাৰ সুযোগ দিছিল। অসুস্থ অৱস্থাত মৃত্যুৰ আগত পিতৃয়ে মুৰৰ বাওফালে কষ্ট পোৱাৰ কথা কৈ গৈছে। ইফালে ৰুহুল আমিনৰ পত্নী তথা বৰবড়ী পঞ্চায়তৰ সভানেত্ৰী ফৰিদা খানমে সংবাদ মাধ্যমত অভিযোগ কৰি কয় যে - শনি বাৰে তেওঁৰ স্বামী ৰুহুল আমিনক লাহৰীঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ৰবিবাৰে আদালতত হাজিৰ কৰাই দুদিনত জিন্মাত লৈছিল। কিন্তু আৰক্ষীৰ জিন্মাত থকা অৱস্থাত পৰিয়ালৰ কোনো লোককে লগ কৰিব দিয়া নাছিল আৰক্ষীয়ে। তেওঁৰ স্বামী ৰুহুল আমিন উচ্চৰক্তচাপ, মধুমেহ, আৰু বহু কেইটা ৰোগত আক্ৰান্ত ৰোগী আছিল। ৰুহুল আমিনে নিয়মিত সেৱন কৰিছিল উচ্চৰক্ত চাপ, মধুমেহকে ধৰি বহু কেইটা ৰোগৰ দৰৱ। কিন্তু আৰক্ষীৰ জিন্মাত থকা অৱস্থাত বাৰম্বাৰ অনুৰোধ কৰা পাছতো আৰক্ষীয়ে পৰিয়ালৰ লোকক ঔষধ যোগান ধৰাৰ সুযোগো প্ৰদান কৰা নাছিল। এই ক্ষেত্ৰত ৰুহুলৰ পত্নীয়ে গোটেই ঘটনাটোৰ বাবে শীৰ্ষ আৰক্ষী বিষয়াৰ লগতে লাহৰীঘাট থানা আৰক্ষীক দোষাৰোপ কৰিছে। উল্লেখ্য যে লাহৰীঘাট অৰ্ধ সাপ্তাহিক বজাৰ স্থিত চৰকাৰী দোকান গৃহ অধিগ্ৰহণক লৈ দুটা ফৈদৰ মাজত যোৱা শনি বাৰে মুকলি সংঘাত হৈছিল। হজৰত আলী আৰু তেওঁৰ পুত্ৰ সবদুল আলীয়ে লাহৰীঘাট বজাৰ স্থিত ৬ - ৭éটা কোঠা থকা এটা মুকলি মাৰ্কেট ছেট অকলে দখল কৰি আছিল। জিলা পৰিষদৰ অধিনৰ চৰকাৰী পুঁজিৰে মুকলি মাৰ্কেটৰ জৰিয়তে ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ সুবিধাৰ বাবে নিৰ্মাণ কৰা বৃহৎ মাৰ্কেট ছেট টোত নীতিবহিৰ্ভুত ভাবে বেৰণ দি কোটি কোটি টকাৰ আলুৰ ব্যৱসায় কৰি আছিল। যাৰ বাবে সাধাৰণ ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ এই মাৰ্কেট ছেট সমূহৰ দ্বাৰা লাভান্বিত হৈছিল একাংশ পুঁজিপতি ব্যৱসায়ী। বৰবড়ী পঞ্চায়তৰ সভানেত্ৰী তথা মৃত ৰুহুলৰ পত্নী ফৰিদা খানমে কৰা অভিযোগ মতে বিগত সময়ত লাহৰিঘাট বজাৰৰ লেছি বিল্লা নামৰ লোক জনৰ নেতৃত্বত লাখ লাখ টকা লৈ এই পুঁজিপতি ব্যৱসায়ীসকলক সংস্থাপিত কৰিছিল। নিজা পঞ্চায়ত এলেকাৰ বজাৰ খনত চলা এনে অন্যায়ৰ বাবে সভানেত্ৰী ফৰিদাই লাহৰীঘাট উন্নয়ন খণ্ডৰ ভিডিঅৰ পৰামৰ্শ মতে চপ্ত জুলাইত লাহৰীঘাট থানাত লিখিত অভিযোগ দিছিল যদিও ব্যৱসায়ীসকলক উচ্ছেদ কৰাৰ ক্ষেত্ৰত কোনো সহযোগ পোৱা নাছিল। যাৰ বাবে তেওঁ নিজে বজাৰলৈ গৈ একাংশ ব্যৱসায়িক তেনে ঘৰ বোৰ এৰি দিবৰ বাবে কোৱাত কিছু সংখ্যকে মানি লয় যদিও হজৰত আলী আৰু সবদুল আলীয়ে ঘৰ এৰি দিবলৈ মান্তি হোৱা নাছিল। তদুপৰি ফৰিদাক তেওঁলোকে ৰাজহুৱা স্থানত অপদস্থ কৰিছিল। তেনে পৰিস্থিতিত তেওঁৰ স্বামী ৰুহুল আমিন ক্ষুব্ধ হৈ আগবাঢ়ি গৈছিল। তেতিয়াই দুই পক্ষৰ মাজত বাকযুদ্ধ হৈছিল। ফৰিদাৰ এনে অভিযোগৰ বিপৰীতে সবদুল আলীৰ পক্ষই অভিযোগ কৰে যে মৃত ৰুহুল আমিনে হাতত দা লৈ তেওঁলোকক আক্ৰমণৰ বাবে উদ্যত হৈছিল। যাৰ বাবে তেওঁলোকে আৰক্ষীক অভিযোগ দিছিল। একেদৰে ৰুহল আমিনৰ পত্নীয়ে কৰা অভিযোগ মতে হজৰতৰ পক্ষই অভিযোগ দিয়াৰ পূৰ্বেই ফৰিদাই হজৰত আলী ইজাহাৰুল, আজাহাৰুল মোটালেব, হাছিকুল আদিৰ বিৰুদ্ধে এজাহাৰ দিছিল। কিন্তু শনিবাৰে নিশা লাহৰীঘাট আৰক্ষীয়ে তেওঁলোকৰ দিয়া এজাহাৰক গুৰুত্ব নিদি পক্ষপাতিত্ব কৰি কেৱল ৰুহুল আমিনকহে গ্ৰেপ্তাৰ কৰে। ৰবিবাৰে ৰুহুল আমিনক আদালতত হাজিৰ কৰাই দুদিনৰ জিন্মাত লয় লাহৰীঘাট আৰক্ষীয়ে। আৰু যেতিয়া আৰক্ষীৰ জিন্মাত ৰহুল আমিন অসুস্থ হৈ সোমবাৰে চিকিৎসাধীন হৈ স্বাস্থ্যৰ বেয়াকৈ অৱনতি ঘটে তেতিয়া মঙ্গল বাৰে ততাতৈয়াকৈ লাহৰীঘাট আৰক্ষীয়ে হজৰত আলী আৰু সবদুল আলীক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। ইফালে মঙ্গলবাৰে নিশাই ৰুহুল আমিনৰ মৃত্যু হয়। আজি আবেলি বিভাগীয় নীতি অনুসৰি আৰক্ষীয়ে গুৱাহাটীতে ৰুহুল আমিনৰ মৃতদেহ পৰিয়ালৰ লোকক চমজি দিয়ে। আজি সন্ধ্যা সাত বজাত ৰুহুল আমিনৰ মৃতদেহ লাহৰিঘাট আহি পোৱাৰ পাছত লোকেলোকাৰণ্য হৈ পৰে ৰুহল আমিনৰ বাসগৃহ। জানিব পৰা মতে আজি নিশা ন বজাত ৰুহুল আমিনৰ জানাজা সম্পন্ন হয়। আৰক্ষীয়ে সম্ভাব্য পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি থানা চৌহদত কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰে যদিও অতি শান্তিপূৰ্ণ ভাৱে জানাজাত অংশগ্ৰহণৰ বাবে সমৱেত হৈছে ৰাইজ। সমগ্ৰ ঘটনাটোক লৈ অভিযোগ প্ৰতিঅভিযোগৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় লোকে ঘটনাটোৰ এক ন্যায়িক তদন্ত দাবী কৰিছে যদিও বৰ্তমানলৈ আৰক্ষীয়ে প্ৰতিক্ৰীয়া প্ৰকাশৰ পৰা বিৰত আছে।

# সীমান্তৰ অচলাৱস্থা দূৰ কৰিবলৈ

অতুল বৰাই। উল্লেখযোগ্য যে সোমবাৰে ধেমাজি জিলাৰ আন্তঃৰাজ্যিক সীমান্তত অৰুণাচলী দুৰ্বৃত্তই গুলীচালনা কৰাত অসমৰ কমেও ৰচজন লোক আহত হয়, যাৰ প্ৰতিক্ৰিয়াত খৱত্তন্ময়ে অৰুণাচল প্ৰদেশৰ বিৰুদ্ধে অনিৰ্দিষ্টকালীন অৰ্থনৈতিক অৱৰোধ আৰম্ভ কৰে। অসম চৰকাৰে এই পৰিস্থিতি সমাধানৰ বাবে আলোচনাৰ পথ বাছি লৈছে, যাতে সীমান্তৱৰ্তী অঞ্চলত শান্তি আৰু স্বাভাৱিকতা ঘূৰাই আনি দুয়ো ৰাজ্যৰ মাজত সৌহাৰঞ্জদ্যপূৰ্ণ সম্পৰ্ক বজাই ৰখা সম্ভৱ হয়।

# শীঘ্ৰেই সমাধান হ'ব অসম

প্ৰকাশ কৰে আৰু এই বিষয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত স্পষ্টভাৱে নিজৰ মতামত আগবঢ়ায়। ঘটনাটো অত্যন্ত দুখজনক বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অৰুণাচল প্ৰদেশৰ কিছুমান দুৰ্বৃত্তই সংঘটিত কৰা এই ঘটনা অতি গুৰুতৰ, আৰু ইয়াৰ সৈতে জড়িত সকলো দোষীক চিনাক্ত কৰি কঠোৰ শাস্তি বিহাৰ বাবে তেওঁ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীক বিশেষভাৱে অনুৰোধ জনায়। মুখ্যমন্ত্ৰী শৰ্মাই অসম-অৰুণাচল সীমান্ত বিবাদৰ বৰ্তমান অৱস্থা সম্পৰ্কে সংবাদমেলত বিশদভাৱে অৱগত কৰে যে আগতে মুঠ ৰচ্খন গাঁও অঞ্চলত সীমান্ত সম্পৰ্কীয় সংঘাত আছিল, যাৰ ভিতৰত ইতিমধ্যে ৭১খন গাঁৱৰ বিবাদ সম্পূৰ্ণৰূপে সমাধান কৰিবলৈ সক্ষম হৈছে, কিন্তু এতিয়াও ৫২খন গাঁও অঞ্চলত কিছুমান অমীমাংসিত বিবাদ বাকী আছে। উল্লেখযোগ্য যে যি অঞ্চলত বিবাদ সমাধান হৈ গৈছে, তাত কোনো প্ৰকাৰৰ সংঘাত সংঘটিত হোৱা নাই, কিন্তু কালি যিখন অঞ্চলত গুলীচালনাৰ ঘটনা ঘটিছে, সেয়া সম্পূৰ্ণৰূপে অমীমাংসিত অঞ্চল বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে। তেওঁ লগতে কয় যে পূৰ্বতে ৰচটা ডাঙৰ অঞ্চলত বিবাদ থকা স্থিতিৰ পৰা এতিয়া সেই সংখ্যা মাত্ৰ পাঁচটা অঞ্চললৈ হ্ৰাস পাইছে, যাৰ ফলত অতি সোনকালে সীমা বিবাদ সম্পূৰ্ণ সমাধানৰ সম্ভাৱনা দেখা গৈছে। এই পাঁচটা অমীমাংসিত অঞ্চলৰ সীমা সমস্যা সমাধানৰ বাবে অসম চৰকাৰে একোজন কেবিনেট মন্ত্ৰীৰ নেতৃত্বত আঞ্চলিক কমিটি পুনৰ সক্ৰিয় কৰিছে, আনহাতে অৰুণাচল প্ৰদেশৰো একেদৰে একোখন কমিটি আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিগত একৰ পৰা ডেৰ বছৰ ধৰি নিৰ্বাচনী কাৰ্যব্যস্ততাৰ বাবে এই কমিটিকেইখনে সক্ৰিয়ভাৱে কাম কৰিব পৰা নাছিল, কিন্তু বৰ্তমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে এই কমিটিকেইখন পুনৰ সক্ৰিয় কৰি সীমা সমস্যা সমাধানৰ বাবে উদ্যোগ লোৱাৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী শৰ্মাই আশা প্ৰকাশ কৰে যে অহা এবছৰৰ ভিতৰত এই বাকী থকা সীমা বিবাদসমূহ সম্পূৰ্ণৰূপে সমাধান কৰিব পৰা যাব, কাৰণ ইতিমধ্যে বহুতো অঞ্চলৰ সমস্যা সফলভাৱে মীমাংসা কৰা হৈছে। সীমান্ত সমস্যা সম্পৰ্কে মুখ্যমন্ত্ৰীগৰাকীয়ে অৰুণাচল প্ৰদেশৰ লগত সংঘাত নিবিচাৰে বুলি স্পষ্টভাৱে ঘোষণা কৰে আৰু সদৌ শেষত অৰুণাচলৰ মুখ্যমন্ত্ৰীক উদ্দেশ্যি আহ্বান জনায় যে কালিৰ গুলীচালনাৰ ঘটনাৰ সন্দৰ্ভত এখন স্বচ্ছ তদন্ত চলাওক আৰু ঘটনাত জড়িত দোষীসকলক চিনাক্ত কৰি উপযুক্ত শাস্তি বিহাৰ ব্যৱস্থা কৰক, যাৰ ফলত দুয়ো ৰাজ্যৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বজাই ৰখাৰ লগতে সীমান্তৱৰ্তী অঞ্চলবাসীৰ মাজত শান্তি আৰু নিৰাপত্তা সুস্থিৰ হৈ থাকিব।

# ক্ষতিপূৰণৰ বাবে কঠোৰ জৰীপ

চৰকাৰে ১৫ কোটি ৮৪ লাখ টকা মোকলাই দিছে আৰু মুখ্যমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰে যে ৰপ্ত আগষ্টৰ পিছতেই ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহ পাঠদানৰ উপযোগী কৰি তোলা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিক্ষাৰ্থী, অংগনৱাড়ী কেন্দ্ৰ আৰু নামঘৰসমূহৰ বাবে প্ৰদান কৰা আৰ্থিক সাহায্যৰো উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ইতিমধ্যে ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকলক ইউনিফৰ্মৰ লগতে এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে, আনহাতে ৪৯৪খন অংগনৱাড়ী কেন্দ্ৰৰ মেৰামতিৰ বাবে ২ লাখৰ পৰা আঢ়ৈ লাখ টকা পৰ্যন্ত আৱণ্টন কৰা হৈছে। অহা ২০ আগষ্টৰ পূৰ্বেই বানত ক্ষতিগ্ৰস্ত নামঘৰসমূহৰ বাবে ডেৰ লাখ টকাকৈ প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰোপৰি অৰুণোদয় যোজনাৰ জৰিয়তে চাৰি জিলাৰ ৪ লাখ পৰিয়ালক ২৫০০ টকাকৈ আগতে প্ৰদান কৰা হৈছিল, আৰু এতিয়ালৈকে ৬৪ হাজাৰ ৮৯১টা পৰিয়ালক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে, আনহাতে আৰু ৰ হাজাৰ চৰচটা পৰিয়ালক একে পৰিমাণৰ ধন প্ৰদানৰ প্ৰক্ৰিয়া চলি আছে। বানপানীৰ স্থায়ী ক্ষতি নিৰ্ণয় আৰু ক্ষতিপূৰণ প্ৰদানৰ বাবে ৰাজহ বিভাগে এখন প'ৰ্টেল তৈয়াৰ কৰিছে আৰু ৯ আগষ্টৰ পৰা বিশেষ জৰীপ আৰম্ভ কৰা হৈছে, য'ত ৯৬০ গৰাকী শিক্ষক নিয়োজিত হৈ আছে। ইতিমধ্যে ৮, ৩২৫টা পৰিয়ালৰ ক্ষতিৰ জৰীপ সম্পন্ন কৰা হৈছে, যাৰ আধাৰত ক্ষতিপূৰণৰ পৰিমাণ প্ৰায় ১৫০ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই স্পষ্ট কৰে যে ৩০ আগষ্টলৈ এই জৰীপ প্ৰক্ৰিয়া চলি থাকিব, তাৰ পিছত এখন খচৰা তালিকা প্ৰকাশ কৰা হ'ব আৰু ৰাইজৰ যদি কোনো অভাৱ-অভিযোগ থাকে, তেন্তে জনাব পাৰিব। জৰীপ প্ৰক্ৰিয়াক অধিক স্বচ্ছ কৰিবলৈ ৰ ছেপ্টেম্বৰৰ পৰা ১০ ছেপ্টেম্বৰলৈ প্ৰথম তালিকাৰ আধাৰত পুনৰ জৰীপ কৰা হ'ব, আৰু অৱশেষত ১৫ ছেপ্টেম্বৰত ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ দ্বাৰা চূড়ান্ত পৰীক্ষা কৰোৱা হ'ব, য'ত অন্য জিলাৰ বিষয়াসকলক নিয়োগ দিয়া হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৫০-৬০ হাজাৰ পৰিয়ালৰ ক্ষতিপূৰণৰ মুঠ পৰিমাণ ১০০০ কোটি টকাতকৈও অধিক হ'ব পাৰে আৰু ইতিমধ্যে প্ৰধানমন্ত্ৰীয়ে সম্পূৰ্ণ সহায়ৰ আশ্বাস দিছে, গতিকে কেৱল প্ৰকৃত ক্ষতিগ্ৰস্তসকলেহে যাতে ক্ষতিপূৰণ লাভ কৰে তাৰ বাবে এই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বানপানীৰ দীৰ্ঘম্যাদী সমাধান আৰু পুনৰ্বাসনৰ প্ৰসংগত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে নেপালীখুঁটি, কমলবস্তি, মাজগাঁও আদি অঞ্চলত ঘৰসমূহ শতকৰা ১০০ ভাগ ধ্বংস হোৱা বাবে চৰকাৰে ক্ষতিগ্ৰস্তসকলৰ বাবে বিশেষ 'মডেল হাউচিং' নিৰ্মাণৰ চিন্তা-চৰ্চা চলাই আছে। লগতে গো-ধন নষ্ট হোৱা অঞ্চলত নতুন গো-ধন প্ৰদান কৰি দুগ্ধ উৎপাদন কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা হাতত লোৱা হৈছে। ইফালে দিখৌ নৈৰ বান প্ৰতিৰোধৰ বাবে কাম আৰম্ভ কৰা হৈছে আৰু বহু নৈ-উপনৈৰ স্বাভাৱিক গতিপথ ঘূৰাই অনাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে, যাৰ ফলত জেৰেঙা পথাৰৰ পানী পূৰ্বৰ দৰে নাথাকিব। লগতে বানত মৃত্যু হোৱা লোকৰ পৰিয়ালক আগতে ৪ লাখ টকাৰ সলনি এতিয়া ৯ লাখ টকাকৈ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ প্ৰতি ৰাইজে দেখুওৱা অভূতপূৰ্ব সঁহাৰিৰ কথা উল্লেখ কৰি শৰ্মাই কয় যে ১০-২০ টকাৰ পৰা আৰম্ভ কৰি সাহায্য আগবঢ়োৱা ২৬, ২৬৭ গৰাকী ব্যক্তি আছে, আৰু এতিয়ালৈকে পুঁজিত ১৪২ কোটি টকা জমা হৈছে। প্ৰায় ৯০০ ব্যক্তিয়ে সাহায্য প্ৰদানৰ বাবে তেওঁৰ পৰা সময় বিচাৰিছে আৰু এই পুঁজিৰ যোগেদিয়েই 'মডেল হাউচিং' আঁচনি বাস্তবায়ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে। অসমৰ বান বিভীষিকাক ৰাষ্ট্ৰীয় পৰ্যায়ত দাঙি ধৰিবলৈ ফটো-ভিডিঅ' সংগ্ৰহ কৰি সকলো তথ্য যুগুত কৰি ৰখা হৈছে আৰু ১৫ ছেপ্টেম্বৰৰ পিছত ৰাষ্ট্ৰীয় সমাধান বিচাৰি উলিওৱাৰ বাবে সবিশেষ অৱগত কৰোৱা হ'ব। বীমা আৰু ঋণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চাৰি জিলাত কাৰ্যনিৰ্বাহ কৰা ২০টা বীমা কোম্পানীৰ ওচৰত এতিয়ালৈকে ৰ, ৭০৩জন ব্যক্তিয়ে ৯৯ কোটি টকাৰ বীমা দাবী দাখিল কৰিছে আৰু কোম্পানীসমূহে নিষ্পত্তি কৰাৰ বাবে প্ৰস্তুত হৈ আছে, গতিকে বাকী থকা লোকসকলে সোনকালে দাবী দাখিল কৰিবলৈ আহ্বান জনায়। আনহাতে জিলাকেইখনৰ ২, ২৭, ৯৯৩খন একাউণ্টৰ বিপৰীতে ঋণ মনেটৰিয়ামৰ বাবে এতিয়ালৈকে মাত্ৰ ৩১৯খন আবেদনহে প্ৰাপ্ত হৈছে যদিও ৩০ আগষ্টলৈকে আবেদন কৰাৰ সময়সীমা আছে। সংবাদমেলৰ সামৰণিত মুখ্যমন্ত্ৰী শৰ্মাই বানত ক্ষতিগ্ৰস্ত ৪৯৪টা অংগনৱাড়ী কেন্দ্ৰলৈ আনুষ্ঠানিকভাৱে আৰ্থিক সাহায্য আগবঢ়ায় আৰু ৰাইজৰ সহযোগিতাৰ লগতে স্বচ্ছতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আগন্তুক দিনবোৰৰ বাবে আশাবাদী বাণী প্ৰেৰণ কৰে।

# বিৰোধীয়ে আলোচনা বিচাৰে নে

বিৰোধী দলসমূহৰ সৈতে আলোচনা কৰিবলৈ সন্মত হৈছে। গণতন্ত্ৰত সকলো সমস্যাৰেই সমাধান আলোচনাৰ জৰিয়তে হয় বুলি বিশ্বাসী চৰকাৰে এই সিদ্ধান্ত লোৱাৰ লগে লগে লোকসভাৰ অধ্যক্ষ ওম বিৰলালৈ আলোচনাৰ বাবে সময় নিৰ্ধাৰণ কৰিবলৈ এখন পত্ৰ প্ৰেৰণ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে NEET পৰীক্ষাত হোৱা অনিয়মৰ বাবেই কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক পদত্যাগ কৰিবলৈ বাধ্য হৈছিল, আৰু তেওঁ পদত্যাগ কৰাৰ পিছতেই সংসদৰ মজিয়াত এই বিষয়টো আলোচনা কৰিবলৈ বিৰোধীসকলে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছিল। অৱশেষত এই দাবী গ্ৰহণ কৰি গৃহমন্ত্ৰী অমিত শ্বাহে সংসদত আলোচনা অনুষ্ঠিত কৰিবলৈ সন্মতি প্ৰদান কৰে। অমিত শ্বাহে লোকসভাৰ অধ্যক্ষক লিখা পত্ৰখনত উল্লেখ কৰে যে ব্যৱসায়িক পৰামৰ্শদাতা সমিতিৰ বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে চৰকাৰৰ হৈ NEET পৰীক্ষা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ সন্দৰ্ভত সংসদত আলোচনা কৰাত সন্মতি প্ৰকাশ কৰিছিল। ইয়াৰ পূৰ্বে চলিত অধিৱেশনত প্ৰশ্নকাকত ফাদিলৰ সংশোধনী বিধেয়ক সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছিল যদিও কোনো বিৰোধী সাংসদে সদনত NEET পৰীক্ষা সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰা নাছিল। তথাপি চৰকাৰে পুনৰ এই বিষয়ত বিস্তাৰিত আলোচনা কৰিবলৈ সাজু হৈ থকা বুলি অমিত শ্বাহে পত্ৰত স্পষ্ট কৰে। লগতে তেওঁ অধ্যক্ষক অনুৰোধ জনায় যে বিৰোধীৰ সৈতে আলোচনা কৰি পাৰস্পৰিক সন্মতি সাপেক্ষে আলোচনাৰ বাবে উপযুক্ত সময় আবণ্টন দিয়ক, কাৰণ চৰকাৰীপক্ষ নিৰ্ধাৰিত সময়ত সদনত উপস্থিত থাকি বিৰোধীৰ সকলো প্ৰশ্নৰ উত্তৰ দিবলৈ সম্পূৰ্ণৰূপে সাজু। ইয়াৰ পূৰ্বে সংবাদ মাধ্যমৰ সন্মুখত উপস্থিত হৈ অমিত শ্বাহে কৈছিল যে বিৰোধী দল সাজু হ'লে যিকোনো বিষয়তে আলোচনাৰ বাবে চৰকাৰ সদায় সাজু। তেওঁ বিৰোধীসকলক সমালোচনা কৰি কয় যে বিৰোধীয়ে সদনৰ ভিতৰত আলোচনা নিবিচাৰে যদিও চৰকাৰ সকলো প্ৰশ্নৰ উত্তৰ দিবলৈ প্ৰস্তুত। তেওঁ লগতে কয় যে আজি বিয়লি, বজাৰ পৰা কাইলৈ বিয়লি, বজালৈ সময় আছে, বিৰোধী সাজু হ'লে আলোচনা কৰিব পাৰে, কিন্তু এতিয়া বিৰোধীয়ে সিদ্ধান্ত ল'ব লাগিব যে তেওঁলোকে আলোচনা বিচাৰে নে কেৱল হুলস্থূল বিচাৰে। গৃহমন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ পিছতে চৰকাৰে আনুষ্ঠানিকভাৱে আলোচনাৰ বাবে পত্ৰ প্ৰেৰণ কৰাৰ ফলত NEET বিতৰ্কক লৈ সংসদীয় অধ্যক্ষই কি সিদ্ধান্ত গ্ৰহণ কৰে আৰু আলোচনা অনুষ্ঠিত হয় নে নহয়, সেই দিশলৈ এতিয়া সমগ্ৰ দেশৰ দৃষ্টি নিবদ্ধ হৈ পৰিছে।

# ১৫ আগষ্টত কয়লা-বালি-শিল

জানিবলৈ দি তেওঁ ৰাইজক এই অভিযানত অংশীদাৰ হ'বলৈ আহ্বান জনায়। অখিল গগৈয়ে লগতে কয় যে বানাক্ৰান্তসকলৰ সুবিধাৰ বাবে 'মিশ্যন আশ্ৰয়' নামৰ বিশেষ এপটো মুকলি কৰা হৈছে, যাৰ জৰিয়তে বানপীড়িতসকলে পোনপটীয়াকৈ প্ৰয়োজনীয় সামগ্ৰী বিচাৰি আবেদন কৰিব পাৰিব। এই এপটোৰ প্ৰথম পৰ্যায়ত ৰ হাজাৰ কেঁচা ঘৰ আৰু ১০০ পকীঘৰৰ বাবে আবেদন গ্ৰহণ কৰা হ'ব, লগতে শিশু খাদ্যৰ পৰা আৰম্ভ কৰি পশু খাদ্যও এই এপযোগে উপলব্ধ হ'ব। বানাক্ৰান্ত আৰু সাহায্য কৰোঁতাৰ মাজত পোনপটীয়া সম্পৰ্ক স্থাপনৰ বাবে এপটোৰ লগতে এখন ট্ৰ'ল-ফ্ৰী নম্বৰ (01169270089)Ý মুকলি কৰা হৈছে। বিধায়ক অখিল গগৈয়ে ঘোষণা কৰে যে অহা ৰপ্ত আগষ্টত শিৱসাগৰৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ত পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ এক অনশন কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। এই অনশনৰ জৰিয়তে তেওঁ তিনিটা মূল দাবী উত্থাপন কৰিব-প্ৰথমতে, ৰাজ্যৰ কয়লা-বালি-শিল খননৰ বিৰুদ্ধে স্বতন্ত্ৰ তদন্তৰ দাবী; দ্বিতীয়তে, উজনি অসমৰ প্ৰতিঘৰ ক্ষতিগ্ৰস্ত পৰিয়ালক ১০ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান; আৰু তৃতীয়তে, বান পৰিস্থিতিত চৰকাৰৰ লগতে স্থানীয় সাংসদ গৌৰৱ গগৈক তেওঁ তীক্ষ্ণ সমালোচনা কৰে যে তেওঁলোকে পৰ্যাপ্ত পদক্ষেপ লোৱা নাই। অখিল গগৈয়ে কয় যে ৰাইজে লিখিত অভিযোগ দিয়াৰ পিছতো চৰকাৰে বানপীঞ্জতিসকলৰ প্ৰতি সঠিক সঁহাৰি দিয়া নাই, সেয়েহে তেওঁ এই অনশনৰ পথ বাছি লৈছে। ইয়াৰ লগতে তেওঁ জানিবলৈ দিয়ে যে বানাক্ৰান্তসকলৰ সাহায্যৰ বাবে মুকলি কৰা এপটোৰ জৰিয়তে যিকোনো ইচ্ছুক ব্যক্তি বা সংস্থাই পোনে পোনে বানপীড়ীতক সহায় কৰিব পাৰিব, যাৰ ফলত সাহায্য বিতৰণ প্ৰক্ৰিয়াত স্বচ্ছতা আৰু দ্ৰুততা আহিব। অখিল গগৈৰ এই পদক্ষেপক লৈ শিৱসাগৰ অঞ্চলত ব্যাপক সঁহাৰি লক্ষ্য কৰা গৈছে, আৰু ৰপ্ত আগষ্টৰ অনশন কাৰ্যসূচীটোৱে ৰাজ্যৰ ৰাজনৈতিক মহলত নিশ্চয়ভাৱে নতুন আলোড়ন সৃষ্টি কৰিব বুলি ধাৰণা কৰা হৈছে।

# গোগামুখৰ গুলীচালনাক লৈ উদ্বিগ্ন

হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ পৰিস্থিতি নিৰীক্ষণৰ বাবে স্থানীয় মিচিং নেতা তথা বিধায়ক ডাঃ ৰণোজ পেগুক দায়িত্ব প্ৰদান কৰে। আজি পুৱা অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে ডাঃ পেগুক ফোন কৰি ঘটনাটোৰ সঠিক আৰু নিৰপেক্ষ তদন্ত কৰাৰ লগতে দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে বুলি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এক ছ'চিয়েল মিডিয়া পোষ্টযোগে জানিবলৈ দিয়ে। মন্ত্ৰী ডাঃ পেগুৱে লগতে কয় যে দুয়োজন নেতাই অসম-অৰুণাচল সীমান্তৰ বাকী থকা সমস্যাসমূহ সমাধানৰ বাবে যুটীয়া আঞ্চলিক সমিতিৰ জৰিয়তে আলোচনা পুনৰ আৰম্ভ কৰাৰ বিষয়েও আলোচনা কৰে। তেওঁ পেমা খাণ্ডুক জনায় যে অসম কেবিনেটে মঙলবাৰে অনুষ্ঠিত বৈঠকত নতুন মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসম্বলিত আঞ্চলিক সমিতিসমূহ পুনৰ গঠন কৰিছে, যাৰ লক্ষ্য সীমান্তৱৰ্তী অঞ্চলত শান্তি, সম্প্ৰীতি আৰু পাৰস্পৰিক সন্মান বজাই ৰখা। দুয়ো নেতাই পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতাৰ মনোভাৱেৰে আলোচনা অব্যাহত ৰখাৰ গুৰুত্বৰ ওপৰত সহমত পোষণ কৰে, যাতে চুবুৰীয়া ৰাজ্য দুখনৰ জনসাধাৰণৰ মাজত থকা আন্তৰিক সম্পৰ্ক যাতে বিঘ্নিত নহয়, তাৰ বাবে সকলোকে আহ্বান জনায়।

# দুৰ্বল প্ৰধানমন্ত্ৰীয়ে স্বাৰ্থৰ বিনিময়ত

গান্ধীয়ে কয় যে দেশৰ স্বাৰ্থৰ সৈতে আপোচ কৰা এগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰতবৰ্ষৰ স্বাৰ্থ বিক্ৰী কৰিবলৈ বাধ্য হৈছে, আৰু ইয়াৰ বাবে দেশখন বহু গধুৰ মূল্য ভৰিব লগা হৈছে। তেওঁ এক সংবাদ মাধ্যমৰ প্ৰতিবেদনৰ স্ক্ৰীনশ্বট শ্বেয়াৰ কৰি লিখে যে জনতাৰ চক্ষুত এই বিষয়টো গুৰুত্বপূৰ্ণভাৱে চলি থকা বুলি অভিযোগ তোলে। ৰাহুল গান্ধীৰ এই মন্তব্যৰ পিছতে দেশৰ ৰাজনৈতিক মহলত তুমুল আলোড়ন সৃষ্টি হয়। উল্লেখযোগ্য যে সোমবাৰে নিউয়ৰ্কৰ পূব জিলাৰ আমেৰিকাৰ জিলা ন্যায়াধীশ নিকোলাছ গাৰাউফিছে গৌতম আদানী, সাগৰ আদানী আৰু আদানী গ্ৰীণ এনাৰ্জীৰ প্ৰাক্তন মুৰব্বী বিনীত জৈনৰ বিৰুদ্ধে থকা গোচৰ খাৰিজ কৰাৰ ক্ষেত্ৰত আমেৰিকাৰ ন্যায় বিভাগৰ প্ৰস্তাৱ মঞ্জুৰ কৰে। ৪৭ পৃষ্ঠাৰ নিৰ্দেশত ন্যায়াধীশ গাৰাউফিছে 'নিয়ম 48(ßÁ)'ৰ অধীনত দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ গোচৰ স্থায়ীভাৱে প্ৰত্যাহাৰ কৰে, যাৰ অৰ্থ হৈছে যে এই অভিযোগসমূহ পুনৰ আদালতত দাখিল কৰিব নোৱাৰিব। এই সিদ্ধান্তই প্ৰায় দুবছৰ ধৰি আদানী গোটৰ বাবে আইনী জটিলতাৰ সৃষ্টি কৰি অহা এক বৃহৎ প্ৰত্যাহ্বানৰ অন্ত পেলায়। আদালতৰ এই নিৰ্দেশনাক স্বাগতম জনাই গৌতম আদানীয়ে কয় যে তেওঁলোকে ন্যায়িক প্ৰক্ৰিয়াৰ প্ৰতি বিনম্ৰতা আৰু গভীৰ সন্মান সহকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে, আৰু এই প্ৰত্যাহ্বানমূলক সময়ছোৱাতো সত্য, ন্যায় আৰু আইনৰ শাসনৰ প্ৰতি থকা বিশ্বাস অটুট থাকিল। তাৰ পিছতো আমেৰিকাৰ ন্যায়াধীশ গাৰাউফিছে 'কাউণ্ট ৱান' শচবিদেশী দুৰ্নীতিগ্ৰস্ত প্ৰথা আইন উলংঘাৰ অভিযোগ) আৰু 'কাউণ্ট ফাইভ' (ন্যায়ত বাধাৰ সৃষ্টি কৰাৰ অভিযোগ)ৰ ওপৰত ৰায় সংৰক্ষিত ৰাখিছে, কাৰণ এই দুয়োটা গোচৰত ভাৰতৰ পাঁচজন অভিযুক্ত-ৰঞ্জিত গুপ্তা, চাইৰিল কেবানেছ, সৌৰভ আগৰৱাল, দীপক মালহোত্ৰা আৰু ৰূপেশ আগৰৱাল-আদালতত হাজিৰ হোৱা নাই। ন্যায় বিভাগে আদালতৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ৩১ আগষ্টলৈ সময়সীমা বান্ধি দিছে, আৰু এই তাৰিখৰ ভিতৰতে অভিযুক্তসকলৰ অধিবক্তাই নিজৰ ক্লায়েণ্টৰ উপস্থিতি নিশ্চিত কৰিব লাগিব। ন্যায়াধীশ গাৰাউফিছে স্পষ্ট কৰে যে এই গোচৰ খাৰিজ কৰাটো অভিযুক্তৰ কৰ্তৃত্বৰ ব্যৱহাৰ নহয়, আৰু চৰকাৰৰ এই পদক্ষেপক আদালতে সন্মতি দিয়াৰ ইংগিত বা গোচৰৰ প্ৰকৃত তথ্যৰ ওপৰত মতামত হিচাপে ব্যাখ্যা কৰা উচিত নহয়। আমেৰিকাৰ ন্যায় বিভাগে কিয় এই গোচৰ খাৰিজ কৰিব বিচাৰিছিল-তাৰ উত্তৰত মে' মাহত বিভাগটোৱে জনাইছিল যে বিস্তৃত পৰ্যালোচনাৰ অন্তত এই অভিযোগ খাৰিজ কৰিবলৈ অনুৰোধ কৰা হৈছে, কাৰণ ন্যায়িক আৰু প্ৰমাণৰ প্ৰত্যাহ্বান, অভিযোগ কৰা আচৰণ প্ৰধানকৈ ভাৰতীয় প্ৰকৃতিৰ, ভাৰতীয় কৰ্তৃপক্ষই বিষয়টোৰ ওপৰত তদাৰক কৰা আৰু চিনাক্তকৃত বিনিয়োগকাৰীৰ লোকচানৰ অনুপস্থিতি উল্লেখযোগ্য কাৰণ। লগতে বিভাগটোৱে কয় যে এই বিষয়টো আগবঢ়াই নিয়াটো এতিয়া ইয়াৰ অগ্ৰাধিকাৰৰ ভিতৰত নাই, কাৰণ এই গোচৰটো বাইডেন প্ৰশাসনৰ কাৰ্যকালৰ অন্তিম সপ্তাহকেইটাত ৰাজহুৱা কৰা হৈছিল, যাৰ বিচাৰত উপনীত হোৱাৰ সম্ভাৱনা কম আৰু ই ৰাজনৈতিকভাৱে উদ্দেশ্য প্ৰণোদিত সুনাম কলংকিত কৰাৰ প্ৰচেষ্টা যেনহে লাগিছিল। আদানী গোটে এই অভিযোগসমূহ ধাৰাবাহিকভাৱে অস্বীকাৰ কৰি আইন অনুসৰিয়েই কাম কৰা বুলি দাবী কৰি আহিছে। এই পটভূমিত ৰাহুল গান্ধীৰ সমালোচনাই আদানী-মোদী সম্পৰ্কক লৈ পুনৰ ৰাজনৈতিক বিতৰ্কৰ সূচনা কৰিছে।

# ছামছুদ্দিন আহমেদলৈ আজান পীৰ

ধৰি বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক চৰকাৰে এই বঁটাসমূহ প্ৰদান কৰি থকাৰ লগতে তেওঁলোকৰ অমূল্য বৰঙনিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত স্বীকৃতি প্ৰদান কৰে। ঘোষিত বঁটাসমূহৰ ভিতৰত আছে প্ৰতি তিনি বছৰৰ মূৰে মূৰে প্ৰদান কৰা আজান পীৰ ৰাষ্ট্ৰীয় বঁটা, একে সময়ৰ ব্যৱধানত আগবঢ়োৱা ৰাজ্যিক পৰ্যায়ৰ সতী সাধনী বঁটা আৰু বাৰ্ষিক বিষ্ণু ৰাভা বঁটা। এই বঁটাসমূহে অসমৰ সাংস্কৃতিক জগতখনলৈ অৱদান আগবঢ়োৱা নমস্য ব্যক্তিসকলক চৰকাৰীভাৱে সম্বৰ্ধনা জনাই আহিছে। বঁটা প্ৰাপকসকলৰ ভিতৰত গোলাঘাট জিলাৰ নাহৰণি কুৰিঘৰীয়াৰ বাসিন্দা আৰু জিকিৰ আৰু জাৰি গীতৰ জগতৰ খ্যাতনামা শিল্পী ছামছুদ্দিন আহমেদক চঞ্চচপ্ত বৰ্ষৰ আজান পীৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। এই বঁটা প্ৰতি তিনি বছৰৰ মূৰে মূৰে প্ৰদান কৰা হয় আৰু ইয়াৰ লগত, লাখ টকাৰ আৰ্থিক সন্মান সংযুক্ত হৈ থাকে। আনহাতে, তেজপুৰৰ নিবাসী বিশিষ্ট লেখিকা গীতা উপাধ্যায়ক ২০২৬ বৰ্ষৰ বাবে সতী সাধনী বঁটা প্ৰদান কৰা হ'ব, যিটো ৰাজ্যিক পৰ্যায়ৰ বঁটা আৰু ইয়াৰ লগত চ লাখ টকা আগবঢ়োৱা হয়। একেদৰে এই বৰ্ষৰ বিষ্ণু ৰাভা বঁটা লাভ কৰিব মাজুলীৰ সত্ৰীয়া শিল্পী তথা সাধক মাণিক বৰবায়ন আৰু গোৱালপাৰাৰ জ্যেষ্ঠ চিত্ৰশিল্পী মধুসূদন দাসে, যিসকলক প্ৰত্যেককে চ লাখ টকাকৈ প্ৰদান কৰা হ'ব। এই বঁটাসমূহ মূলতঃ সাংস্কৃতিক জগতখনলৈ অসমীয়া চিন্তা-ভাৱনা আৰু কৰ্মৰাজিৰ মাধ্যমেৰে অৱদান আগবঢ়োৱা ব্যক্তিসকলক স্বীকৃতি দিবলৈ প্ৰদান কৰা হয়। মন্ত্ৰী বিমল বড়াই জনতা ভৱনত অনুষ্ঠিত সংবাদমেলত উল্লেখ কৰে যে অহা ২০ জুনত মহানগৰী গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰস্থিত শ্ৰীশ্ৰী দামোদৰদেৱ প্ৰেক্ষাগৃহত অসম চৰকাৰৰ উদ্যোগত কলাগুৰু বিষ্ণু ৰাভা দিৱস উপলক্ষে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে, য'ত এই বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। এই অনুষ্ঠানৰ মাধ্যমেৰে অসমৰ সাংস্কৃতিক পৰম্পৰাক সমৃদ্ধিশালী কৰি তোলা এই বিশিষ্ট ব্যক্তিসকলক সন্মান জনোৱাৰ লগতে নতুন প্ৰজন্মক সাংস্কৃতিক চেতনাৰে উদ্বুদ্ধ কৰিবলৈও চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে। অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ এই উদ্যোগে ৰাজ্যৰ শিল্প-সংস্কৃতিৰ বিভিন্ন শাখাত অৱদান আগবঢ়োৱা ব্যক্তিসকলক উপযুক্ত সন্মান প্ৰদান কৰি অসমীয়া সমাজৰ সাংস্কৃতিক চেতনাক অধিক গভীৰতা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# আদালতৰ নিৰ্দেশ অমান্য কৰি

ৰুজু হোৱাৰ লগতে কাইলৈ শ্যামকানু মহন্ত, অমৃতপ্ৰভা আৰু সন্দীপন গাৰ্গৰ গুৰুত্বপূৰ্ণ শুনানি অনুষ্ঠিত হ'বলৈ ওলাইছে। আদালতৰ নিৰ্দেশ অমান্য কৰি ছীল কৰা 'মহাবীৰ একুৱা' খোলা বাবেই সিদ্ধাৰ্থ শৰ্মা এতিয়া নতুন আইনী বিপদত পৰিছে, কাৰণ 'মহাবীৰ একুৱা'ৰ গৰাকী হৈছে সিদ্ধাৰ্থ শৰ্মা নিজেই। চৰকাৰী অধিবক্তাই দাখিল কৰা আবেদনৰ ভিত্তিতে বিশেষ ফাষ্টট্ৰেক আদালতত এই অৱমাননা গোচৰটো ৰুজু কৰা হৈছে, আৰু অহা ১৮ আগষ্টত আদালতে এই গোচৰৰ শুনানি গ্ৰহণ কৰিব। ইপিনে, মূল হত্যাকাণ্ড গোচৰৰ বিচাৰ প্ৰক্ৰিয়া সাক্ষ্যদানৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়ত উপনীত হৈছে। ছেপ্টেম্বৰ মাহৰ শেষভাগলৈ ছিংগাপুৰত বসবাস কৰা ৰৰ গৰাকী প্ৰবাসী অসমীয়াই গোচৰত সাক্ষ্য দিবলৈ আদালতত উপস্থিত হ'ব লাগিব। এই সাক্ষীসকলৰ বক্তব্য গোচৰটোৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে কাৰণ তেওঁলোকৰ সাক্ষ্যই ঘটনাৰ আঁৰৰ বহু দিশ স্পষ্ট কৰিব পাৰে, আৰু ইতিমধ্যে তেওঁলোকক সাক্ষ্যদানৰ বাবে আৱশ্যকীয় সকলো প্ৰক্ৰিয়া আদালতে সম্পন্ন কৰিছে। আনহাতে, কাইলৈ অৰ্থাৎ বৃহস্পতিবাৰে আদালতত শ্যামকানু মহন্তৰ বিশেষ আবেদনৰ শুনানি অনুষ্ঠিত হ'ব, য'ত গোচৰটোৰ পৰা ৰেহাই বিচাৰি তেওঁ দাখিল কৰা আবেদনৰ ওপৰত আদালতে শুনানি গ্ৰহণ কৰিব। একে দিনাই অমৃতপ্ৰভা আৰু সন্দীপন গাৰ্গৰ জামিন আবেদনৰো শুনানি আছে, যাৰ ফলত কাইলৈৰ শুনানিক লৈ গোচৰটোৰ সৈতে জড়িত সকলো পক্ষই বিশেষ গুৰুত্ব প্ৰদান কৰিছে। শ্যামকানুৰ ৰেহাইৰ আবেদন আৰু দুয়োজন অভিযুক্তৰ জামিন আবেদনৰ বিষয়ে আদালতে কি সিদ্ধান্ত লয়, সেই দিশটোৱে গোচৰৰ ভৱিষ্যত গতি নিৰ্ধাৰণ কৰিব বুলি আশা কৰা হৈছে। গতিকে গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়াৰ এই পৰ্বটো অতি স্পৰ্ধাপূৰ্ণ হৈ পৰিছে, য'ত অভিযুক্তসকলৰ আইনী সংগ্ৰাম একাধিক ফ্ৰণ্টত চলি আছে।

# BTR চুক্তি দ্ৰুত ৰূপায়ণ আৰু বান সমস্যা

ৰংগৌৰা নাৰ্জাৰী আৰু লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰী উপস্থিত থাকে। তিনিগৰাকী সাংসদে প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে বহুতো গুৰুত্বপূৰ্ণ বিষয়ত মত বিনিময় কৰে, যাৰ ভিতৰত প্ৰধানমন্ত্ৰীৰ নিৰ্দেশনাতে ২০২০ চনত স্বাক্ষৰিত বি.টি.আৰ. (BTR) চুক্তিৰ সকলো দফা খৰতকীয়াভাৱে ৰূপায়ণ কৰাটো প্ৰাথমিক আলোচ্য বিষয় আছিল। প্ৰতিনিধি দলটোৱে বৰ্তমানৰ বি.টি.চি. (বি.টি.আৰ.)ক অধিক শক্তিশালী আৰু সক্ষম কৰি তোলাৰ উদ্দেশ্যে সংবিধানৰ ষষ্ঠ অনুসূচী আৰু ২৮০ নং অনুচ্ছেদৰ ১২৫ সংখ্যক সংশোধনী বিধেয়কখন গৃহীত কৰিবলৈ প্ৰধানমন্ত্ৰীৰ ওচৰত আহ্বান জনায়। এই সংশোধনী বিধেয়ক গৃহীত হ'লে বি.টি.আৰ. অঞ্চলসমূহৰ প্ৰশাসনিক আৰু আৰ্থিক অধিকাৰসমূহ অধিক সুসংহত হোৱাৰ লগতে অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ বাট মুকলি হ'ব বুলি সাংসদসকলে মত প্ৰকাশ কৰে। আলোচনাৰ আন এক গুৰুত্বপূৰ্ণ দিশ আছিল ভুটানৰ পৰা অহা বিভিন্ন নদী-উপনদীসমূহৰ বাবে বি.টি.আৰ. অঞ্চলত সৃষ্টি হোৱা বানপানী আৰু খহনীয়াৰ সমস্যা। এই প্ৰসংগত প্ৰতিনিধি দলটোৱে উজনি অসমৰ বানপীড়িত জিলাসমূহৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰীৰ ওচৰত অনুৰোধ জনায়, যাতে এই অঞ্চলসমূহৰ জনসাধাৰণে বানপানীৰ দীৰ্ঘম্যাদী প্ৰভাৱৰ পৰা পৰিত্ৰাণ পাব পাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰতিনিধি দলটোৰ মতামত মনোযোগেৰে শুনে আৰু বি.টি.আৰ. চুক্তিৰ ৰূপায়ণ আৰু বান সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ বিষয়ে আশ্বাস প্ৰদান কৰে। এই সাক্ষাতে বি.টি.আৰ. অঞ্চলৰ উন্নয়ন আৰু অসমৰ বানপীড়িত অঞ্চলসমূহৰ পুনৰুদ্ধাৰৰ বাবে এখন নতুন দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে।

# ৭২ গৰাকী ইউটিউবাৰৰ পুঁজি সংগ্ৰহৰ

কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই সংবাদমেলত কয় যে চৰকাৰে মূলতঃ বান সাহায্যৰ নাম লৈ সংগ্ৰহ কৰা অনুদান বানাক্ৰান্ত অঞ্চলসমূহত সঠিকভাৱে ব্যৱহৃত হৈছে নে নাই, সেই দিশটো পোনপটীয়াকৈ প্ৰত্যক্ষ কৰিব, যাতে কোনো ধৰণৰ বিত্তীয় অনিয়ম বা অস্বচ্ছতাৰ সৃষ্টি নহয়। তেওঁ লগতে স্পষ্ট কৰে যে চৰকাৰৰ উদ্দেশ্য কোনো ইউটিউবাৰ বা ব্যক্তিক নিৰ্যাতন চলোৱা নহয়; বৰঞ্চ যিসকল ইউটিউবাৰে সঁচাকৈয়ে নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰি সংগৃহীত পুঁজি প্ৰকৃত আৰ্তজনৰ ওচৰলৈ প্ৰেৰণ কৰিছে, তেওঁলোকক চৰকাৰৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰে। ইয়াৰ লগতে তেওঁ কয় যে যিসকলে বান সাহায্য সংগ্ৰহ কৰি ভাল কাম কৰিছে, চৰকাৰে তেওঁলোকক গামোচা পিন্ধাই সন্মান জনাবলৈও সিদ্ধান্ত লৈছে।

# ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে অনুষ্ঠিত হস্তশিল্প সজাগতা কাৰ্যসূচীৰ সফল সামৰণি

**অসম বাৰ্তা, ৰহা, ১২ আগষ্ট ঃ** ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে হস্তশিল্প বিভাগৰ উদ্যোগত আজি ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হস্তশিল্প সজাগতা কাৰ্যসূচী আজি সামৰণি পৰে। পৰম্পৰাগত হস্তশিল্প আৰু শিল্পকলাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰাৰ লগতে অসমৰ চহকী শিল্প-সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰৰ উদ্দেশ্যে এই কাৰ্যসূচী আয়োজন কৰা হয়। অনুষ্ঠানত হস্তশিল্প বিভাগৰ সহকাৰী সঞ্চালক শশীকান্ত গুপ্তা, বিশিষ্ট বাঁহশিল্পী তথা "বেম্বু মেন" মুকেশ শইকীয়া, শিল্পী নন্দিতা পাটৰ, ভাস্কৰ্য শিল্পী ৰাজীৱ শইকীয়া, জয়ন্ত দাস, ৰূপজ্যোতি ডেকা, ৰঞ্জন শইকীয়া, ৰাষ্ট্ৰীয় বঁটা বিজয়ী চাবিনা তেৰনপী আৰু বিশিষ্ট শিল্পী চচিকলা হানচেপি উপস্থিত থাকি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত অংশগ্ৰহণকাৰী সকলে বিভিন্ন পৰম্পৰাগত শিল্প আৰু হস্তশিল্পৰ প্ৰদৰ্শন কৰে। উপস্থিত শিল্পী আৰু হস্তশিল্পীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত বিভিন্ন শিল্পকলাৰ প্ৰদৰ্শন প্ৰদান কৰাৰ লগতে পৰম্পৰাগত শিল্পকলাৰ গুৰুত্ব, সংৰক্ষণ, বিকাশ আৰু হস্তশিল্পৰ জৰিয়তে আত্মনিৰ্ভৰশীলতাৰ সম্ভাৱনাৰ বিষয়ে সজাগতামূলক বক্তব্য আগবঢ়ায়। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰম্পৰাগত হস্তশিল্পৰ বিষয়ে প্ৰত্যক্ষ জ্ঞান আৰু আগ্ৰহ সৃষ্টি কৰাটোৱেই এই কাৰ্যসূচীৰ অন্যতম মূল উদ্দেশ্য আছিল। শিল্পীসকলে নিজৰ অভিজ্ঞতা আৰু দক্ষতাৰ জৰিয়তে বিভিন্ন শিল্পকৰ্মৰ প্ৰক্ৰিয়া প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলক পৰম্পৰাগত শিল্পকলাৰ সৈতে পৰিচিত কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলেও উৎসাহ-উদ্দীপনাৰে অংশগ্ৰহণ কৰে। হস্তশিল্প আৰু শিল্পকলাক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত চৰকাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনে কাৰ্যসূচীৰ জৰিয়তে স্থানীয় শিল্পী আৰু হস্তশিল্পীসকলৰ দক্ষতা আৰু সৃষ্টিশীলতা ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত তুলি ধৰাৰ লগতে পৰম্পৰাগত শিল্পকলাৰ প্ৰতি নতুন প্ৰজন্মক উৎসাহিত কৰাৰ এক ইতিবাচক পৰিৱেশ সৃষ্টি হয়।

## জিলা গ্ৰাহক বিবাদ নিষ্পত্তি আয়োগ গঠনৰ বাবে উপায়ুক্তলৈ আবেদন

# মাজুলীত 'গ্ৰাহক সুৰক্ষা আদালত' স্থাপনৰ দাবী

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** মাজুলীত জিলা পৰ্যায়ত গ্ৰাহক সুৰক্ষা আদালত তথা জিলা গ্ৰাহক বিবাদ নিষ্পত্তি আয়োগ (District Consumer Disputes Redressal Commission) স্থাপনৰ দাবী উত্থাপন হৈছে। এই সন্দৰ্ভত মাজুলী জিলা উপায়ুক্তলৈ এখন আবেদন দাখিল কৰি গ্ৰাহকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আহ্বান জনোৱা হৈছে। মাজুলী জিলাৰ সৰ্বসাধাৰণ ৰাইজৰ হৈ দাখিল কৰা আবেদনখনত উল্লেখ কৰা অনুসৰি, বৰ্তমান সময়ত গ্ৰাহকসকলে দৈনন্দিন জীৱনত বিভিন্ন ধৰণৰ সামগ্ৰী আৰু সেৱাৰ সৈতে জড়িত হৈ পৰিছে। অনলাইন ক্ৰয়-বিক্ৰয়, বীমা, বেংকিং, মোবাইল-ইণ্টাৰনেট সেৱা, নিৰ্মাণ সামগ্ৰী, সেৱা ক্ৰয় আদিৰ ক্ষেত্ৰত গ্ৰাহকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। কিন্তু কোনো গ্ৰাহকৰ অধিকাৰ উলংঘন হ'লে বা সামগ্ৰী-সেৱাক লৈ বিবাদৰ সৃষ্টি হ'লে মাজুলীৰ পৰা দূৰৱৰ্তী স্থানলৈ গৈ অভিযোগ নিষ্পত্তি কৰিবলগীয়া হোৱাৰ ফলত বহু গ্ৰাহকে সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় বুলি আবেদনখনত উল্লেখ কৰা হৈছে। আবেদনখনত কোৱা হৈছে যে, গ্ৰাহক সুৰক্ষা আইন, ২০১৯ অনুসৰি গ্ৰাহকৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে গ্ৰাহক-বিবাদৰ সহজ আৰু ক্ষিপ্ৰ নিষ্পত্তিৰ ব্যৱস্থা থকাৰ প্ৰয়োজন। বিশেষকৈ মাজুলীৰ দৰে ভৌগোলিকভাৱে বিচ্ছিন্ন অঞ্চলত জিলা পৰ্যায়ত গ্ৰাহক বিবাদ নিষ্পত্তিৰ ব্যৱস্থা নথকাত সাধাৰণ গ্ৰাহকে সময়, শ্ৰম আৰু অৰ্থ ব্যয় কৰিবলগীয়া হয়। আবেদনকাৰীসকলৰ মতে, মাজুলীত গ্ৰাহক সুৰক্ষা আদালত স্থাপন হ'লে বহু ক্ষেত্ৰত সাধাৰণ ৰাইজ উপকৃত হ'ব তাৰ ভিতৰত- জিলাখনৰ গ্ৰাহকসকলে সহজে আৰু কম খৰচতে ন্যায় লাভ কৰিব পাৰিব। গ্ৰাহকৰ অধিকাৰ অধিক সুৰক্ষিত হ'ব। গ্ৰাহক-বিবাদৰ ক্ষিপ্ৰ নিষ্পত্তিৰ সুযোগ সৃষ্টি হ'ব। গ্ৰাহকৰ মাজত আইনী সজাগতা বৃদ্ধি পাব আৰু ন্যায়িক তথা প্ৰশাসনিক সেৱা গ্ৰহণৰ ক্ষেত্ৰত দুৰ্গম অঞ্চলৰ সাধাৰণ ৰাইজ উপকৃত হ'ব। আবেদনখনত লগতে উল্লেখ কৰা হৈছে যে মাজুলীৰ সৰ্বসাধাৰণ ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত গ্ৰাহক সুৰক্ষা আদালত স্থাপনৰ বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰা উচিত। এইক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি গ্ৰাহকসকলক ন্যায় লাভৰ অধিকাৰ নিশ্চিত কৰিবলৈ জিলা প্ৰশাসনৰ ওচৰত আবেদন জনোৱা হৈছে। আজি আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকক এই বিষয়ে বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰভাত বৰা বুঢ়াভকত, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূঞা, সাংবাদিক দীপু বৰা, সমাজকৰ্মী ধ্ৰুৱজ্যোতি গোস্বামী আজি এখন স্মাৰক পত্ৰ প্ৰদান কৰি মাজুলীত গ্ৰাহকৰ অধিকাৰ সুৰক্ষাৰ বাবে এক স্থায়ী আৰু সহজলভ্য অভিযোগ নিষ্পত্তি ব্যৱস্থা গঢ়ি তোলাৰ দাবী জনাই। আবেদনখনৰ জৰিয়তে উত্থাপিত এই দাবীৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# নেপালীখুঁটিৰ বন্যাৰ্তৰ কাষত পূৱ ডেফেলীৰ গোৰ্খা সমাজ

**অসম বাৰ্তা, গোৰেশ্বৰ, ১২ আগষ্ট ঃ** প্ৰলয়ংকাৰী বানৰ ফলত সৰ্বস্বান্ত হোৱা উজনি অসমৰ বানপীড়িত পৰিয়ালসমূহক চৰকাৰ-প্ৰশাসন, বিভিন্ন দল-সংগঠন, স্বেচ্ছাসেৱী সংগঠন তথা সহৃদয়বান ব্যক্তিসকলে নিজ নিজ সাধ্যানুসৰি বান সাহায্য বিতৰণ কৰি আহিছে। ইয়াৰ সমান্তৰালকৈ শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাৰ অন্তৰ্গত নাজিৰাৰ বানবিধ্বস্ত বিহুবৰ নেপালীখুঁটিৰ বানপীড়িত ৰাইজৰ কাষত থিয় দি মানৱীয় সহায়ৰ হাত আগবঢ়ালে তামোলপুৰ জিলাৰ গোৰেশ্বৰৰ পূৱ ডেফেলীৰ গোৰ্খা সমাজে। জানিব পৰা মতে, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, অসম গোৰ্খা সন্মিলন, অসম নেপালী সাহিত্য সভা আৰু গোৰ্খা নাৰী বিকাশ সমিতি, ভোলাঝাৰৰ যৌথ আহ্বানত তথা পূৱ ডেফেলী অঞ্চলৰ বিভিন্ন গোৰ্খা কীৰ্তন সংঘ আৰু অঞ্চলটোৰ বহু সহৃদয়বান লোকৰ সক্ৰিয় সহযোগত শেহতীয়াকৈ বানে সকলো তচনচ কৰা নেপালীখুঁটিৰ বানপীড়িত পৰিয়ালসমূহৰ মাজত বান সাহায্য বিতৰণ কৰা হয়। এই সাহায্য অভিযানত অঞ্চলটোৰ গোৰ্খা সমাজক প্ৰতিনিধিত্ব কৰি অলপতে ছবিলাল ওলী, জগত প্ৰধান, শিবু সোণাৰ, বুদ্ধিকৃষ্ণ উপ্ৰেতি, বিপ্লৱ চিমৰীয়া, বিশাল মৈনালী, দ্বিগ্বজয় লুঁইটেল, বিনোদ চাপাগাঁই, অনুপ ওলী, চিৰঞ্জীৱী বিশ্বকৰ্মা আৰু ৰাজু মগৰ নেপালীখুটিত উপস্থিত হয়। প্ৰতিনিধি দলটোৱে অঞ্চলটোৰ শতাধিক বানপীড়িত পৰিয়ালৰ মাজত নগদ ধন আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে বহী বিতৰণ কৰাৰ লগতে বানপীড়িত ৰাইজৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহৰ বুজ লয়। লগতে সংকটৰ এই কঠিন সময়ত বানপীড়িত লোকসকলৰ কাষত পূৱ ডেফেলী অঞ্চলৰ গোৰ্খা সমাজ থিয় হৈ থকাৰো আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে, অভিশপ্ত ১৯ জুলাইৰ দিনা পাহাৰৰ পৰা বৈ অহা দিখৌ নদীত আকস্মিকভাৱে অহা প্ৰলয়ংকাৰী বানপানীয়ে অঞ্চলটোত কেনেদৰে এক অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছিল, সেই ভয়াৱহ অভিজ্ঞতাৰ শিহৰণকাৰী বৰ্ণনা কেইবাগৰাকীও স্থানীয় ভুক্তভোগীয়ে প্ৰতিনিধি দলটোৰ সন্মুখত দাঙি ধৰে। ইফালে, এতিয়াও উদং হৈ থকা গোহালি-গঁৰাল, অচল হৈ বোকাৰে লুতুৰি-পুতুৰি হৈ থকা বিলাসী বাহন আৰু ইফালে-সিফালে সিঁচৰতি হৈ থকা কষ্টোপাৰ্জিত মূল্যৱান সামগ্ৰীসমূহ স্বচক্ষে প্ৰত্যক্ষ কৰি প্ৰতিনিধি দলটোৰ সদস্যসকল ক্ষণিকৰ বাবে আৱেগিক হৈ পৰে। বানৰ বিভীষিকাই সৰ্বস্বান্ত কৰা পৰিয়ালসমূহৰ পুনৰ সংস্থাপন আৰু স্বাভাৱিক জীৱনলৈ ঘূৰি অহাৰ পথ এতিয়াও কঠিন বুলি তেওঁলোকে উল্লেখ কৰে।

# নলবাৰীত জিলা প্ৰশাসনৰ উদ্যোগত তিৰংগা যাত্ৰা




**অসম বাৰ্তা, নলবাৰী, ১২ আগষ্ট ঃ** আজি বিয়লি নলবাৰী জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ অংশগ্ৰহণেৰে আগন্তুক ৮০ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি তিৰংগা যাত্ৰা উলিয়ায়। নলবাৰী সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা নলবাৰী হৰিমন্দিৰ প্ৰাংগনলৈ উলিওৱা এই তিৰংগা যাত্ৰা শুভাৰম্ভ কৰে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। এই তিৰংগা যাত্ৰাৰ সমান্তৰালকৈ "বন্দে মাতৰম" ৰাষ্ট্ৰীয় গীতটিও বজোৱা হয়। এই তিৰংগা যাত্ৰাত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস আৰু জিলা প্ৰশাসনৰ আন আন বিষয়াসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে আজি অংগনৱাডী কৰ্মীসকলৰ দ্বাৰা জিলাখনৰ এলেঙীদল প্ৰাথমিক বিদ্যালয় চৌহদত হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অধীনত ৰংগোলী অংকন কৰা হয়। এলেঙীদল প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰৰ পৰা অংগনৱাডী কৰ্মীৰ লগতে উক্ত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে তিৰংগা যাত্ৰাও উলিওৱা হয়।

## ৰাষ্ট্ৰপতিৰ হাতৰ পৰা বঁটা গ্ৰহণৰ পিছতে মাজুলীত উষ্ম আদৰণি

# গৃহভূমি মাজুলীত উপস্থিত ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাৰে সন্মানিত মাজুলীৰ বিশেষ সক্ষম শিপিনী ৰীতি দলে

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** অদম্য ইচ্ছাশক্তি, অধ্যৱসায় আৰু বয়ন শিল্পৰ প্ৰতি একনিষ্ঠ সাধনাৰে আত্মনিৰ্ভৰশীলতাৰ এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰা মাজুলীৰ বিশেষ সক্ষম শিপিনী ৰীতি দলে ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা লাভ কৰি গৃহভূমি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে। ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা লাভ কৰা ৰীতি দলেয়ে ৭ আগষ্টত নতুন দিল্লীত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰপতিৰ হাতৰ পৰা এই সন্মান গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰা এই সাফল্যই মাজুলীৰ লগতে সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইফালে বঁটা গ্ৰহণ কৰি আজি মাজুলীত উপস্থিত হোৱাৰ লগে লগে কমলাবাৰী ঘাটত ৰীতি দলেক উষ্ম আদৰণি জনায় মাজুলী জিলা হস্ততাঁত আৰু বয়ন শিল্প বিভাগ, উন্নয়ন খণ্ড, বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠন, শুভাকাংক্ষী আৰু স্থানীয় ৰাইজে। গোমৰাগ নৃত্য, ফুলাম গামোচা আৰু সম্বৰ্ধনাৰে তেওঁক আদৰি মহৰিচুকস্থিত নিজ বাসগৃহলৈ লৈ যোৱা হয়। সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ তাঁতশালক জীৱন-সংগ্ৰামৰ সাৰথি হিচাপে বাছি লৈ ৰীতি দলেয়ে নিজৰ প্ৰতিভা, অধ্যৱসায় আৰু পৰিশ্ৰমৰ জৰিয়তে এগৰাকী সফল শিপিনী হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ নিজ হাতেৰে পৰম্পৰাগত মুগা বস্ত্ৰ, লগতে বিভিন্ন নক্সা আৰু ৰঙৰ মিচিং চাদৰ-মেখেলা প্ৰস্তুত কৰি ঘৰৰ পৰাই বিপণন কৰি আহিছে। এই কৰ্মৰ জৰিয়তে তেওঁ আত্মনিৰ্ভৰশীলতাৰ এক অনুকৰণীয় দৃষ্টান্ত স্থাপন কৰিছে। ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা লাভৰ পিছত ৰীতি দলে এতিয়া কেৱল মাজুলীৰ গৌৰৱেই নহয়, অসমৰ বয়ন শিল্পৰ সৈতে জড়িত অসংখ্য শিপিনী আৰু যুৱ প্ৰজন্মৰ বাবেও প্ৰেৰণাৰ উৎস হৈ পৰিছে। শাৰীৰিক সীমাবদ্ধতাক কেতিয়াও জীৱনৰ অন্তৰায় বুলি গণ্য নকৰি কঠোৰ পৰিশ্ৰম, আত্মবিশ্বাস আৰু দক্ষতাৰ বলত সাফল্য অৰ্জন কৰিব পাৰি - ৰীতি দলেৰ এই যাত্ৰাই সেই বাৰ্তাকেই অধিক শক্তিশালীভাৱে প্ৰতিফলিত কৰিছে। ৰীতি দলেৰ এই অসাধাৰণ সাফল্যৰ বাবে মাজুলীবাসীৰ লগতে সমগ্ৰ ৰাজ্যবাসীয়ে তেওঁক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# যোগীঘোপাত ইৰাণী গ্ৰুপৰ সদস্য গ্ৰেপ্তাৰ

**অসম বাৰ্তা, যোগীঘোপা, ১২ আগষ্ট ঃ** যোগীঘোপাত ইৰাণী গ্ৰুপৰ সদস্য গ্ৰেপ্তাৰৰ পিছত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ধৃত সদস্যজন বিহাৰৰ কাটিহাৰৰ বুলি জানিব পৰা গৈছে। কাবাইটাৰী এজন শিক্ষকৰ টকাৰ বেগ কাঢ়ি লৈ গৈছিল যুৱকজনে। যুৱকজনৰ পৰা চোকা অস্ত্ৰ, নগদ ধন আৰু কিছুমান আপত্তিজনক অন্য সমগ্ৰী উদ্ধাৰ কৰা হৈছে। ঘটনাটো সন্দৰ্ভত যোগীঘোপা আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। সমাগত গণতন্ত্ৰ দিৱস, মাজত মাত্ৰ কেইটামান দিন বাকী। সন্তম হৈ আছে যোগীঘোপা আৰক্ষী। তাৰ মাজতেই বিহাৰ কাটি হাৰৰ পৰা অৱসত আহি সংগঠিত কৰিলে এক জঘন্য ভয়ানক কাণ্ড। মুখত স্প্ৰে মাৰি কাঢ়ি নিলে শিক্ষক গৰাকীৰ বেগ। ঘটনাটো সংঘটিত হয় যোগীঘোপা কাবাইটাৰী দুৰ্গা মন্দিৰৰ ওচৰত। যোগীঘোপা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পুলক বৰ্মনৰ নেতৃত্ব আটক কৰে যুৱকজনক। প্ৰায় ১৫ / ২০ দিন ধৰি বিহাৰ কাটিহাৰৰ পৰা অসমলৈ আহিছে যুৱকজন। কুখ্যাত অপৰাধী ৰোহিত যাদৱ পূৰ্বৰে পৰা মাজে সময়ে এনে অপৰাধমূলক কাণ্ড সংঘটিত কৰি আহিছে বুলি স্বীকাৰ কৰে। যোগীঘোপা আৰক্ষীয়ে শোধপোচ অভ্যাসত ৰাখিছে। অভিযুক্তৰ লগত আৰু কোন কোন জড়িত আছে সেয়া সময়তহে লক্ষণীয় হ'ব।

## গোগামুখৰ হিংসাত্মক ঘটনাক কেন্দ্ৰ কৰি টিএমপিকেৰ উদ্যোগত কেইবাটাও দল-সংগঠনৰ সহযোগত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ

# জাগুনত অনিৰ্দিষ্টকাললৈ অসম অৰুণাচল সংযোগী পথ অৱৰোধ

**অসম বাৰ্তা বিশেষ, জাগুন, ১২ আগষ্ট ঃ** যোৱা ১০ আগষ্ট তাৰিখে ধেমাজি জিলাৰ গোগামুখৰ মিংমাঙ বদটিত অসম অৰুণাচল প্ৰদেশ সীমা বিবাদক কেন্দ্ৰ কৰি অৰুণাচলী দুৰ্বৃত্তই অসমৰ মিচিং সম্প্ৰদায়ৰ ১১ জনকৈ লোকক নিৰ্বিচাৰ গুলীচালনাৰে গুলীবিদ্ধ কৰা ঘটনাক লৈ উতপ্ত হৈ পৰিছে অসম অৰুণাচল প্ৰদেশ সংযোগী প্ৰৱেশ পথ সমূহ। সমান্তৰালভাৱে জাগুনটো অসম অৰুণাচল প্ৰদেশ সংযোগী জয়ৰামপুৰ আৰু নামচিক প্ৰৱেশ পথটো প্ৰতিবাদ মুখৰ হৈ পৰিছে। মিচিং ছাত্ৰ সংগঠন টিএমপিকেৰ উদ্যোগত কেইবাটাও মিচিং জাতীয় সংগঠন আৰু অন্যান্য দল সংগঠনৰ সহযোগত ৰাজ্য দুখনৰ সংযোগী দুয়োটা পথ অৱৰোধ কৰাৰ লগতে অৰ্থনৈতিক অৱৰোধ গঢ়ি তোলা দেখা যায়। এই পথ অৱৰোধৰ ফলত দুয়োখন ৰাজ্যৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ ৰূপে স্থবিৰ হৈ পৰে। প্ৰতিবাদকাৰী সকলে অৰুণাচল প্ৰদেশ চৰকাৰ বিৰোধী বিভিন্ন শ্লোগানেৰে উক্ত হিংসাত্মক কাৰ্যৰ লগত জড়িত অৰুণাচলী দুৰ্বৃত্ত কেইজনক কৰায়ত্ত কৰি কঠোৰ শাস্তি প্ৰদানৰ দাবী জনোৱাৰ লগতে ঘটনাত ভুক্তভোগী পৰিয়াল কেইটাক ৫০ লাখ টকাকৈ এককালীন ক্ষতিপূৰণ দিয়াৰো দাবী জনায়। ইয়াৰোপৰি অসম আৰু অৰুণাচল প্ৰদেশ চৰকাৰে শান্তিপূৰ্ণ আলোচনাৰ মাধ্যমেৰে দুয়োখন ৰাজ্যৰ দীৰ্ঘদিনীয়া আন্তঃৰাজ্যিক সীমা সমস্যাৰ স্থায়ী সমাধান কৰিবলৈও দাবী উত্থাপন কৰে। প্ৰতিবাদকাৰী সকলৰ এই দাবীৰ ক্ষেত্ৰত যদি অৰুণাচল প্ৰদেশ চৰকাৰে কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে অনিৰ্দিষ্টকাললৈ এই পথ অৱৰোধ তথা অৰ্থনৈতিক অৱৰোধ গঢ়ি তোলা হব বুলি সংবাদ মাধ্যমৰ জৰিয়তে জানিবলৈ দিয়ে। এই ক্ষেত্ৰত প্ৰতিবাদকাৰী সকলে অৰুণাচল বাসী ৰাইজৰ সহযোগ বিচৰাৰ লগতে জৰুৰী কালীন ৰোগী আৰু ছাত্ৰ-ছাত্ৰী সকলক ৰেহাই দিয়াৰ কথা জনায়।

# গোগামুখত অৰুণাচলী দুৰ্বৃত্তৰ গুলীচালনাৰ ঘটনা

## গহপুৰৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী ৰাজগড়ত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ




**অসম বাৰ্তা, গহপুৰ, ১২ আগষ্ট ঃ** ধেমাজি জিলাৰ গোগামুখত অৰুনাচলী দুস্কৃতিকাৰীয়ে নিৰীহ অসমীয়া লোকৰ ওপৰত বৰ্বৰ ভাৱে গুলীচালনা কৰি একাধিক লোকক আহত কৰা ঘটনাক লৈ গহপুৰত আজি টি এমে পি কে সহ বিভিন্ন মিচিং জাতীয় সংগঠনে ৰূপায়ণ কৰে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী। মিচিং জাতীয় সংগঠনৰ অবিভক্ত শোণিতপুৰ জিলা সমিতিৰ টিএমপিকেৰ নেতৃত্বত কেইবাটাও সংগঠনে আজি গহপুৰৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ ৰাজগড়ত অৰ্থনৈতিক পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। বন্দুকধাৰী অৰুনাচলীয়ে অসমীয়া ব্যক্তিক গুলীয়াই গুৰুতৰ ভাৱে আহত কৰাৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে টিএমপিকেৰ নেতৃবৃন্দৰ লগতে অবিভক্ত শোণিতপুৰ জিলা সমিতিৰ এমএমকে আৰু টিএমএমকেৰ প্ৰতিবাদী সদস্য আৰু বিষয়ববীয়া সকলে। উক্ত ঘটনাৰ লগত জড়িত অৰুনাচলী দুৰ্বৃত্ত সকলক অনতিপলমে চিনাক্ত কৰি কঠোৰতম শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰে। লগতে অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী বিবদমান এলেকা সমূহত দুয়োখন ৰাজ্যৰ যৌথ উদ্যোগত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ দাবী জনায়। লগতে সীমা নিৰ্ধাৰণ কৰি দীৰ্ঘদিনীয়া সীমা সমস্যা দূৰ কৰিবলৈ দুয়োখন ৰাজ্যৰ চৰকাৰৰ প্ৰতি আহ্বান জনোৱা হয়। অন্যথা ভৱিষ্যতে ইয়াতকৈ অধিক তীব্ৰতৰ আন্দোলন গঢ়ি তুলিব বুলিও হুংকাৰ দিয়ে প্ৰতিবাদকাৰী সকলে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে এম এম কেৰ কেন্দ্ৰীয় সদস্য মনজিৎ পাটগিৰি, হেমজিৎ পাটগিৰি, টিএমপিকেৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰাজীৱ পেগু, টিএমপিকেৰ কেন্দ্ৰীয় সদস্য দিনেশ পাটগিৰি শোণিতপুৰ জিলা টিএমপিকেৰ সভাপতি প্ৰভাত দলে, সম্পাদক হিৰজ্যোতি কামান, এম এম কেৰ সভাপতি লালবাহাদুৰ মিলি, সম্পাদক ৰাজীৱ কাৰ্ডং প্ৰমুখ্যে বহু কেইগৰাকী কেন্দ্ৰীয় আৰু জিলা পৰ্য্যায়ৰ নেতৃত্ব উপস্থিত থাকে। প্ৰতিবাদকাৰী সকলে প্ৰেমা খান্দু মুৰ্দাবাদ, অৰুণাচলীৰ দাদাগিৰি নচলিব, সীমা সমস্যা সমাধান কৰক আদি বিভিন্ন প্ৰতিবাদী শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। আজি পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা উক্ত প্ৰতিবাদী কাৰ্যসূচী বাতৰি লিখা পৰ্যন্ত অব্যাহত আছে। বিশ্বনাথ জিলা আৰক্ষী আৰু গহপুৰ আৰক্ষীয়ে উক্ত প্ৰতিবাদস্থলীত উপস্থিত থাকি পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু বিষয়া সন্থাৰ বানপীড়িত শিক্ষাৰ্থীৰ কাষত

## নাজিৰা মহাবিদ্যালয় আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত আৰ্থিক সাহায্য

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ আগষ্ট ঃ** উজনি অসমৰ বানপীড়িত লোকসকলৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি বানৰ ফলত ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকলৰ কাষত থিয় দিলে ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় বিষয়া সংস্থাই। দুয়োটা সংস্থাৰ যৌথ উদ্যোগত আজি নাজিৰা মহাবিদ্যালয় আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত বান সাহায্য কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল বানপীড়িত আৰু আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকলক আৰ্থিক সাহায্য প্ৰদান কৰি তেওঁলোকৰ শৈক্ষিক জীৱন অব্যাহত ৰখাত সহায় কৰা। বানপানীৰ ফলত বহু পৰিয়ালে আৰ্থিক সংকটৰ সন্মুখীন হোৱাৰ সময়ত শিক্ষাৰ্থীসকলক কিছু সকাহ দিয়াৰ উদ্দেশ্যে এই উদ্যোগ গ্ৰহণ কৰা হয়। নাজিৰা মহাবিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰাজু ফুকন উপস্থিত থাকে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থাৰ হৈ প্ৰফেছৰ সুব্ৰত বুঢ়াগোহাঁই, ড° বৰুণ দে আৰু ড° দৰ্পণজিৎ কোঁৱৰ উপস্থিত থাকে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিষয়া সংস্থাৰ হৈ মনোজ তামোলী, ড° গুণদীপ চেতিয়া আৰু ড° মনোৰঞ্জন ভূঞা উপস্থিত থাকে। আনহাতে, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়তো একেধৰণৰ বান সাহায্য কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মনজিৎ গগৈৰ উপস্থিতিত বানপীড়িত শিক্ষাৰ্থীসকলক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। উপস্থিত প্ৰতিনিধিসকলে কয় যে প্ৰাকৃতিক দুৰ্যোগে কেৱল মানুহৰ জীৱন -জীৱিকাতে প্ৰভাৱ পেলোৱা নাই বৰঞ্চ বহু শিক্ষাৰ্থীৰ শিক্ষা জীৱনতো ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে। এনে সংকটৰ সময়ত শিক্ষাৰ্থীসকলৰ কাষত থিয় দি তেওঁলোকক সম্ভৱপৰ সহায় আগবঢ়োৱাটো সামাজিক দায়বদ্ধতাৰ এক গুৰুত্বপূৰ্ণ অংশ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থা আৰু বিষয়া সংস্থাৰ এই পদক্ষেপে শিক্ষানুষ্ঠানৰ সৈতে বৃহত্তৰ সমাজৰ সম্পৰ্ক আৰু দুৰ্যোগৰ সময়ত শিক্ষাৰ্থীসকলৰ প্ৰতি দায়িত্ববোধৰ এক ইতিবাচক নিদৰ্শন দাঙি ধৰিছে। বানপীড়িত মুঠ ২০৪জন শিক্ষাৰ্থীক প্ৰদান কৰা এই আৰ্থিক সাহায্যই তেওঁলোকক সংকটৰ সময়ত কিছু সকাহ দিয়াৰ লগতে নিজৰ শিক্ষা অব্যাহত ৰখাত উৎসাহ যোগাব বুলি আশা কৰা হৈছে।

# সাংবাদিক-ক্ৰীড়া সংগঠক প্ৰয়াত অৰুণ বৰাৰ স্মৃতিচাৰণ

**অসম বাৰ্তা, মাজুলী, ১২ আগষ্ট ঃ** মাজুলী জিলা সদৰ গড়মূৰস্থিত গড়মূৰ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি, অৱসৰপ্ৰাপ্ত শিক্ষক, ক্ৰীড়া সংগঠক অৰুণ বৰাৰ মৃত্যু বাৰ্ষিকী আজি প্ৰেছ ক্লাবত যথাৰৎ আয়োজন কৰা হয়। এই উপলক্ষে পুৱা পৰিবেশ নিকাকৰণৰ পিছত প্ৰতিষ্ঠাপক গৰাকীৰ প্ৰতিচ্ছৱিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰয়াত অৰুণ বৰাৰ সহকৰ্মী অৱসৰপ্ৰাপ্ত শিক্ষক জয়ন্ত বৰাই। প্ৰেছ ক্লাবৰ সম্পাদক মিটু খাটনিয়াৰে স্মৃতি তৰ্পণ কৰাৰ পিছতে আন এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক তিলেশ্বৰ কলিতা, সমাজকৰ্মী-শিল্পী শান্তৰাম পাঠক, সুৰজিত বৰা, প্ৰেছ ক্লাবৰ সভাপতি উৎপল কাকতিয়ে প্ৰয়াত বৰাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পৰৱৰ্তী সময়ত এখন চমু স্মৃতিচাৰণ সভা সভাপতি উৎপল কাকতিৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলকৰ লগতে আন বিশিষ্ট ব্যক্তিক ক্লাবৰ তৰফৰ পৰা গামোচাৰে বৰণ কৰে সম্পাদক মিটু খাটনিয়াৰে। সভাত এসময়ৰ একেখন বিদ্যালয়ৰ সহকৰ্মী শিক্ষক জয়ন্ত বৰাই প্ৰয়াত অৰুণ বৰাৰ স্মৃতিচাৰণ কৰি বক্তব্য প্ৰদান কৰে। আনগৰাকী বিশিষ্ট ব্যক্তি অৱসৰপ্ৰাপ্ত শিক্ষক তিলেশ্বৰ কলিতাই বক্তব্য প্ৰদান কৰি বৰাৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰে। শেষত সভাপতিৰ মন্তব্যৰে স্মৃতিচাৰণ অনুষ্ঠানৰ সামৰণি পৰে। স্মৃতিচাৰণ অনুষ্ঠানৰ আঁত ধৰে সম্পাদক মিটু খাটনিয়াৰে।

# বানাক্ৰান্ত ৰাইজৰ কাষত নগাঁৱৰ কেইবাটিও সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ প্ৰতিনিধি

**অসম বাৰ্তা, বেবেজীয়া, ১২ আগষ্ট ঃ** সাম্প্ৰতিক সময়ত নাজিৰা, শিৱসাগৰত অব্যাহত থকা সংহাৰী বানৰ ফলত জুৰুলা হৈ পৰা সৰ্বসাধাৰণ ৰাইজৰ সহায়ৰ বাবে আগবাঢ়ি আহিছে কেইবাটিও সামাজিক -সাংস্কৃতিক অনুষ্ঠানে। বানৰ তাণ্ডৱত ঘৰ-বাৰী, খেতি-বাতি হেৰুৱাই আশ্ৰয় শিবিৰত নাইবা ওখ স্থানত আশ্ৰয় ল'বলগীয়া হোৱা বানপীড়িতসকলৰ দুৰ্দশা লাঘব কৰাৰ উদ্দেশ্যৰে মঞ্চৰ কৰ্মকৰ্তাসকলে এক বিশেষ সাহায্য কাৰ্যসূচী ৰূপায়ণ কৰে। মঞ্চৰ সদস্যসকলে নিমাইজান অঞ্চলটোৰ প্লাবিত এলেকা সমূহত উপস্থিত হৈ প্ৰভাৱিত ৰাইজৰ মাজত বিশুদ্ধ খোৱাপানী, ফেনাইল, ব্লিচিং, বিস্কুট আদিকে ধৰি নিত্য ব্যৱহাৰ্য সামগ্ৰী বিতৰণ কৰে। এই সাহায্য প্ৰদান কাৰ্যসূচীত মঞ্চৰ বিভিন্ন বিষয়ববীয়া আৰু স্থানীয় স্বেচ্ছাসেৱকসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। বিপদে মৰমে আৱৰি ৰখা অসমীয়া সমাজখনৰ এই সংকটৰ সময়ত নিজৰ সামাজিক দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই ক্ষুদ্ৰ প্ৰচেষ্টা হাতত লোৱা বুলি স্ৰোতস্বিনীৰ তৰংগত সাহিত্য আৰু সংস্কৃতি স্নেহবন্ধন মঞ্চ অসমৰ প্ৰতিষ্ঠাপক সম্পাদক দীপ দাসে জানিবলৈ দিয়ে। কেৱল সাহিত্য আৰু সংস্কৃতিৰ চৰ্চাতে আৱদ্ধ নাথাকি দুৰ্দশাগ্ৰস্ত মানুহৰ কাষত থিয় দিয়াটো মঞ্চৰ মূল উদ্দেশ্য বুলি উল্লেখ কৰি অনাগত দিনতো বানপীড়িতক সম্ভৱপৰ সকলো ধৰণৰ সহযোগ আগবঢ়াই যোৱাৰ কথা তেওঁলোকে প্ৰকাশ কৰে। সমান্তৰালভাৱে, সমাজৰ অন্যান্য সামৰ্থবান ব্যক্তি তথা সংগঠনসমূহকো এই কঠিন সময়ত বানাক্ৰান্ত ৰাইজৰ সহায়ৰ বাবে উলাই আহিবলৈ মঞ্চৰ তৰফৰ পৰা আন্তৰিক আহ্বান জনোৱা হৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন